www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মহৎ মনবোৰে নতুন ধাৰণাৰ কথা পাতে, মজলীয়া মনবোৰে ইভেন্টৰ কথা পাতে আৰু সৰু মনবোৰে পাতে মানুহৰ কথা। - এলেনোৰ ৰুজভেল্ট

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা-৩২০ | সোমবাৰ | ২৮ ছেপ্টেম্বৰ, ২০২৬ চন | Volume/Year- I | Issue- 320 | Monday | 28th September, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

আশুতোষ ৰাংকাক মুক্তিৰ দাবীৰে অসম ভ্ৰমণ

## সোমবাৰে অসমলৈ CJP নেতা অভিজিৎ দীপকে !



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** অসমত ক'কৰোচ্ছ জনতা পাৰ্টী (CJP)ই আয়োজন কৰিবলৈ লোৱা প্ৰস্তাৱিত স্বেচ্ছাসেৱক সন্মিলন দেওবাৰে আৰম্ভ হোৱাৰ আগতেই আৰক্ষীয়ে বন্ধ কৰি দিয়ে। গুৱাহাটীত মহানগৰ আৰক্ষীয়ে CJPৰ সহ-আহ্বায়ক আশুতোষ ৰাংকাসহ সংগঠনটোৰ কেইবাগৰাকীও নেতা আৰু স্বেচ্ছাসেৱকক আটক কৰে। এই আটকক কেন্দ্ৰ কৰি CJPৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকে অসম আৰক্ষীৰ তীব্ৰ সমালোচনা কৰে। তেওঁ অভিযোগ কৰে যে আৰক্ষীয়ে আশুতোষ ৫ পৃষ্ঠাত

আৰক্ষী বাহিনীৰ গেটৰ সন্মুখতেই প্ৰতিবাদত বহিল সমৰ্থক

# CJPৰ নেতা-কৰ্মীক আটকক লৈ উত্তেজনা

### ৫ বজাৰ পাছতো মুকলি নকৰাত প্ৰতিবাদ ঃ ৯ 'অসমৰ বাবে লজ্জাজনক' আখ্যা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ ছেপ্টেম্বৰ ঃ** গুৱাহাটীত ক'কৰোচ্ছ জনতা পাৰ্টী (CJP)ৰ নেতা-কৰ্মীক আটক কৰাৰ ঘটনাক লৈ তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। জানিব পৰা মতে, CJPৰ নেতা-কৰ্মীসকল এখন ভলণ্টিয়াৰ মিটিঙলৈ আহোঁতে আৰক্ষীয়ে তেওঁলোকক আটক কৰে। এই ঘটনাৰ পিছতেই CJP য়ে সংবাদমেল আহ্বান কৰি আটকাধীনসকলক শীঘ্ৰে মুকলি নকৰিলে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ দিয়ে। সংবাদমেলত CJPৰ তৰফৰ পৰা প্ৰশ্ন উত্থাপন কৰা হয়-ভলণ্টিয়াৰ মিটিং এখনলৈ আহোঁতেই CJPৰ নেতাক কিয় আটক কৰা হ'ল? অসমৰ মুখ্যমন্ত্ৰীয়ে Gen Zক ভয় কৰে নেকি? এই ঘটনাক 'অসমৰ বাবে লজ্জাজনক' বুলি অভিহিত কৰি জ্ঞানশ্ৰী বৰাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আটকাধীনসকলক বিয়লি ৫ বজাৰ পাছতো মুকলি নকৰাত CJPৰ ৫ পৃষ্ঠাত

প্ৰতি ৩ বছৰৰ মূৰে স্বয়ংক্ৰিয় নৱীকৰণৰ ব্যৱস্থা

## অনলাইনৰ জৰিয়তে হোমষ্টে, ৰিজৰ্ট, হোটেল পঞ্জীয়ন আৰু নৱীকৰণৰ ব্যৱস্থা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** বিশ্ব পৰ্যটন দিৱসৰ দিনাই অসমৰ বিভিন্ন পৰ্যটনস্থলী দৰ্শন কৰিবলৈ অহা পৰ্যটকসকলৰ সুবিধাৰ কথা লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে অনলাইন সেৱা আৰম্ভ কৰিছে। অসম চৰকাৰৰ 'সেৱা সেতু' পৰ্টেলৰ জৰিয়তে এতিয়াৰে পৰা হোমষ্টে, ৰিজৰ্ট, হোটেল আদিৰ পঞ্জীয়ন আৰু নৱীকৰণ সম্পূৰ্ণ অনলাইনত কৰিব পৰা যাব। ইয়াৰ ফলত পৰ্যটন সম্পৰ্কীয় কাগজ-পত্ৰৰ ৫ পৃষ্ঠাত

## পৰ্যটন খণ্ডক নতুন ৰূপ দিবলৈ ডিজিটেল কাৰ্যসূচী আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত গুৰুত্ব

ডিমা হাছাওৰ উমৰাংছ'ত প্ৰথম ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** পৰ্যটনৰ গুৰুত্ব সম্পৰ্কে বিশ্ববাসীক সজাগ কৰাৰ উদ্দেশ্যে আজি বিশ্ব পৰ্যটন দিৱস পালন কৰা হৈছে। জনসাধাৰণৰ মাজত সম্পৰ্ক সুদৃঢ় কৰা, সাংস্কৃতিক বিনিময়ৰ প্ৰসাৰ আৰু অৰ্থনৈতিক বিকাশত পৰ্যটনৰ ভূমিকা সম্পৰ্কে আলোকপাত কৰাৰ লক্ষ্যৰে প্ৰতি বছৰে ২৭ ছেপ্টেম্বৰত এই দিৱস পালন কৰা হয়। এইবাৰ দিৱসটোৰ মূল বিষয়বস্তু হৈছে-পৰ্যটন খণ্ডক নতুন ৰূপত বিকশিত কৰাৰ বাবে ডিজিটেল কাৰ্যসূচী আৰু কৃত্ৰিম বুদ্ধিমত্তা। ডিমা ৫ পৃষ্ঠাত




"নিৰ্বাচন আয়োগে এটা নিৰ্দিষ্ট ৰাজনৈতিক দলক সমৰ্থন কৰি চলিছে"

## মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগৰ দাবী কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী ভদ্ৰাৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী পুনৰ তীব্ৰ কৰি তুলিছে কংগ্ৰেছৰ জ্যেষ্ঠ সাংসদ তথা ৱায়নাড লোকসভা সমষ্টিৰ প্ৰতিনিধি প্ৰিয়ংকা গান্ধী ভদ্ৰাই। তেওঁ অভিযোগ কৰে যে নিৰ্বাচন আয়োগে কেৱল এটা বিশেষ ৰাজনৈতিক দলৰ প্ৰতি পক্ষপাতিত্ব কৰাই নহয়, সেই দলৰ হৈ সক্ৰিয়ভাৱে প্ৰচাৰো চলাই আছে। এনে পৰিস্থিতিত স্বচ্ছ আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাটো সম্ভৱ নহয় বুলি তেওঁ মন্তব্য কৰে। সাংসদগৰাকীয়ে কয়, "তেওঁলোকে কেৱল ৫ পৃষ্ঠাত

## ছাৰ্জিকেল ষ্ট্ৰাইক ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী নীতিৰ ঐতিহাসিক উদাহৰণ ঃ প্ৰধানমন্ত্ৰী মোদী

লোকপিয়ল আৰু নিচামুক্ত যুৱ অভিযানৰ বিষয়েও দেশবাসীক সম্বোধন



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** প্ৰতি মাহৰ শেষ দেওবাৰে সম্প্ৰচাৰিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কি বাত' অনুষ্ঠানত এইবাৰ সন্ত্ৰাসবাদ বিৰোধ, লোকপিয়ল আৰু নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে চলি থকা যুঁজকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোকপাত কৰা হয়। প্ৰধানমন্ত্ৰীয়ে কয় যে ২০১৬ চনৰ ছাৰ্জিকেল ষ্ট্ৰাইক সন্ত্ৰাসবাদী আক্ৰমণৰ ফলত সৃষ্টি হোৱা যন্ত্ৰণাৰ বিৰুদ্ধে ৫ পৃষ্ঠাত

'এনডিটিভি ডিফেন্স ছামিট ২০২৬'ত প্ৰতিৰক্ষা মন্ত্ৰীৰ সকীয়নি

## ৰাষ্ট্ৰীয় নিৰাপত্তাত কোনো আপোচ নহয়; সন্ত্ৰাসবাদৰ বিৰুদ্ধে আক্ৰমণ অব্যাহত থাকিব ঃ ৰাজনাথ সিং

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত ভাৰতে কোনো ধৰণৰ আপোচ নকৰে। চুবুৰীয়া দেশে সন্ত্ৰাসবাদক 'প্ৰচাৰ' কৰি থকা সময়লৈকে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যিকোনো আক্ৰমণ চলাবলৈ ভাৰত সাজু থাকিব বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে দেওবাৰে স্পষ্ট মন্তব্য কৰে। 'এনডিটিভি ডিফেন্স ছামিট ২০২৬'ত ভাষণ দি ৰাজনাথ সিঙে কয় যে ভাৰতে শান্তি বিচাৰে আৰু যুদ্ধ বা আন কোনো দেশৰ ভূমি দখল কৰাৰ আকাংক্ষা নকৰে। কিন্তু শান্তিৰ প্ৰতি ভাৰতৰ আগ্ৰহক দুৰ্বলতা বুলি ভুল কৰা উচিত নহয় বুলিও তেওঁ সতৰ্ক কৰি দিয়ে। তেওঁ কয়, "ভাৰতে শান্তিত বিশ্বাস কৰে, যুদ্ধ নিবিচাৰে। আমি আন কোনো দেশৰ ভূমি দখল কৰিব নিবিচাৰোঁ, কাকো ভাবুকি দিব নিবিচাৰোঁ। কিন্তু নীৰৱতা আৰু দুৰ্বলতাৰ মাজত পাৰ্থক্য ৫ পৃষ্ঠাত



## ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী সামৰণি অনুষ্ঠানৰ প্ৰস্তুতি পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

২৯ নৱেম্বৰত ভাৰত মণ্ডপমত অনুষ্ঠান ঃ প্ৰধানমন্ত্ৰী মুখ্য অতিথি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানৰ আয়োজন আৰু প্ৰস্তুতিৰ পৰ্যালোচনাৰ বাবে দেওবাৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ৰাজধানী নতুন দিল্লীস্থিত 'ভাৰত মণ্ডপম'ত উপস্থিত হয়। সুধাকণ্ঠ, সুধাংশু তথা অসম আৰু ভাৰতীয় সংস্কৃতিৰ মহানুভৱ প্ৰতীক ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ এই ঐতিহাসিক সামৰণি সমাৰোহ অহা ২৯ ৫ পৃষ্ঠাত

এছআইআৰ বিতৰ্কৰ মাজতে লোকসভাৰ বিৰোধী দলপতিৰ বাৰ্তা

## ঢৌ তীব্ৰ হ'লে সাগৰত সাঁতুৰি ভাল পাওঁ ঃ ৰাহুল গান্ধী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** মুখ্য নিৰ্বাচন আয়ুক্ত আৰু নিৰ্বাচন আয়ুক্তৰ মাজত মতানৈক্য, এছআইআৰ প্ৰক্ৰিয়া তথা নিৰ্বাচন আয়োগৰ কাৰ্যকলাপক লৈ ৫পৃষ্ঠাত

## মুখ্য নিৰ্বাচন আয়ুক্ত বিৰোধী চিজেপিৰ প্ৰতিবাদলৈ মুকলি সমৰ্থন সোণম ৱাংচুকৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত ক'কৰোচ্ছ জনতা পাৰ্টী (CJP)য়ে ২ অক্টোবৰৰ পৰা আৰম্ভ কৰিবলগীয়া প্ৰতিবাদলৈ জলবায়ু কৰ্মী সোণম ৱাংচুকে মুকলি সমৰ্থন আগবঢ়াইছে। দেওবাৰে সোণম ৱাংচুকে কয় যে দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়া উন্নত কৰিবলৈ হ'লে মুখ্য ৫ পৃষ্ঠাত

সবৰমতীত ১,৫৪২ কোটি টকাতকৈ অধিক ব্যয়ৰ ৰে'ল প্ৰকল্প উদ্বোধন

## আহমেদাবাদত দেশৰ প্ৰথম এলএনজি চালিত ৰে'লৰ শুভাৰম্ভ গৃহমন্ত্ৰী অমিত শ্বাহৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** দেশৰ ৰে'ল পৰিবহণৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰি দেওবাৰে আহমেদাবাদৰ সবৰমতীত ভাৰতৰ প্ৰথমখন লিকুফাইড নেশ্বাৰেল গেছ (এলএনজি) চালিত ৰে'লৰ চলাচল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুকলি কৰে। এই উপলক্ষে তেওঁ ১,৫৪২ কোটি টকাতকৈ অধিক ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া কেইবাটাও ৰে'ল প্ৰকল্পৰ উদ্বোধন কৰে। ইয়াৰ লগতে স্বয়ংক্ৰিয় সংকেত ব্যৱস্থা আৰু সবৰমতী-ছাৰখেজ ৰে'লপথ ৫ পৃষ্ঠাত

লাহৰীঘাটৰ নগাবন্ধাত বিজেপিৰ বিশাল নিৰ্বাচনী প্ৰচাৰ সভা

## লাহৰীঘাট ভেঞ্চাৰ এমএলএৰ কোনো কাম নাই ঃ পিয়ুষ হাজৰিকা

**অসম বাৰ্তা, লাহৰীঘাট, ২৭ ছেপ্তেম্বৰ ঃ** আজি লাহৰীঘাট বিধান সভা সমষ্টিৰ অন্তৰ্গত নগাবন্ধাত বিজেপিৰ বিশাল নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। নগাঁও লোকসভা উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ভাৰতীয় জনতা পাৰ্টীয়ে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ হৈ সমষ্টিটোৰ প্ৰতিটো চোকে কোনে বিজেপিৰ নেতা-কৰ্মী বিশেষকৈ জাগীৰোড সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰায় প্ৰতি দিনেই সমষ্টিটোত চলাইছে জোৰদাৰ ৫ পৃষ্ঠাত




বন্যপ্ৰাণী সংৰক্ষণৰ সফলতাক লৈ মুখ্যমন্ত্ৰীৰ বিশেষ মন্তব্য

## বেদখলমুক্ত সোণাই-ৰূপাইত পুনৰ হাতীৰ বিচৰণ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** অসমৰ শোণিতপুৰ জিলাত অৱস্থিত সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ কেইবা দশক ধৰি বেদখলত থকা ভূমি উদ্ধাৰ কৰাৰ পিছত সেই অঞ্চলসমূহত হাতীকে ধৰি অন্যান্য বন্যপ্ৰাণীয়ে পুনৰ মুক্তভাৱে বিচৰণ কৰিবলৈ আৰম্ভ কৰিছে। দেওবাৰে এই তথ্য প্ৰকাশ কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ৫ পৃষ্ঠাত

ছিৰাজ-যশস্বীক বাদ দি ভাৰতৰ একাদশ ঘোষণা

## ভাৰত-ৱেষ্ট ইণ্ডিজৰ এদিনীয়া শৃংখলা ঃ নমন ধীৰৰ অভিষেক



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰ ঃ** ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচ আজি তিৰুৱনন্তপুৰমৰ গ্ৰীণফিল্ড ইণ্টাৰনেচনেল ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। এই মেচখনত ভাৰতীয় অধিনায়ক শুভমন গীলে টছত জয়ী হৈ প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। মেচখনৰ জৰিয়তে পঞ্জাৱৰ অলৰাউণ্ডাৰ নমন ধীৰে আন্তৰ্জাতিক ক্ৰিকেটত অভিষেক ঘটায়। টিম হাডলত অধিনায়ক শুভমন গীলে তেওঁক এদিনীয়া অভিষেকৰ কেপ প্ৰদান কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ আইপিএল খেলা নমন ধীৰে প্ৰথমবাৰৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰিছে। ঘৰুৱা ক্ৰিকেট, ফ্ৰেঞ্চাইজি ক্ৰিকেট আৰু ইণ্ডিয়া-এৰ হৈ তেওঁৰ প্ৰদৰ্শনে নিৰ্বাচকসকলক আকৰ্ষিত কৰাৰ পিছত তেওঁক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হয়। অৱশ্যে প্ৰথমখন এদিনীয়াৰ প্লেয়িং-১১ত দ্ৰুত বলাৰ মহম্মদ ছিৰাজক অন্তৰ্ভুক্ত নকৰাটো যথেষ্ট আচৰিত সিদ্ধান্ত হিচাপে পৰিগণিত হৈছে। ছিৰাজৰ সলনি নমন ধীৰক অধিক গুৰুত্ব দিয়া হৈছে। অ'পেনাৰ যশস্বী জয়ছোৱাল, ৫ পৃষ্ঠাত

## মাতা অমৃতানন্দময়ীৰ ৭৩ সংখ্যক জয়ন্তীত অসম আৰু নেপাললৈ ২ কোটি টকাৰ আৰ্থিক সাহায্য

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ অসমৰ হৈ বান সাহায্যৰ চেক গ্ৰহণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ ছেপ্টেম্বৰঃ** কেৰালাৰ কোল্লামত অৱস্থিত অমৃতাপুৰীত মাতা অমৃতানন্দময়ী মঠে মাতা অমৃতানন্দময়ীৰ ৭৩সংখ্যক জয়ন্তী উপলক্ষে বিশ্ব সেৱা দিৱস উদযাপন কৰে। এই উপলক্ষে অনুষ্ঠিত বিশেষ ৫ পৃষ্ঠাত






# অভয়াপুৰী মহাবিদ্যালয়ত আছুৰ ঐতিহাসিক বিজয়; ধূলিসাৎ অসম ছাত্ৰ পৰিষদ

**অসম বাৰ্তা, অভয়াপুৰী, ২৭ ছেপ্টেম্বৰ ঃ** ঐতিহ্যমণ্ডিত অভয়াপুৰী মহাবিদ্যালয়ৰ ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সদৌ অসম ছাত্ৰ সন্থা (আছু) সমৰ্থিত প্ৰাৰ্থীসকলে বিৰোধী অসম ছাত্ৰ পৰিষদক সম্পূৰ্ণৰূপে ধূলিসাৎ কৰি এক ঐতিহাসিক আৰু চমকপ্ৰদ বিজয় সাব্যস্ত কৰিছে। মহাবিদ্যালয় কৰ্তৃপক্ষই ঘোষণা কৰা ফলাফল অনুসৰি ছাত্ৰ একতা সভাৰ প্ৰতিটো পদতেই আছু সমৰ্থিত প্ৰাৰ্থীসকলে বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰি একচ্ছত্ৰী আধিপত্যৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা দখলৰ সক্ষম হয়। ফলাফল অনুসৰি মহাবিদ্যালয়খনৰ সভাপতি পদৰ প্ৰাৰ্থী শুভংকৰ পালে মুঠ ৯০০টা ভোট লাভ কৰি প্ৰতিদ্বন্দ্বী গৰিমা ৰায়ক ১১২টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। একেদৰে উপ-সভাপতি পদত অভিজিৎ বাৰৈয়ে সৰ্বাধিক ১১৮৯টা ভোট লাভ কৰি প্ৰতিদ্বন্দ্বী নূপুৰস্মিতা নাথক ৭৭০টা ভোটৰ বিশাল ব্যৱধানত ধাৰাশায়ী কৰে। সৰ্বাধিক চৰ্চিত সাধাৰণ সম্পাদক (GS) পদত কৌশিক ৰায়ে ৯৩৩টা ভোট লাভ কৰি নিকটতম প্ৰতিদ্বন্দ্বী জিয়াৰুল ইছলামক ৫৫৩টা ভোটৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰি বিজয়ৰ মালা পিন্ধে, য'ত আন প্ৰতিদ্বন্দ্বী প্ৰিয়ম মেধিয়ে ১৮৬টা ভোট পায়, নীলাম্বৰ ৰায়ে ১০৩টা আৰু ৰূপম ৰায়ে ৭৯টা ভোট লাভ কৰে। সহকাৰী সাধাৰণ সম্পাদক পদত আলাভী ৰহমানে ৯৮৫টা ভোট লাভ কৰি প্ৰতিদ্বন্দ্বী ধীমান জ্যোতি পাটগিৰিক ৩৪২টা ভোটৰ ব্যৱধানত পৰাজিত কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয় আলোচনী সম্পাদক পদত অনন্যা ৰায়ে ৮২৭টা ভোট পাই ৰংমন নাথক ৫৮টা ভোটৰ ব্যৱধানত আৰু সহকাৰী আলোচনী সম্পাদক পদত মানজ কুমাৰ দাসে ৯৭০টা ভোট পাই হিয়া মণি ৰায়ক ৩২২টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। ক্ৰীড়া আৰু সংস্কৃতি বিভাগসমূহতো আছু সমৰ্থিত প্ৰাৰ্থীসকলৰ বিজয় অব্যাহত থাকে। আন্তঃ খেল বিভাগৰ সম্পাদক পদত কংকন বৰকাকতীয়ে ১১২৮টা ভোট লাভ কৰি লক্ষ্যজ্যোতি মজুমদাৰক ৬৭৬টা ভোটৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। বহিঃ খেল বিভাগৰ সম্পাদক পদত ৰজিবুল আলমে ৮৩৮টা ভোট লাভ কৰি নিকটতম প্ৰতিদ্বন্দ্বী মুক্তাফিযুৰ ৰহমান মণ্ডলক ৪২৭টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে, য'ত আন এগৰাকী প্ৰতিদ্বন্দ্বী পাৰ্থ প্ৰীতম পালে মুঠ ৪০৬টা ভোট পায়। সংগীত আৰু সংস্কৃতি সম্পাদক পদত জুপিতৰা ৰায়ে ১০৬৮টা ভোট পাই ৰিপন ৰায়ক ৫০৬টা ভোটৰ ব্যৱধানত আৰু সমাজসেৱা সম্পাদক পদত সয়নিকা কলিতাই ৯৪১টা ভোট পাই মনোৱাৰ আলিক ২৬৩টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ী সাব্যস্ত কৰে। ইয়াৰ উপৰিও ক্ৰিকেট সম্পাদক পদত হৰোজিৎ ৰায়ে ১০৬১টা ভোট আৰু ছাত্ৰী জিৰণি কোঠা সম্পাদক পদত কৰিশ্মা সিংহই ১০৬৭টা ভোট লাভ কৰি জয় সাব্যস্ত কৰে। আনহাতে বিৰোধী শূণ্য তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদক পদত অনন্যা চন্দ আৰু ছাত্ৰ জিৰণি কোঠা সম্পাদক পদত মাজিদুল ইছলাম বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ফলাফল ঘোষণাৰ লগে লগে সমগ্ৰ মহাবিদ্যালয় চৌহদ আছু সমৰ্থক আৰু ছাত্ৰ-ছাত্ৰীৰ আনন্দ উল্লাসত মুখৰিত হৈ পৰে। বিজয়ী প্ৰাৰ্থীসকলক লৈ সমৰ্থকসকলে আবীৰ খেলি আৰু জয়ধ্বনি দি এক উখল-মাখল পৰিৱেশৰ সৃষ্টি কৰাৰ সমান্তৰালকৈ প্ৰাৰ্থী সকলৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আবতৰীয়া বিহু দেখিবলৈ পোৱা যায়। জয়ী প্ৰাৰ্থী সকলে শেষত মহাবিদ্যালয়ৰ জ্যেষ্ঠ সকলৰ ভৰি চুই আশীৰ্বাদ গ্ৰহণ কৰাৰ বিপৰীতে, নিৰ্বাচন প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সমাপ্ত হোৱাত সকলো ছাত্ৰ-ছাত্ৰীক শলাগ জনায় মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰাণজিৎ কলিতাই।

## জন্মভূমিৰ প্ৰতি জুবিনৰ আছিল অপৰিসীম প্ৰেম ঃ মুনিন্দ্ৰ বৈশ্য

# পুৰন্দিয়াত ওদালগুৰি জিলা সাহিত্য সভাৰ জুবিন দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৭ ছেপ্টেম্বৰ ঃ** অসমে মোক জন্ম দিছে। সেই অসমৰ প্ৰতি মোৰ দায়িত্ব আছে। এনেকৈ কৈ জুবিন গাৰ্গে মোম্বাই চলচ্চিত্ৰ তথা সংগীত জগতখনৰ পৰা আঁতৰি আহিছিল। কাৰণ জন্মভূমিৰ প্ৰতি জুবিনৰ আছিল অপৰিসীম প্ৰেম। এই মন্তব্য অসমৰ এগৰাকী বিশিষ্ট লেখক মুনিন্দ্ৰ বৈশ্যৰ। ওদালগুৰি জিলা সাহিত্য সভা আৰু পুৰন্দিয়া সাহিত্য সভাৰ যৌথ উদ্যোগত জুবিন দিৱস উপলক্ষে পুৰন্দিয়া আঞ্চলিক খেলপথাৰত ১৯ ছেপ্টেম্বৰত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে ভাষণ দি মুনিন্দ্ৰ বৈশ্যই অসমীয়া চলচ্চিত্ৰই জুবিনৰ বাবেই এক নতুন গতি লাভ কৰিছিল বুলি মন্তব্য কৰে। ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে পানেৰী মহাবিদ্যালয়ৰ অধ্যক্ষ তথা পুৰন্দিয়া সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক ড° নাৰায়ণ বড়াই। কণ্ঠশিল্পী, কবি দীপ্তিমা ভৰালীৰ পৰিচালনাত ষাঠিগৰাকী জীয়ৰী-বোৱাৰীয়ে পৰিৱেশন কৰা 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষ গীতেৰে আৰম্ভ হোৱা সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাই জুবিন গাৰ্গৰ ব্যক্তিত্বৰ উল্লেখ কৰি এজন ব্যক্তি বা এটি সত্তাই জাতীয় জীৱনক কিমান আগবঢ়াই নিব পাৰি তাক জুবিনে দেখুৱাই থৈ গ'ল বুলি মন্তব্য কৰে। ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত কবি নিৰুপমা ডেকাৰ কাব্য গ্ৰন্থ "জীৱন মাজুলী" উন্মোচন কৰি টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই কয়, জুবিনৰ গীত মাতত উটি ভাঁহি যোৱাৰ লগতে এটা হ'লেও জুবিনৰ আদৰ্শৰ অনুগামী হ'বলৈ আহ্বান জনায়। অনুৰণন দেৱনাথ আৰু মূৰ্চ্ছনা ভাৰতীৰ গ্ৰন্থ "অতুল চন্দ্ৰ নাথ ঃ সমৃদ্ধ জীৱনৰ আলোকপাত" আৰু দিবাকৰ বৰাৰ কাব্য সংকলন "নীৰৱ অনুৰাগ" উন্মোচন কৰে ক্ৰমে ওৰাং সাহিত্য সভাৰ সভাপতি তথা ওৰাং কলাগুৰু বিষ্ণুৰাভা স্নাতক মহাবিদ্যালয়ৰ অধ্যাপক ড° হোমেন বৰুৱা আৰু কাব্যালোচনী "আজিৰ কবিতা"ৰ মুখ্য সম্পাদক বিনয় চলিহাই। সভাত জনপ্ৰিয় কণ্ঠশিল্পী ফুকন বড়ো, গিৰিশ গৌতম আৰু বুক অফ ৱৰ্ল্ড ৰেকৰ্ডছৰ স্বীকৃতিপ্ৰাপ্ত চিত্ৰশিল্পী হৃষীকেশ শইকীয়াক জিলা সাহিত্য সভাই সম্বৰ্ধনা জ্ঞাপন কৰে। বিধায়ক বিকন চন্দ্ৰ ডেকা আৰু বি.টি.চি.ৰ পাৰিষদ অৰ্জুন দৈমাৰীকো পুৰন্দিয়া সাহিত্য সভাই সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত জুবিন গাৰ্গৰ "মায়াবিনী" গীতটি সকলোৱে পৰিৱেশন কৰে। মুকলি সভাত বি. টি. চি.ৰ খালিংদুৱাৰ সমষ্টিৰ পাৰিষদ অৰ্জুন দৈমাৰী, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিমণ্ডলী ক্ৰমে দেৱৰাজ সাপকোটা, তাৰানাথ কলিতা আৰু গৌৰীশংকৰ দাস, জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক দিলীপ বৰা, সাহিত্য-সংস্কৃতিৰ বিশিষ্ট গৱেষক-সংগঠক তৰুণ আজাদ ডেকা, প্ৰাক্তন সম্পাদক ড° পবিত্ৰ শৰ্মা, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰ্মল নাথ, ডাকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত কুমাৰ বড়ো, ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক অৰূপজ্যোতি ৰাভা, ছৈবাৰী বিদ্যাপীঠ হাইস্কুলৰ প্ৰধান শিক্ষক কৰুণা গিৰিদেৱ বসুমতাৰী, পৰম হিতৈষী সদস্য বেণুধৰ কলিতা, বনগাঁও ভি.চি.ডি.চি.ৰ অধ্যক্ষ হৰেশ্বৰ ডেকা আদি বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পুৱাৰ ভাগত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলী আহমেদে। স্মৃতি তৰ্পণ কৰে পুৰন্দিয়া সাহিত্য সভাৰ সভাপতি ৰজনী কান্ত ডেকাই। ইয়াৰ পিছতে সেউজ ধৰণী অভিযান, অসমৰ পৃষ্ঠপোষক গোপাল দেৱশৰ্মা আৰু আদৰণি সমিতিৰ সভাপতি বিপিন চন্দ্ৰ ৰাভাই বৃক্ষৰোপণ কৰে। জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আগবঢ়ায় জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়াই। সৰ্বধৰ্ম প্ৰাৰ্থনাত বাইবেল, কীৰ্তন আৰু ভাগৱত পাঠ কৰাৰ উপৰি বাথৌ আৰজ পৰিৱেশন কৰা হয়। জুবিন গাৰ্গৰ সংগীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী নৱজিৎ দাসে। চাৰে দহ বজাত অনুষ্ঠিত জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা উদ্বোধন কৰে জিলা সাহিত্য সভাৰ উপ-সভাপতি সন্তোৰাম কছাৰীয়ে।

# ভূৰবন্ধা ৰাস মন্দিৰত দেৱাশিস শৰ্মাৰ হৈ অগপৰ নিৰ্বাচনী প্ৰচাৰ সভা




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰবন্ধা ৰাস মন্দিৰ প্ৰাংগণত অসম গণ পৰিষদৰ উদ্যোগত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সমৰ্থনত এক নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। সভাখনত অসম গণ পৰিষদৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা, মন্ত্ৰী কেশৱ মহন্ত আৰু সাংসদ ফণীভূষণ চৌধুৰীকে ধৰি দলীয় নেতা-কৰ্মীসকল উপস্থিত থাকে। সভাত বক্তাসকলে বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে আগন্তুক উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি দলীয় কৰ্মী-সমৰ্থকসকলৰ সৈতে মত বিনিময় কৰে। সভাখনত ভূৰবন্ধা আৰু ইয়াৰ আশে-পাশে থকা বিভিন্ন অঞ্চলৰ পৰা অহা সহস্ৰাধিক লোক আৰু দলীয় সমৰ্থকে অংশগ্ৰহণ কৰে। নিৰ্বাচনী সভাখনক কেন্দ্ৰ কৰি ভূৰবন্ধা ৰাস মন্দিৰ প্ৰাংগণত যথেষ্ট সংখ্যক লোকৰ সমাগম ঘটে। সভাত উপস্থিত দলীয় নেতৃত্বই বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই সমৰ্থন আগবঢ়োৱাৰ আহ্বান জনায়।

# নাজিৰাত সপ্তাহজোৰা অবিৰত শ্ৰীমদ্ভাগৱত পাঠ আৰু শিশু ভাওঁনা প্ৰদৰ্শনৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, গেলেকী, ২৭ ছেপ্টেম্বৰ ঃ** বান আৰু প্ৰাকৃতিক দুৰ্যোগৰ ফলত অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হোৱা ব্যক্তিসকলৰ সৰ্বমংগল আৰু বিশ্ব শান্তিৰ কামনাত নাজিৰাত সপ্তাহজোৰা কাৰ্যসূচীৰে অবিৰত শ্ৰীমদ্ভাগৱত পাঠৰ আয়োজন কৰা হৈছে। ভক্তপ্ৰাণ বৈষ্ণৱবৃন্দৰ সহযোগত মঠিয়াছিগা সৌকাজান সত্ৰৰ ভকত গাঁও সনাতন শিৱ মন্দিৰৰ প্ৰাঙ্গণত অহা ১৯ অক্টোবৰৰ পৰা ২৬ অক্টোবৰলৈ এই ধৰ্মীয় অনুষ্ঠানটি অনুষ্ঠিত হ'ব। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি সামৰণিৰ দিনটোত এক বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ ব্যৱস্থা কৰা হৈছে। প্ৰয়াত ভাস্কৰ্য শিল্পী ধ্ৰুৱজ্যোতি মহন্তৰ সোঁৱৰণীত স্থানীয় শিশুসকলৰ দ্বাৰা 'ভগৱত দৰ্শন' শীৰ্ষক শিশু ভাওঁনা প্ৰদৰ্শন কৰা হ'ব। পবিত্ৰ ভাগৱত পাঠ আৰু ভাওঁনা অনুষ্ঠানটি সৰ্বাংগসুন্দৰ তথা সাফল্যমণ্ডিত কৰি তুলিবলৈ আয়োজক সমিতিয়ে সমগ্ৰ ৰাইজৰ আন্তৰিক সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# শিশু ভাস্কৰ হেমন্তৰাজ মৰাণ শিশু উন্নয়ন পুঁজিৰ সৌজন্যত সদৌ অসম ভিত্তিত অনলাইন শিশু গীত প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৭ ছেপ্টেম্বৰ ঃ** শিশুসকলৰ হকে সাহিত্য, সাংস্কৃতিক, সামাজিক দিশত নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই অহা তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ বিশিষ্ট সমাজকৰ্মী, শিশুসেৱক তথা সদৌ অসম মইনা পাৰিজাতৰ দ্বাৰা 'শিশু ভাস্কৰ' উপাধিৰে বিভূষিত শিশু ভাস্কৰ হেমন্তৰাজ মৰাণৰ শিশু উন্নয়ন পুঁজিৰ সৌজন্যত ডুমডুমা মইনা পাৰিজাতৰ উদ্যোগত 'শিশু দিৱস'ৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত এক অনলাইন শিশু গীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ৭ বছৰৰ পৰা ১৪ বছৰ অনুৰ্ধ শিশুৰ মাজত কেৱল এটা শাখাত অনুষ্ঠিত হ'বলগীয়া উক্ত প্ৰতিযোগিতাত বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, জয়ন্ত হাজৰিকা, ভূপেন হাজৰিকা, পাৰ্বতীপ্ৰসাদ বৰুৱা আদিৰ গীতিকাৰৰ গীতসমূহৰ বাহিৰে যিকোনো গীতিকাৰৰ শিশু উপযোগী গীত গাব পাৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলৰ পৰা ১০গৰাকী প্ৰতিযোগীক ১০টা স্থান প্ৰদান কৰা হ'ব। প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত প্ৰতিযোগীক মানপত্ৰ আৰু নগদ মাননি আগবঢ়োৱাৰ বিপৰীতে আন সাতটা স্থানপ্ৰাপ্ত প্ৰতিযোগীক মানপত্ৰ প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ শেষ তাৰিখ অহা ২৫ অ'ৌবৰ। প্ৰতিযোগিতাৰ ফলাফল ১৪ নৱেম্বৰত ঘোষণা কৰা হ'ব। এইক্ষেত্ৰত যোগাযোগৰ নম্বৰ হৈছে ৯৯৫৭১-৪৯১৯২।

# থলুৱা বহুমুখী সমবায় সমিতি লিমিটেড'ৰ বাৰ্ষিক সাধাৰণ সভা ২০২৬-ৰ সফল সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৭ ছেপ্টেম্বৰ ঃ** আজি ওদালগুৰি জিলাৰ ৰৌতাৰ কৃষি জ্ঞান কেন্দ্ৰত 'থলুৱা বহুমুখী সমবায় সমিতি লিমিটেড, অসম'ৰ বাৰ্ষিক সাধাৰণ সভা- ২০২৬ সফলতাৰে অনুষ্ঠিত হৈ যায়। সমিতিৰ সদস্য-সদস্যা, অংশীদাৰ, পৰামৰ্শদাতা আৰু বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত অনুষ্ঠিত এই সভাই তৃণমূল পৰ্যায়ত সমবায় ভিত্তিক কৃষি আৰু গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ দিশত এক নতুন গতি প্ৰদান কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰত মাতাৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে 'অসম কেশৰী' অম্বিকাগিৰী ৰায়চৌধুৰীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই বাৰ্ষিক সাধাৰণ সভাত ওদালগুৰি জিলা ARCS কাৰ্যালয়ৰ জ্যেষ্ঠ পৰিদৰ্শক শ্ৰীযুত দিগন্ত কুমাৰ দাস পৰ্যবেক্ষক (Observer) হিচাপে উপস্থিত থাকি সমগ্ৰ প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়— কৃষ্ণকান্ত বৰা, সাংগঠনিক সম্পাদক, ভাৰতীয় কিষাণ সংঘ (অসম প্ৰান্ত); ৰিণ্টু বৰা, অৱসৰপ্ৰাপ্ত সহকাৰী পঞ্জীয়ক, RCS, সমবায় ভৱন, গুৱাহাটী; ৰঞ্জিত কুমাৰ বৰা, অৱসৰপ্ৰাপ্ত সহকাৰী পঞ্জীয়ক, ARCS (নগাঁও জিলা); ৰমেন কলিতা, ফাৰ্ম মেনেজাৰ, KVK, লালপুল (ওদালগুৰি); অন্তৰীক্ষ দাস, যুৱ প্ৰমুখ, বিবেকানন্দ কেন্দ্ৰ (অসম-অৰুণাচল প্ৰান্ত); ধ্ৰুৱজ্যোতি শইকীয়া, সমল ব্যক্তি, NABARD (দৰং-ওদালগুৰি জিলা); মনোজ কুমাৰ শৰ্মা, উপদেষ্টা, থলুৱা বহুমুখী সমবায় সমিতি। সভাত সমিতিৰ সদস্য-সদস্যাসকলৰ আলোচনা আৰু দিহা-পৰামৰ্শৰ ভিত্তিত ভৱিষ্যতৰ হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনাসমূহ সৰ্বসন্মতিক্ৰমে অনুমোদন জনোৱা হয়। উপস্থিত বিশেষজ্ঞ আৰু বিশিষ্ট অতিথিসকলে সমবায় কাৰ্যপ্ৰণালীৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সবলীকৰণ আৰু কৃষকসকলক আত্মনিৰ্ভৰশীল কৰাৰ ওপৰত গুৰুত্বপূৰ্ণ দিহা-পৰামৰ্শ প্ৰদান কৰে।

## ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ অংশগ্ৰহণ, অপৰাধ শাখাৰ ৰাহুল দাসক বঁটা প্ৰদান

# বৰপেটাত নিচামুক্ত ভাৰত সংকল্প অভিযানৰ পদযাত্ৰা

**অসম বাৰ্তা, চেঙা, ২৭ ছেপ্টেম্বৰ ঃ** নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে জনসচেতনতা বৃদ্ধি আৰু এখন নিচামুক্ত সমাজ গঢ়ি তোলাৰ উদ্দেশ্যে আজি বৰপেটাত 'নিচামুক্ত ভাৰত সংকল্প অভিযান'ৰ অংশ হিচাপে এক বিশেষ পদযাত্ৰা অনুষ্ঠিত হয়। উক্ত পদযাত্ৰাত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰে। পদযাত্ৰাত বিভিন্ন ক্ষেত্ৰৰ লোক, আৰক্ষী-প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী, যুৱ সমাজ তথা সচেতন নাগৰিকে অংশগ্ৰহণ কৰি নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে সজাগতাৰ বাৰ্তা প্ৰদান কৰে। পদযাত্ৰাৰ জৰিয়তে সমাজৰ পৰা ড্ৰাগছ তথা অন্যান্য নিচাজাতীয় দ্ৰব্যৰ প্ৰভাৱ হ্ৰাস কৰাৰ লগতে যুৱ প্ৰজন্মক নিচাৰ পৰা আঁতৰাই ৰখাৰ বাবে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই নিচামুক্ত সমাজ গঢ়াৰ ক্ষেত্ৰত চৰকাৰী ব্যৱস্থাৰ লগতে সমাজৰ প্ৰতিগৰাকী নাগৰিকৰ সহযোগিতা আৰু সজাগতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ যুৱ প্ৰজন্মক নিচাজাতীয় দ্ৰব্যৰ পৰা আঁতৰাই ৰাখি শিক্ষা, ক্ৰীড়া আৰু গঠনমূলক কাম-কাজৰ সৈতে জড়িত কৰাৰ আহ্বান জনোৱা হয়। ইফালে, উক্ত অনুষ্ঠানতে অপৰাধ শাখাৰ ৰাহুল দাসক বিশেষ অৱদানৰ বাবে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বঁটা প্ৰদান কৰে। ৰাজ্যপালগৰাকীৰ হাতেৰে বঁটা লাভ কৰে ৰাহুল দাসে। অনুষ্ঠানত বঁটা প্ৰদানৰ জৰিয়তে নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে অভিযান আৰু সমাজত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানক স্বীকৃতি দিয়া হয়। নিচামুক্ত ভাৰত সংকল্প অভিযানৰ এই পদযাত্ৰাই বৰপেটাত নিচাৰ বিৰুদ্ধে জনসচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ বাৰ্তা বহন কৰে।




# শিৱসাগৰত কৈশোৰ ন্যায় পৰিষদৰ ত্ৰৈমাত্ৰিক পৰ্যালোচনা বৈঠক সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৭ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ কৈশোৰ ন্যায় পৰিষদৰ ত্ৰৈমাত্ৰিক পৰ্যালোচনা সভাখন কালি জিলা ন্যায়িক আদালতৰ সভাগৃহত অনুষ্ঠিত হৈ যায়। উক্ত সভাত অধ্যক্ষতা কৰে শিৱসাগৰ জিলা আৰু সত্ৰ ন্যায়াধীশ অদ্ৰী ভট্টাচাৰ্যই। উক্ত সভাত বিশেষকৈ কৈশোৰ ন্যায় পৰিষদৰ বিচাৰাধীন হৈ থকা গোচৰসমূহৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে পৰিষদৰ সদস্যা পৰীস্মিতা ডেকাই যোৱা তিনিমাহত কিশোৰ ন্যায় ব'ৰ্ডত পঞ্জীয়ন হোৱা আৰু নিষ্পত্তি হোৱা গোচৰ সমূহৰ ওপৰত আলোকপাত কৰে। পৰৱৰ্তী দফাত অন্য গৰাকী সদস্যা অপৰাজিতা দাসে কৈশোৰ ন্যায় পৰিষদত আধৰুৱা হৈ থকা তিনিটা গোচৰৰ প্ৰাথমিক মূল্যাংকনৰ প্ৰতিবেদন সংশ্লিষ্ট আৰক্ষী থানা ক্ৰমে শিৱসাগৰ সদৰ থানা আৰু শিমলুগুৰি থানাৰ পৰা দাখিল নকৰা বিষয়টো সভাত অৱগত কৰে আৰু উক্ত বিষয়টো অতি গুৰুত্ব সহকাৰে লৈ কাৰ্যপন্থা লবলৈ জিলা আৰু সত্ৰ ন্যায়াধীশে উপস্থিত উপ - আৰক্ষী অধীক্ষক তথা সংশ্লিষ্ট থানা দুখনৰ ভাৰপ্ৰাপ্ত বিষয়াক নিৰ্দেশ দিয়ে। সভাৰ শিশু কল্যাণ সমিতিৰ দ্বাৰা যৌন অত্যাচাৰ বলি হোৱা কন্যাসকলে তেওঁলোকৰ সন্তান জন্ম হোৱাৰ পৰৱৰ্তী সময়ত সমিতিৰ আগত সমৰ্পণ কৰা নৱজাত শিশুৰ ডিএনএ টেষ্ট কৰাৰ দৰে এটি স্পৰ্শকাতৰ বিষয় উপস্থাপন কৰে। উক্ত বিষয়ত জিলা ন্যায়াধীশে স্বাস্থ্য বিভাগৰ প্ৰতিনিধিক নৱজাত শিশুৰ ডিএনএ পৰীক্ষাৰ ক্ষেত্ৰত থকা আইনী তথা বিভাগীয় নীতিৰ সম্পৰ্কে শীঘ্ৰে তথ্য দাখিল কৰিবলৈ অনুৰোধ জনায়। সভাত জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশ ৰঞ্জন ব্ৰহ্ম, জিলা আইনী সেৱা প্ৰাধিকৰণৰ সচিব সৌমাৰ জ্যোতি দত্ত, অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশ জাহ্নৱী হাজৰিকা, মহকুমা ন্যায়িক দণ্ডাধীশ ( সদৰ) শৈলেন বুঢ়াগোহাঁইকে প্ৰমুখ্য কৰি স্বাস্থ্য, আৰক্ষী, মহিলা আৰু শিশু বিকাশ বিভাগৰ বিষয়া-কৰ্মচাৰী সকল উপস্থিত থাকে।

# অভয়াপুৰী সম-জিলা দিৱস উপলক্ষে বাকী থকা গোচৰৰ দ্ৰুত নিষ্পত্তিৰ বাবে বিশেষ শুনানি

**অসম বাৰ্তা, অভয়াপুৰী, ২৭ ছেপ্টেম্বৰ ঃ** অহা ৫ অ'ৌবৰত অনুষ্ঠিত হ'বলগীয়া সম-জিলা দিৱস উপলক্ষে অভয়াপুৰী সম-জিলা প্ৰশাসনৰ উদ্যোগত দীৰ্ঘদিন ধৰি নিষ্পত্তি নোহোৱাকৈ থকা গোচৰসমূহ দ্ৰুতভাৱে নিষ্পত্তি কৰাৰ উদ্দেশ্যে আজি এক বিশেষ শুনানি কাৰ্যসূচী অনুষ্ঠিত হয়। অভয়াপুৰী সম-জিলা আয়ুক্ত দিপন বৰ্মনৰ নেতৃত্বত সম-জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই বিশেষ শুনানি কাৰ্যসূচীত বিএনএছএছ (BNSS)-ৰ ১২৬ আৰু ১৬৪ ধাৰাৰ অধীনত দীৰ্ঘদিন ধৰি বিচাৰাধীন হৈ থকা গোচৰসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সহকাৰী আয়ুক্ত শ্ৰেয়া ঘোষে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়া অনুসৰি, অভয়াপুৰী সম-জিলাত নিষ্পত্তি নোহোৱাকৈ থকা মুঠ ১৯৪টা গোচৰৰ শুনানি আজি পুৱা ১০ বজাৰ পৰা আৰম্ভ কৰা হয়। অধিক সংখ্যক গোচৰ কম সময়ৰ ভিতৰত শুনানি গ্ৰহণ কৰি নিষ্পত্তিৰ দিশে আগবঢ়োৱাৰ উদ্দেশ্যে প্ৰশাসনৰ ফালৰ পৰা বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। শুনানি প্ৰক্ৰিয়াটো অধিক ত্বৰান্বিত কৰাৰ বাবে তিনিগৰাকী সহকাৰী আয়ুক্ত ক্ৰমে প্ৰশান্ত বৰা, ইৰফান খান আৰু শ্ৰেয়া ঘোষৰ নেতৃত্বত তিনিখন বিশেষ বিচাৰপীঠ গঠন কৰা হয়। এই তিনিখন বিচাৰপীঠৰ জৰিয়তে বাকী থকা গোচৰসমূহ ভাগ কৰি পৃথকে পৃথকে শুনানি গ্ৰহণ কৰা হৈছে। প্ৰশাসনৰ তথ্য অনুসৰি, বাকী থকা গোচৰসমূহৰ ভিতৰত অধিকাংশ গোচৰেই মাটিৰ সীমা, ভূমি আৰু অন্যান্য ভূমি-সংক্ৰান্তিয় বিবাদৰ সৈতে জড়িত। শুনানি গ্ৰহণৰ সময়ত সংশ্লিষ্ট পক্ষসমূহৰ বক্তব্য শুনাৰ লগতে প্ৰয়োজনীয় নথি-পত্ৰ পৰীক্ষা কৰা হয়। কাৰ্যালয় পৰ্যায়ত সমাধান কৰিব নোৱাৰা কিছুমান গোচৰ অধিক পৰৱৰ্তী ব্যৱস্থাৰ বাবে চক্ৰ বিষয়া পৰ্যায়লৈ প্ৰেৰণ কৰা হৈছে। আনহাতে, শুনানি চলি থকা সময়তে কেইবাটাও গোচৰত দুয়োপক্ষৰ মাজত পোনপটীয়া আলোচনাৰ জৰিয়তে বিবাদ নিষ্পত্তি কৰাৰো সুযোগ সৃষ্টি হয়। ইয়াৰ ফলত দীৰ্ঘদিন ধৰি চলি অহা কিছুমান বিবাদ পাৰস্পৰিক আলোচনাৰ মাধ্যমেৰে সমাধানৰ পথ মুকলি হয়। সম-জিলা প্ৰশাসনৰ ফালৰ পৰা জনোৱা মতে, সাধাৰণ ৰাইজে যাতে এটা গোচৰৰ বাবে বাৰে বাৰে চৰকাৰী কাৰ্যালয়লৈ আহিবলগীয়া নহয় আৰু অযথা সময় তথা শ্ৰম ব্যয় কৰিবলগীয়া নহয়, সেই লক্ষ্যৰেই এই বিশেষ শুনানি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। নাগৰিক-কেন্দ্ৰিক প্ৰশাসনিক ব্যৱস্থাৰ জৰিয়তে ৰাইজৰ সমস্যা দ্ৰুতভাৱে সমাধান কৰি তেওঁলোকক সকাহ দিয়াৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। সম-জিলা দিৱস উপলক্ষে গ্ৰহণ কৰা এই বিশেষ পদক্ষেপৰ জৰিয়তে দীৰ্ঘদিন ধৰি নিষ্পত্তি নোহোৱাকৈ থকা গোচৰসমূহৰ বোজা হ্ৰাস কৰাৰ লগতে সাধাৰণ ৰাইজক অধিক ক্ষিপ্ৰ আৰু ফলপ্ৰসূ সেৱা প্ৰদান কৰাৰ লক্ষ্য লোৱা হৈছে। প্ৰশাসনৰ আশা, চলিত বিশেষ শুনানি প্ৰক্ৰিয়াৰ জৰিয়তে দিনটোৰ ভিতৰতে সম্ভৱপৰ অধিক সংখ্যক গোচৰৰ কাৰ্যকৰী নিষ্পত্তি কৰা সম্ভৱ হ'ব।

# প্ৰাক্তন ছাত্ৰনেতা, শিক্ষক, যুৱ সমাজকৰ্মী পদম প্ৰধানত মৃত্যুত বামুণজুলিত শোকৰ ছাঁ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৭ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ অসম-ভূটান সীমান্তৱৰ্তী বামুণজুলি চামৰাং অঞ্চলৰ শিক্ষক, প্ৰাক্তন ছাত্ৰনেতা পদুম প্ৰধানৰ আজি মৃত্যু হোৱাত সমগ্ৰ বামুণজুলি, চামৰাঙত শোকৰ ছাঁ পৰে। বামুণজুলি আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি তথা যুৱ সমাজকৰ্মী পদম প্ৰধান যোৱা কেইমাহ ধৰি জটিল ৰোগত আক্ৰান্ত হৈ জিএমচিএইচত চিকিৎসাধীন হৈ আছিল। কিডনীৰ জটিল ৰোগত ভুগা পদম প্ৰধানৰ আজি চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। এসময়ত বামুণজুলি তথা চামৰাং অঞ্চলৰ বিভিন্ন সামাজিক কামকাজত সদায় আগুৱাই অহা পদম প্ৰধান শিক্ষকতা বৃত্তিতো জড়িত হৈ আছিল। তেওঁৰ মৃত্যুত ওদালগুৰি জিলা গোৰ্খা ছাত্ৰ সন্থা, বামুণজুলি আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থা, শিক্ষক সন্মিলন, গোৰ্খা সন্মিলনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালৈ সমবেদনা জনায়।

# গোলাঘাটৰ লুৰকীহাটত ভাৰতীয় খাদ্য নিগমৰ ৪২টা ৫০ কেজি চাউলৰ বস্তা জব্দ আৰক্ষীৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৭ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ মৰঙী মৌজাৰ লুৰকীহাটৰ বুবুল আলী নামৰ এজন লোকৰ এটা চাউলৰ মিলত কালি নিশা আৰক্ষীয়ে অভিযান চলাই জব্দ কৰে বৃহৎ পৰিমাণৰ চাউল। চাউলখিনি ভাৰতীয় খাদ্য নিগমৰ বুলি সন্দেহ কৰা হৈছে। এই সন্দৰ্ভত মিলটোৰ মালিক বুবুল আলীয়ে দাবী কৰে যে চাউলখিনি ভাৰতীয় খাদ্য নিগমৰ নহয়, কিন্তু বস্তাসমূহ ভাৰতীয় খাদ্য নিগমৰ হয়। সেইয়া তেওঁ হেনো ক্ৰয় কৰিছে এজন ব্যৱসায়ীৰ পৰা। লক্ষণীয় কথাটো হল যে চাউলৰ বস্তা সমূহত উত্তৰ প্ৰদেশ, পাঞ্জাৱৰ লগতে অসমৰ বুলি এটা টেগ উদ্ধাৰ কৰাক লৈ বিষয়টো চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাস্থলীত দণ্ডাধীশ আৰু ভাৰতীয় খাদ্য নিগমৰ গোলাঘাটৰ বিষয়া উপস্থিত হৈ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

**হাউলী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সত্যজিৎ বৰঠাকুৰক বঁটা প্ৰদান**

# নিচামুক্ত ভাৰত সংকল্প অভিযানৰ পদযাত্ৰাত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য

**অসম বাৰ্তা, কুমুল্লীপাৰা, ২৭ ছেপ্টেম্বৰ ঃ** নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে জনসচেতনতা বৃদ্ধি আৰু এখন নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে দেশজুৰি চলি থকা 'নিচামুক্ত ভাৰত সংকল্প অভিযান'ৰ অংশ হিচাপে আজি বৰপেটাত এক পদযাত্ৰা অনুষ্ঠিত হয়। উক্ত পদযাত্ৰাত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰে। নিচাৰ বিৰুদ্ধে সামাজিক সচেতনতা গঢ়ি তোলাৰ লগতে যুৱ প্ৰজন্মক নিচাজাতীয় দ্ৰব্যৰ পৰা আঁতৰাই ৰখাৰ উদ্দেশ্যে অনুষ্ঠিত এই কাৰ্যসূচীত বিভিন্ন শ্ৰেণীৰ লোকৰ অংশগ্ৰহণে অভিযানটোক অধিক তাৎপৰ্যপূৰ্ণ কৰি তোলে। অনুষ্ঠানৰ এক উল্লেখযোগ্য পৰ্বত হাউলী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সত্যজিৎ বৰঠাকুৰক বঁটা প্ৰদান কৰে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। আৰক্ষী বিষয়া হিচাপে নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে সজাগতা আৰু অভিযানমূলক কাৰ্যকলাপৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতি হিচাপে তেওঁক এই বঁটা প্ৰদান কৰা হয়। নিচামুক্ত সমাজ গঢ়িবলৈ কেৱল চৰকাৰ বা আৰক্ষীৰ প্ৰচেষ্টাই যথেষ্ট নহয়; এই ক্ষেত্ৰত পৰিয়াল, শিক্ষানুষ্ঠান, সামাজিক সংগঠন আৰু সাধাৰণ নাগৰিকৰ সক্ৰিয় সহযোগিতা অত্যন্ত গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰে সংশ্লিষ্ট মহলে। বৰপেটাত অনুষ্ঠিত এই পদযাত্ৰাই নিচাৰ বিৰুদ্ধে জনসচেতনতা সৃষ্টিৰ ক্ষেত্ৰত এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে।

# ধেমাজিত ড° শংকৰ পাটোৱাৰীৰ জন্মদিন পালন

**বিশেষ অনুষ্ঠানত ১২ শিল্পীৰ সংগীত পৰিৱেশন**

**অসম বাৰ্তা, ধেমাজি, ২৭ ছেপ্টেম্বৰ ঃ** ধেমাজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ ওপৰত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা অসমৰ একমাত্ৰ শিল্পী ড° শংকৰ পাটোৱাৰীৰ ওপজা দিন পালন কৰা হয়। শংকৰ পাটোৱাৰী অনুৰাগী মঞ্চৰ উদ্যোগত ধেমাজি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি অনুষ্ঠিত কৰা ড° শংকৰ পাটোৱাৰীৰ ওপজা দিন। ওপজা দিনৰ উপলক্ষে ধেমাজিৰ ১২গৰাকী শিল্পীয়ে পৰিৱেশন কৰে ড° পাটোৱাৰীৰ গীত। উল্লেখযোগ্য যে অসমৰ বিভিন্ন সাহিত্য, সামাজিক আৰু সাংস্কৃতিক মঞ্চৰ স'তে জড়িত ড° পাটোৱাৰী। শৈশৱৰ পৰা সুধাকণ্ঠ ভূপেন হাজৰিকাৰ গীতৰ অনুৰাগী আৰু একনিষ্ঠ সাধক ড° পাটোৱাৰীয়ে সুধাকণ্ঠৰ গীতৰাজিৰ একমাত্ৰ পৰিৱেশনতেই সন্তুষ্ট নাথাকি বিদ্যায়তানিক পৰিমণ্ডললৈ অনাটো এটা জাতীয় দায়িত্ব বুলি গণ্য কৰিছিল। এনে এক উদ্দেশ্য আগত লৈ ২০০৪ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত ড° মালিনী গোস্বামীৰ অধীনত ভূপেন হাজৰিকাৰ গীতৰ ওপৰত গৱেষণা আৰম্ভ কৰে আৰু ২০১৪ চনত পি এইচ ডি সম্পন্ন কৰে। ড° পাটোৱাৰীয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভূপেন হাজৰিকা সম্বন্ধীয় বিষয়ত গৱেষণা পত্ৰ পাঠ কৰাৰ উপৰি সমল ব্যক্তিৰূপেও অংশগ্ৰহণ কৰিছে। ইয়াৰোপৰি তেওঁ অসমৰ ভালেসংখ্যক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত সুধাকণ্ঠৰ জীৱন আৰু দৰ্শনৰ ওপৰত বক্তৃতা দি ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিৰ বিদ্যায়তানিক দিশটোৰ উন্মোচনত নিজকে নিমগ্ন কৰি ৰাখিছে। ড° পাটোৱাৰীয়ে সুধাকণ্ঠৰ পথকেই অনুসৰণ কৰি সমাজৰ প্ৰতি গভীৰ দায়বদ্ধ হৈ সৃষ্টি কৰা তেওঁৰ মৌলিক এই গীতৰাজিৰ বিষয়বস্তু, ভাব-ভাষা, সুৰৰ উৎস, শব্দ-চয়ন ইত্যাদি সকলোতে সুধাকণ্ঠৰ চিন্তা-চেতনা বিদ্যমান। সাম্প্ৰতিক সময়ৰ অসমীয়া আধুনিক গীতৰ তথাকথিত জনপ্ৰিয় ধাৰাটোত বিলীন নহৈ পাটোৱাৰীয়ে একনিষ্ঠাৰে খামুচি থকা তেওঁৰ নিজস্ব ধাৰাটোত আজিও অবিচল। এইগৰাকী চিৰসেউজ সংগীত শিল্পীগৰাকীৰ জন্ম হয় ১৯৬৬ চনৰ ২৪ ছেপ্টেম্বৰত। পিতৃৰ কৰ্মসূত্ৰে শিশু কালতে ধেমাজিলৈ স্থানান্তৰিত হোৱা পাটোৱাৰীয়ে তেওঁৰ প্ৰাথমিক শিক্ষা আৰম্ভ কৰে ধেমাজি চহৰৰ অৱস্থিত 'নগৰ বুনিয়াদী বিদ্যালয়'ত। ১৯৯১ চনতে ৩০০ টকা মাননিত অপ্ৰাদেশীকৃত ধেমাজি বাণিজ্য মহাবিদ্যালয়ত শিক্ষকতা জীৱন আৰম্ভ কৰে। ১৯৯৬-৯৮ চনত মাছখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুবছৰৰ বাবে ইংৰাজী বিষয় শিক্ষক পদত কাৰ্যনিৰ্বাহ কৰি পুনৰ প্ৰাদেশীকৃত ধেমাজি বাণিজ্য মহাবিদ্যালয়ত পূৰ্ণকালীন শিক্ষক হিচাপে নিয়োজিত হৈ বৰ্তমানেও কাৰ্যনিৰ্বাহ কৰি আছে। ভূপেন্দ্ৰ সংগীত গাই ভাল পোৱা ড° পাটোৱাৰীয়ে সমাজ জীৱনৰ লগত খাপ খুৱাই লিখা ডেৰশ গীতৰ আজি ১২টি গীত ধেমাজিৰ শিল্পীয়ে পৰিৱেশন কৰে। শিল্পী ধৰ্মেশ্বৰ গগৈ, সুকুমাৰ ফুকন, নৱজ্যোতি বৰা, ব্ৰজেন মেজ, ৰুব বৰুৱা, মাধুৰিমা বড়া, ৰশ্মিৰেখা শইকীয়া, জেছস্মৃতা শইকীয়া, ৰাখিস্মৃতা গগৈ, পল্লৱী কোঁৱৰ দেউৰী, হেপী কাকতীয়ে ড° পাটোৱাৰীৰ গীত পৰিৱেশন কৰে। ইফালে ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° পাটোৱাৰীৰ অৱসৰী মাহ হিচাপে উক্ত অনুষ্ঠানত তেওঁক বহু অনুৰাগীয়ে বিদায় সম্বৰ্ধনা জনায়। ইয়াৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে ধেমাজি মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বুধিন্দ্ৰ বৰুৱাই। মঞ্চ মুকলি কৰে ড° পাটোৱাৰীৰ ৰচনাৰে এটি সমৱেত সংগীতেৰে। অনুষ্ঠানটি আঁত ধৰে সাংবাদিক ৰাজীৱ দেউৰীয়ে। অনুষ্ঠানত ধেমাজি জিলা শিক্ষা বিষয়া দেৱজ্যোতি গগৈ, ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বড়ি, ডিব্ৰুগড়ৰ লোকসংগীত শিল্পী মাধৱ কৃষ্ণ দাস, ধেমাজি জিলা পৰিষদৰ উপ মুখ্য কাৰ্যবাহী বিষয়া নবীন কামান, দুলাল বৰগোহাঁই, মনোজ কোঁৱৰ, মাজুলীৰ সংগীত শিল্পী দিগন্ত দত্ত, ধ্ৰুৱজ্যোতি বৰা, ডিপু বৰা, বিবেক দত্ত, ৰূপা দত্ত, ঢকুৱাখনাৰ শিল্পী ৰাজীৱ তামোলী, নৱনীতা গগৈ, ধনৰঞ্জন হাজৰিকা, দ্বীপেন গগৈ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপ-সভাপতি দেৱজিৎ দাস, ধেমাজি সংগীত শিল্পী সমাজ, ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাক্তন ছাত্ৰ সন্মিলনী, ধেমাজি জিলা মইনা পাৰিজাত বিভিন্ন দল, সংগঠন আৰু এককভাৱে শতাধিক অনুৰাগীয়ে ড° পাটোৱাৰীলৈ জনায় জন্ম দিনৰ শুভেচ্ছা।

# আছুৰ দখলত অভয়াপুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা; ধূলিসাৎ অসম ছাত্ৰ পৰিষদ



**অসম বাৰ্তা, সৃজনগ্ৰাম, ২৭ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ ঐতিহ্যমণ্ডিত অভয়াপুৰী মহাবিদ্যালয়ৰ ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সদৌ অসম ছাত্ৰ সন্থা (আছু) সমৰ্থিত প্ৰাৰ্থীসকলে বিৰোধী অসম ছাত্ৰ পৰিষদক সম্পূৰ্ণৰূপে ধূলিসাৎ কৰি এক ঐতিহাসিক আৰু চমকপ্ৰদ বিজয় সাব্যস্ত কৰিছে। মহাবিদ্যালয় কৰ্তৃপক্ষই ঘোষণা কৰা ফলাফল অনুসৰি ছাত্ৰ একতা সভাৰ প্ৰতিটো পদতেই আছু সমৰ্থিত প্ৰাৰ্থীসকলে বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰি একচ্ছত্ৰী আধিপত্যৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা দখলৰ সক্ষম হয়। উল্লেখ্য যে, নিৰ্বাচনত ৰাষ্ট্ৰীয় ছাত্ৰ পৰিষদেও আছু সমৰ্থিত প্ৰাৰ্থী প্ৰক্ষেপ কৰি বিজয় লাভ কৰে। ফলাফল অনুসৰি মহাবিদ্যালয়খনৰ সভাপতি পদৰ প্ৰাৰ্থী শুভংকৰ পালে মুঠ ৯০০টা ভোট লাভ কৰি প্ৰতিদ্বন্দ্বী গৰিমা ৰায়ক ১১২টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। একেদৰে উপ-সভাপতি পদত অভিজিৎ বাৰৈয়ে সৰ্বাধিক ১১৮৯টা ভোট লাভ কৰি প্ৰতিদ্বন্দ্বী নূপুৰস্মিতা নাথক ৭৭০টা ভোটৰ বিশাল ব্যৱধানত ধাৰাশায়ী কৰে। সৰ্বাধিক চৰ্চিত সাধাৰণ সম্পাদক (GS) পদত কৌশিক ৰায়ে ৯৩৩টা ভোট লাভ কৰি নিকটতম প্ৰতিদ্বন্দ্বী জিয়াৰুল ইছলামক ৫৫৩টা ভোটৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰি বিজয়ৰ মালা পিন্ধে, য'ত আন প্ৰতিদ্বন্দ্বী প্ৰিয়ম মেধিয়ে ১৮৬টা ভোট পায়, নীলাম্বৰ ৰায়ে ১০৩টা আৰু ৰূপম ৰায়ে ৭৯টা ভোট লাভ কৰে। সহকাৰী সাধাৰণ সম্পাদক পদত আলাভী ৰহমানে ৯৮৫টা ভোট লাভ কৰি প্ৰতিদ্বন্দ্বী ধীমান জ্যোতি পাটগিৰিক ৩৪২টা ভোটৰ ব্যৱধানত পৰাজিত কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয় আলোচনী সম্পাদক পদত অনন্যা ৰায়ে ৮২৭টা ভোট পাই ৰংমন নাথক ৫৮টা ভোটৰ ব্যৱধানত আৰু সহকাৰী আলোচনী সম্পাদক পদত মানজ কুমাৰ দাসে ৯৭০টা ভোট পাই হিয়া মণি ৰায়ক ৩২২টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। ক্ৰীড়া আৰু সংস্কৃতি বিভাগসমূহতো আছু সমৰ্থিত প্ৰাৰ্থীসকলৰ বিজয় অব্যাহত থাকে। আন্তঃ খেল বিভাগৰ সম্পাদক পদত কংকন বৰকাকতীয়ে ১১২৮টা ভোট লাভ কৰি লক্ষ্যজ্যোতি মজুমদাৰক ৬৭৬টা ভোটৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। বহিঃ খেল বিভাগৰ সম্পাদক পদত ৰজিবুল আলমে ৮৩৮টা ভোট লাভ কৰি নিকটতম প্ৰতিদ্বন্দ্বী মুস্তাফিযুৰ ৰহমান মণ্ডলক ৪২৭টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে, য'ত আন এগৰাকী প্ৰতিদ্বন্দ্বী পাৰ্থ প্ৰীতম পালে মুঠ ৪০৬টা ভোট পায়। সংগীত আৰু সংস্কৃতি সম্পাদক পদত জুপিতৰা ৰায়ে ১০৬৮টা ভোট পাই ৰিপন ৰায়ক ৫০৬টা ভোটৰ ব্যৱধানত আৰু সমাজসেৱা সম্পাদক পদত ছয়নিকা কলিতাই ৯৪১টা ভোট পাই মনোৱাৰ আলিক ২৬৩টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ী সাব্যস্ত কৰে। ইয়াৰ উপৰিও ক্ৰিকেট সম্পাদক পদত হৰজিৎ ৰায়ে ১০৬১টা ভোট আৰু ছাত্ৰী জিৰণি কোঠা সম্পাদক পদত কৰিশ্মা সিংহই ১০৬৭টা ভোট লাভ কৰি জয় সাব্যস্ত কৰে। আনহাতে বিৰোধী শূণ্য তৰ্ক আৰু সুকুমাৰ কলা সম্পাদক পদত অনন্যা চন্দা আৰু ছাত্ৰ জিৰণি কোঠা সম্পাদক পদত মাজিদুল ইছলাম বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ফলাফল ঘোষণাৰ লগে লগে সমগ্ৰ মহাবিদ্যালয় চৌহদ আছু সমৰ্থক আৰু ছাত্ৰ-ছাত্ৰীৰ আনন্দ উল্লাসত মুখৰিত হৈ পৰে। বিজয়ী প্ৰাৰ্থীসকলক লৈ সমৰ্থকসকলে আবীৰ খেলি আৰু জয়ধ্বনি দি এক উখল-মাখল পৰিৱেশৰ সৃষ্টি কৰাৰ সমান্তৰালকৈ প্ৰাৰ্থী সকলৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আৰতৰীয়া বিহু দেখিবলৈ পোৱা যায়। জয়ী প্ৰাৰ্থী সকলে শেষত মহাবিদ্যালয়ৰ জ্যেষ্ঠ সকলৰ ভৰি চুই আশীৰ্বাদ গ্ৰহণ কৰাৰ বিপৰীতে, নিৰ্বাচন প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সমাপ্ত হোৱাত সকলো ছাত্ৰ-ছাত্ৰীক শলাগ জনায় মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰাণজিৎ কলিতাই।

**মুখ্য অতিথি অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষিকেশ গোস্বামী**

# জীৱন অভিজ্ঞতাৰ সুবাসেৰে সৰুপথাৰত শনিবৰীয়া আড্ডা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৭ ছেপ্টেম্বৰ ঃ** সাহিত্য, সংস্কৃতি, সমাজ আৰু জীৱনবোধৰ বিভিন্ন দিশক লৈ এক মননশীল আৰু অৰ্থবহ আড্ডাই শনিবাৰে সৰুপথাৰ নগৰত সৃষ্টি কৰে এক সজীৱ বৌদ্ধিক পৰিৱেশ। সৰুপথাৰ নগৰৰ অংকিতা এণ্টাৰপ্ৰাইজৰ সৌজন্যত ৰংঘৰ ৰাজহুৱা ভৱনৰ বাকৰিত আয়োজন কৰা শনিবৰীয়া আড্ডা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সাংবাদিক, লেখক তথা অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষিকেশ গোস্বামী। অংকিতা এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী তথা অনুষ্ঠানৰ আহ্বায়ক দ্বিপেন কুমাৰ বৰাই আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে অংকিতা এণ্টাৰপ্ৰাইজৰ লগতে কেইবাটাও দল-সংগঠনৰ বিষয়ববীয়াই বিশিষ্ট অতিথি হৃষিকেশ গোস্বামীক ফুলাম গামোচাৰে আন্তৰিক সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ পাছতে অনুষ্ঠিত হয় শনিবৰীয়া আড্ডাৰ মূল অনুষ্ঠান। আড্ডাত হৃষিকেশ গোস্বামীয়ে তেওঁৰ সুদীৰ্ঘ জীৱন-যাত্ৰাৰ বিভিন্ন অভিজ্ঞতা, সাহিত্য-সংস্কৃতিৰ সৈতে থকা সম্পৰ্ক আৰু অসমৰ সমাজ-জীৱনৰ বহু স্মৰণীয় অধ্যায়ৰ কথা সাৱলীলভাৱে ব্যক্ত কৰে। বিশেষকৈ বিষ্ণুপ্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, ৰাজনৈতিক নেতা আদি বহুকেইজন অসমৰ জাতীয় জীৱনৰ পুৰোধা ব্যক্তিৰ বিষয়ে তেওঁ আগবঢ়োৱা বক্তব্যই উপস্থিত শ্ৰোতাসকলক বিশেষভাৱে আকৰ্ষিত কৰে। তেওঁ নিজৰ ছাত্ৰ জীৱনৰ বিভিন্ন স্মৃতিৰ লগতে অসম আন্দোলনৰ সময়ছোৱাৰ অভিজ্ঞতাও আড্ডাৰ মাজত সজীৱ কৰি তোলে। অতীতৰ বহু ঘটনা আৰু ব্যক্তিত্বৰ সৈতে জড়িত স্মৃতিৰ সোঁৱৰণেৰে তেওঁ অসমৰ সামাজিক, সাংস্কৃতিক আৰু জাতীয় জীৱনৰ একো একোটা অধ্যায় যেন শ্ৰোতাসকলৰ সন্মুখত মুকলি কৰি দিয়ে। অসমৰ শিশুসকলৰ মানসিক বিকাশ আৰু সাহিত্য-সংস্কৃতিৰ প্ৰতি আগ্ৰহ সৃষ্টিৰ ক্ষেত্ৰতো হৃষিকেশ গোস্বামীয়ে নিজৰ চিন্তা-চৰ্চাৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। অসম শিশু সাহিত্য ন্যাসৰ সচিব হিচাপে দায়িত্ব পালন কৰি শিশুসকলৰ বাবে সাহিত্য চৰ্চা, লেখা-মেলা আৰু অন্যান্য সৃষ্টিশীল কামৰ জৰিয়তে তেওঁ আগবঢ়াই অহা প্ৰচেষ্টাৰ বিষয়েও অনুষ্ঠানত আলোকপাত কৰে। আড্ডাৰ এক গুৰুত্বপূৰ্ণ দিশ আছিল অতিথিগৰাকীৰ সৈতে উপস্থিত ৰাইজৰ প্ৰশ্নোত্তৰ পৰ্ব। বিভিন্নজন ব্যক্তিয়ে সাহিত্য, সংস্কৃতি, সমাজ, সাংবাদিকতা, অসমৰ জাতীয় জীৱন আৰু ব্যক্তিগত অভিজ্ঞতাক কেন্দ্ৰ কৰি আগবঢ়োৱা প্ৰশ্নৰ প্ৰতিটোৰেই হৃষিকেশ গোস্বামীয়ে গভীৰ অন্তৰ্দৃষ্টি, যুক্তি আৰু সাৱলীল কথনশৈলীৰে উত্তৰ দিয়ে। ফলত শনিবৰীয়া আড্ডাখন কেৱল বক্তৃতাৰ মাজতে সীমাবদ্ধ নাথাকি এক মুকলি মত-বিনিময় আৰু চিন্তাৰ পৰিসৰলৈ ৰূপান্তৰিত হয়। গাম্ভীৰ্যপূৰ্ণ অথচ আন্তৰিক পৰিৱেশত অনুষ্ঠিত অনুষ্ঠানটোত সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° সিদ্ধেশ্বৰ বৰা, প্ৰাক্তন অধ্যক্ষা মনিপ্ৰভা বৰা, সৰুপথাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্ত, বৰপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ধ্ৰুৱজ্যোতি কোঁৱৰ, শিক্ষয়িত্ৰী নিৰু দত্তৰ লগতে সৰুপথাৰ অঞ্চলৰ বিভিন্ন ক্ষেত্ৰত কৰ্মৰত বিশিষ্ট ব্যক্তি, বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া, সাংস্কৃতিক কৰ্মী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। সাহিত্যৰ সুবাস, অতীতৰ স্মৃতি, অসমৰ জাতীয় জীৱনৰ কথকতা আৰু নতুন প্ৰজন্মৰ প্ৰতি দায়বদ্ধতাৰ চিন্তাৰে সমৃদ্ধ শনিবৰীয়া আড্ডাখনে সৰুপথাৰৰ সামাজিক-সাংস্কৃতিক পৰিসৰত এক মননশীল সংযোজন হিচাপে বিশেষ তাৎপৰ্য বহন কৰে।



# টংলাত জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৮ তম্ আৱিৰ্ভাৱ তিথি সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৭ ছেপ্টেম্বৰ ঃ** জয় গুৰু শংকৰ সৰ্বগুণাকৰ যাকেৰি নাহিকে উপাম। তোহাৰি চৰণকু ৰেণু শতকৌটি বাৰেক কৰোহো প্ৰণাম। ৰূপান্তৰৰ খনিকৰ, বৰ অসমৰ ভেটি গঢ়োতা আৰু অসমীয়া জাতিৰ জনক জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৮ তম আৱিৰ্ভাৱ তিথি ওদালগুৰি জিলাৰ টংলাস্থিত শ্ৰীমন্ত শঙ্কৰদেৱ সত্ৰত দুদিনীয়া কাৰ্যসূচীৰে আজি সামৰণি পৰে। আজি পুৱা ৯-বজাত নাম-প্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ পিছতে ১০ বজাত ধৰ্মীয় ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰে বিটিচিৰ খালিংদুৱাৰ সমষ্টিৰ পাৰিষদ তথা টংলা পৌৰসভাৰ অধ্যক্ষ অৰ্জুন দৈমাৰীয়ে। আবেলি ২-৩০ বজাত আয়তিৰ ঘোষা নাম প্ৰতিযোগিতা উদ্বোধন কৰে মুদৈবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ দিগন্ত বৰুৱাই। স্বৰ্গীয় হেমন্ত কুমাৰ দাসৰ পত্নী কৰবী দাস আইলৈ কৃতজ্ঞতা জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত হয়। সন্ধিয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে বিধায়ক বিকন চন্দ্ৰ ডেকাই। ইয়াৰ পিছতে দলীয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে ২১ ছেপ্টেম্বৰৰ পুৱা ৪ বজাত প্ৰভাত ফেৰীৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে টংলা গান্ধীনগৰ কৃষ্ণ গোপাল নামতি দলে। ৫ বজাত জাগৰণ কাৰ্যসূচী ৰূপায়ণ কৰে নামঘৰীয়া পদ্মেশ্বৰ মহন্তই। ৭-৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি নন্দীৰাম দাসে। ৮-০০ বজাত আই সকলৰ নাম প্ৰসংগ পৰিচালনা কৰে গোলাপী দাস, মনোমতী পাঠক আৰু সত্ৰৰ আই-মাতৃসৰে। ৯ বজাত বাপ সকলৰ নাম প্ৰসংগ পৰিচালনা কৰে নামঘৰীয়া পদ্মেশ্বৰ মহন্তই। সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্জ্বলন কৰে সত্ৰৰ ভকত নৰহৰি পাঠকে। সন্ধিয়া ৬-৩০ বজাত একক সত্ৰীয়া নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰে টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই। প্ৰতিযোগিতাৰ ক শাখাত জানমনি দাসে প্ৰথম, প্ৰতিক্ষা ভূঞাই দ্বিতীয় আৰু পাহী দাসে তৃতীয় স্থান লাভ কৰে। খ শাখা-বিৰিণা দাসে প্ৰথম, আৰাধ্যা দাসে দ্বিতীয় আৰু মৃগংগণা দাসে তৃতীয় স্থান লাভ কৰে।

# তৰানিত খাদ্য প্ৰস্তুতকৰণৰ উদ্যোগ স্থাপনৰ সম্পৰ্কত উদ্যোগ বিভাগৰ সজাগতা সভা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৭ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ গুমাৰিগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত তৰানি ভাস্কৰ মধ্য ইংৰাজী বিদ্যালয়ত আজি উদ্যোগ বিভাগৰ পিএমএফএমই আঁচনিৰ এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। তৰানি ভাস্কৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক উদ্দীপ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে উদ্যোগী ব্যক্তি হৰেণ দাস আৰু সমাজকৰ্মী দেৱেন্দ্ৰ শৰ্মা। স্থানীয় উদ্যোগী ব্যক্তি নৱল ঠাকুৰে আয়োজন কৰা সজাগতা সভাখনত জিলা উদ্যোগ কেন্দ্ৰৰ সমল ব্যক্তি গৌৰৱ দাস উপস্থিত থাকি আঁচনি খনৰ সম্পৰ্কত ব্যাখ্যা আগবঢ়ায়। তেওঁ বেংকৰ সহায়ত খাদ্য প্ৰস্তুতকৰণৰ ক্ষুদ্ৰ উদ্যোগ কেনেদৰে স্থাপন কৰিব পাৰি সেই বিষয়তো বক্তব্য ৰাখে। এই আঁচনিৰ জৰিয়তে এনে উদ্যোগ স্থাপন কৰিলে ৩৫ শতাংশ ৰাজ সাহায্য লাভ কৰিব বুলিও সমল ব্যক্তি গৰাকীয়ে উল্লেখ কৰে।

# ডুমডুমাত বিশ্ব ফাৰ্মাচিষ্ট দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৭ ছেপ্টেম্বৰ ঃ** সমগ্ৰ বিশ্বৰ লগতে ডুমডুমাটো যোৱা ২৫ ছেপ্টেম্বৰত বৃহত্তৰ ডুমডুমা অঞ্চলৰ ফাৰ্মাচিষ্টসকলৰ উদ্যোগত 'বিশ্ব ফাৰ্মাচিষ্ট দিৱস'টি অতি উলহ-মালহেৰে উদ্‌যাপন কৰে। ইয়াৰ সমীপৰ ৩৭ এন এইচ ধাবাৰ সভাগৃহত প্ৰয়াত ফাৰ্মাচিষ্টসকল ক্ৰমে বীৰেণ কুৰ্মী (দিনজান চাহ বাগিচা), নাৰায়ণ তাঁতি (মাৰ্ঘেৰিটা), সুজিত গগৈ (চপাখোৱা, শদিয়া) আৰু ৰঙাগড়া চাহ বাগিচাৰ অলক ৰঞ্জন বৰঠাকুৰ সোঁৱৰণী সন্ধিয়া ৰূপে অনুষ্ঠিত এই বৰ্ষৰ ফাৰ্মাচিষ্ট দিৱসৰ কাৰ্যসূচীৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্জ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ক্ৰমে কুমচাং চাহ বাগিচাৰ প্ৰাক্তন জ্যেষ্ঠ ফাৰ্মাচিষ্ট যোগেন কুৰ্মী আৰু অসম চৰকাৰৰ তিনিচুকীয়া জিলা ড্ৰাগ ষ্টোৰ মেনেজাৰ নূপুৰ গোঁহাইয়ে। উদ্‌যাপন সমিতিৰ সভাপতি তথা সাংস্কৃতিক কৰ্মী বিছাকুপি চাহ বাগিচাৰ ফাৰ্মাচিষ্ট বিদ্যুৎ বিকাশ সোণোৱালে জুবিন গাৰ্গৰ এটি গীত পৰিৱেশনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে সাংস্কৃতিক আৰু নাট্যকৰ্মী, কবি বৰ্ণালী শ্যামে ড° মামণি ৰয়ছম গোস্বামীৰ কালজয়ী কবিতা "ভূপেন দা তোমাৰ কণ্ঠ বাদ দি মই মোৰ জন্মভূমিৰ নক্সা আঁকিব নোৱাৰোঁ" আবৃত্তিৰে সুধাকণ্ঠলৈ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পাছতে প্ৰয়াত ফাৰ্মাচিষ্টসকলৰ লগতে অসম আৰু নেপালত হোৱা বানপানী আৰু প্ৰলয়ত প্ৰাণ হেৰুৱাসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰে। মূল অনুষ্ঠানটিৰ মঞ্চ মুকলি কৰি বাঘজান চাহ বাগিচাৰ জ্যেষ্ঠ চিকিৎসক ডাঃ ৰজনী ভৰালীয়ে ফাৰ্মাচিষ্টসকলে স্বাস্থ্যসেৱা খণ্ডলৈ, বিশেষকৈ চাহ বাগিচাসমূহত আগবঢ়োৱা নিঃস্বাৰ্থ সেৱাৰ কথা সদৰি কৰি সকলোলৈকে বিশ্ব ফাৰ্মাচিষ্ট দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। চামডাং চাহ বাগিচাৰ জ্যেষ্ঠ ফাৰ্মাচিষ্ট দেৱজিৎ মহন্তই আদৰণি ভাষণ আগবঢ়োৱা এই অনুষ্ঠানত সম্প্ৰতি চিলাপথাৰৰ নিবাসী তথা ডুমডুমাৰ অৱসৰপ্ৰাপ্ত ফাৰ্মাচিষ্ট কৃষ্ণ কান্ত কাছাৰীক ফাৰ্মাচিষ্ট দিৱস উপলক্ষে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি ফাৰ্মাচিষ্ট কছাৰীয়ে ডুমডুমাত অতিবাহিত কৰা সময়ৰ বিভিন্ন অনুভৱ আৰু অভিজ্ঞতা বিষয়ে ব্যক্ত কৰি নৱপ্ৰজন্মৰ ফাৰ্মাচিষ্টসকলৰ কৰণীয় বিষয়ে উল্লেখ কৰি বক্তব্য আগবঢ়ায়। আনহাতে দৈদাম চাহ বাগিচাৰ জ্যেষ্ঠ ফাৰ্মাচিষ্ট হিতেন্দ্ৰ কুমাৰ বৰুৱা শেহতীয়াকৈ অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় সভাপতি ৰূপে নিৰ্বাচিত হোৱাত এই অনুষ্ঠানতে উদ্‌যাপন সমিতিয়ে চেলেং, স্মাৰক আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনাৰ অন্তত সভাপতি বৰুৱাই অসমৰ বহুতো চাহ বাগিচাত চিকিৎসকৰ অবৰ্তমানত ফাৰ্মাচিষ্টসকলে কিদৰে স্বাস্থ্য সেৱা আগবঢ়াই বাগিচাৰ চিকিৎসালয়সমূহ নিয়াৰিকৈ চলাই আছে সেই সমূহ বিষয় আলোকপাত কৰে। এই অনুষ্ঠানত বিশেষ আমন্ত্ৰিত অতিথি তথা বক্তা হিচাপে উপস্থিত থাকি ডুমডুমাৰ জ্যেষ্ঠ এনাছথেছিয়া বিশেষজ্ঞ চিকিৎসক ডাঃ ভবেন ভূঞাই নিজ বক্তব্যত উল্লেখ কৰে যে, এফ আই পি (FIP-International Pharmaceutical Federation)এ ১৯১২ চনত জন্মলাভ কৰা দিনটো অৰ্থাৎ প্ৰত্যেক বৰ্ষৰ ২৫ ছেপ্টেম্বৰ দিনা বিশ্ব ফাৰ্মাচিষ্ট দিৱস হিচাপে ফাৰ্মাচিষ্টসকলে উদযাপন কৰি আহিছে। বৰ্তমান জনমানসত উপেক্ষিত হৈ থকা ফাৰ্মাচিষ্টৰ অৱদান কোনোকালে অস্বীকাৰ কৰিব নোৱাৰি। ঔষধ প্ৰস্তুত কৰণৰ পৰা ৰোগীক প্ৰদান কৰালৈকে, প্ৰয়োজনত চিকিৎসকৰ অভাৱ পূৰণ কৰা আদিকে ধৰি বিভিন্ন ধৰণেৰে স্বাস্থ্যসেৱা খণ্ডলৈ সেৱা আগবঢ়াই অহা ফাৰ্মাচিষ্ট সকলক ফাৰ্মাচিষ্ট দিৱসৰ ওলগ জনাই ধন্যবাদ জ্ঞাপন কৰে। ডাঃ ভূঞাই নিজৰ ভাষণ প্ৰসংগত কিছু ৰসাল কথাৰে উপস্থিত সকলোকে কিছু হাঁহিৰ খোৰাক দিয়ে। আনহাতে এই অনুষ্ঠানত উপস্থিত থকা ড্ৰাগ ষ্টোৰ মেনেজাৰ নূপুৰ গোঁহাইয়ে স্বাস্থ্যসেৱা খণ্ডৰ অবিচ্ছেদ্য অংগ ফাৰ্মাচিষ্ট সকলৰ উত্তৰোত্তৰ কামনা কৰি শুভেচ্ছামূলক ব্যক্তব্য আগবঢ়ায়। গীত-মাত কবিতাৰে জীপাল হৈ পৰা এই সন্ধিয়াৰ অনুষ্ঠানত নিজৰ অনুভৱ ব্যক্ত কৰে ফাৰ্মাচিষ্ট ৰুবুল অধিকাৰী, কৌশিক পৰাশ আৰু ডাঃ ৰজনী ভৰালীয়ে। তদুপৰি স্বৰচিত কবিতা পাঠ আৰু গীত পৰিৱেশন কৰে যথাক্ৰমে হেমন্ত কুমাৰ শ্যাম, বৰ্ণালী শ্যাম, বিদ্যুৎ বিকাশ সোণোৱাল আৰু শ্যামলেন্দু বিশ্বাসে। অনুষ্ঠানত অংশগ্ৰহণকাৰী ফাৰ্মাচিষ্টসকলক এই দিৱসৰ স্মৃতি ৰূপে একোটিকৈ স্মাৰক প্ৰদান কৰে উদ্‌যাপন সমিতিয়ে। উল্লেখ্যযোগ্য যে, যি চাৰিগৰাকী ফাৰ্মাচিষ্টৰ সোঁৱৰণত এই দিৱসটি উদযাপন কৰা হৈছিল সেইসকল ব্যক্তিক শ্ৰদ্ধাঞ্জলি আগবঢ়োৱাৰ নিমিত্তে উদ্‌যাপন সমিতিয়ে ফাৰ্মাচিষ্ট দিৱসৰ দুদিন পূৰ্বেই প্ৰয়াত ব্যক্তিসকলৰ পৰিয়ালবৰ্গক তেখেতসকলৰ বাসগৃহলৈ গৈ পত্ৰ, চেলং, স্মাৰক, গছ পুলি প্ৰদানৰে কিঞ্চিত সন্মান যাঁচে। দৈমুখীয়া চাহ বাগিচাৰ ফাৰ্মাচিষ্ট হেমন্ত কুমাৰ শ্যাম আৰু বিছাকুপি চাহ বাগিচাৰ ফাৰ্মাচিষ্ট বিদ্যুৎ বিকাশ সোণোৱালে যুটীয়াভাৱে আঁত ধৰা এই অনুষ্ঠানত উদযাপন সমিতিৰ সম্পাদক খুদিন গগৈ আৰু কোষাধ্যক্ষ মুনিন্দ্ৰ মিলি, চন্দ্ৰকমল গগৈ, চাকিব আহমেদ, দ্বীপনয়ন ৰবিদাসকে ধৰি অৰ্ধশতাধিক লোক অনুষ্ঠানত উপস্থিত থাকে।

# সৰুপথাৰ নলনীত কেন্দ্ৰীয় কৰম পূজাৰ 'লাইখুঁটা' স্থাপন

**৯ অক্টোবৰত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় কৰম উৎসৱ**

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২৭ ছেপ্টেম্বৰ ঃ** সৰুপথাৰ সমজিলাৰ নলনি খেলপথাৰত আগন্তুক ৯ অক্টোবৰ তাৰিখ শুক্ৰবাৰে দিনযোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় 'কৰম উৎসৱ'। অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু অসম চাহ জনজাতি মহিলা সমিতি, সৰুপথাৰ শাখাৰ উদ্যোগত তথা সৰুপথাৰ সমজিলাবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া এই কৰম উৎসৱক কেন্দ্ৰ কৰি ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। উৎসৱটিৰ শুভাৰম্ভৰ প্ৰাকক্ষণত দেওবাৰে সম্পূৰ্ণ মাংগলিক পৰম্পৰা আৰু ধৰ্মীয় ৰীতি-নীতিৰে নলনি খেলপথাৰত 'লাইখুঁটা' স্থাপন কৰা হয়। উদযাপন সমিতিৰ সভাপতি দ্বিপেন কুমাৰ বৰাই মাংগলিক পৰিৱেশৰ মাজত অনুষ্ঠানভাগৰ 'লাইখুটা' স্থাপন কৰে। উদযাপন সমিতিয়ে জানিবলৈ দিয়া মতে ৯ অক্টোবৰৰ কেন্দ্ৰীয় কৰম উৎসৱৰ দিনটোত পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণৰ পাছতে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হ'ব। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সাহিত্য প্ৰতিযোগিতা, কৰম দাল আদৰণি আৰু মাংগলিক কাৰ্যসূচী, মুকলি সভা, কৰম আখৰা আদি বিভিন্ন কাৰ্যসূচীৰে দিনজোৱা অনুষ্ঠান অনুষ্ঠিত হ'ব। আনহাতে সন্ধিয়াৰ ভাগত কৰম আখৰা আৰু সাংস্কৃতিক সন্ধিয়া অনুষ্ঠান অনুষ্ঠিত হব। তদুপলক্ষে উদযাপন সমিতিয়ে কৰম উৎসৱৰ মূল কাৰ্যসূচী 'কৰম আখৰা'ৰ লগতে প্ৰতিটো অনুষ্ঠানত জাতি, বৰ্ণ আৰু ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ ৰাইজৰ উপস্থিতি কামনা কৰিছে। লগতে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলোৰে সহায়-সহযোগিতা আৰু সক্ৰিয় অংশগ্ৰহণৰ বাবে আহ্বান জনাইছে। 'লাইখুটা স্থাপন' কাৰ্যসূচীত উদযাপন সমিতিৰ সভাপতি দ্বিপেন কুমাৰ বৰা, কাৰ্যকৰী সভাপতি লক্ষ্মীনাথ হেমৰম, যুটীয়া সম্পাদক মিলন ৰাজপুত আৰু বৰুণ কৰ্মকাৰ, সাংস্কৃতিক সম্পাদক মণিৰাম গোৱালা, অসম চাহ জনজাতি ছাত্ৰ সন্থা সৰুপথাৰ শাখাৰ সম্পাদক সোণাৰাম গঞ্জু, উপ-সভাপতি ৰবীন গড়, অসম চাহ জনজাতি মহিলা সমিতিৰ সভানেত্ৰী জোনমণি গোৱালা, সম্পাদিকা মৌচুমী উৰাং আৰু অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ সৰুপথাৰ সমজিলাৰ উপ-সভাপতি মনোলাল লোধিকে ধৰি ভালে সংখ্যক চাহ জনগোষ্ঠীয় যুৱক-যুৱতী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## সম্পাদকীয়

# পৰ্যটনৰ বিকাশ নে নিৰাপত্তাহীনতাৰ সংকট ?

সাম্প্ৰতিক সময়ত অসমৰ গ্ৰামীণ আৰু অৰ্ধ-নগৰীয় অঞ্চলসমূহত 'হোমষ্টে' (Homestay) সংস্কৃতিয়ে এক অভূতপূৰ্ব প্ৰসাৰ লাভ কৰিছে। স্থানীয় লোকপ্ৰিয়তা, স্থানীয় অৰ্থনীতিৰ বিকাশ আৰু পৰ্যটকসকলক নিজ গৃহৰ দৰে পৰিৱেশ যোগান ধৰাৰ উদ্দেশ্যে গঢ় লৈ উঠা এই ব্যৱস্থাটোৱে কিন্তু সম্প্ৰতি এক চিন্তনীয় ৰূপো ধাৰণ কৰিছে। শেহতীয়াকৈ গুৱাহাটীৰ ধাৰাপুৰ, যোৰহাট, শিৱসাগৰ তথা ৰাজ্যৰ বিভিন্ন হোমষ্টেত সংঘটিত হোৱা অনুৰূপ অনাকাংক্ষিত আৰু ৰহস্যজনক হত্যাকাণ্ডই সমগ্ৰ সমাজব্যৱস্থাটোৰ বাবে গুৰুত্বপূৰ্ণ প্ৰশ্নৰ অৱতাৰণা কৰিছে। গৃহস্থালিৰ পৰিৱেশ আৰু পৰম্পৰাগত অতিথি দেৱ' ভৱঃ মূল্যবোধৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা হোমষ্টেসমূহ কিদৰে একাংশ অপৰাধীৰ স্থান বা অসামাজিক কাৰ্যকলাপৰ কেন্দ্ৰলৈ ৰূপান্তৰিত হ'বলৈ পালে, সেয়া এতিয়া গভীৰভাৱে অনুধাৱন কৰাৰ সময় উপস্থিত হৈছে।

হোমষ্টে ধাৰণাটোৰ মূল উদ্দেশ্য আছিল অতি সুন্দৰ আৰু ইতিবাচক। থলুৱা যুৱক-যুৱতীসকলৰ বাবে স্ব-নিয়োজনৰ বাট মুকলি কৰা, স্থানীয় সংস্কৃতি-খাদ্যাভ্যাসৰ প্ৰচাৰ কৰা আৰু কম খৰচতে ভ্ৰমণকাৰীক এক নিৰাপদ স্থান দিয়া। ৰাজ্যৰ পৰ্যটন বিভাগে এই খণ্ডটোক উৎসাহিত কৰি আহিছে। কিন্তু ইয়াৰ আঁৰত গঢ় লৈ উঠা ব্যৱসায়িক প্ৰতিযোগিতা আৰু নীতি-নিয়মৰ অনুপস্থিতিয়ে ভয়াবহ সামাজিক বিশৃঙ্খলাৰ সৃষ্টি কৰিছে। বহু ক্ষেত্ৰত কোনো চৰকাৰী অনুজ্ঞাপত্ৰ (License), বৈধ পৰিচয় পত্ৰৰ প্ৰমাণ বা আৰক্ষীৰ অনুমোদন নোহোৱাকৈয়ে কেৱল টকাৰ বিনিময়ত কোঠা ভাড়ালৈ দিয়াটো এক সহজ ব্যৱসায় হৈ পৰিছে। এই নিয়ন্ত্ৰণহীন সুযোগৰে সুযোগ লৈ অপৰাধপ্ৰৱণ মানসিকতাৰ লোকে অসামাজিক কাম-কাজ চলাবলৈ সাহস পাইছে।

এই সমস্যাটোৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে ব্যক্তিগত স্বাধীনতা আৰু সামাজিক দায়বদ্ধতাৰ মাজৰ সূক্ষ্ম ভাৰসাম্য। আধুনিক সমাজত প্ৰাপ্তবয়স্ক ব্যক্তিৰ স্বাধীনতা নিশ্চয়কৈ স্বীকাৰ্য, কিন্তু সেই স্বাধীনতাই যেতিয়া কোনো ব্যক্তিগত সুৰক্ষাৰ সংকট বা অপৰাধমূলক ঘটনাৰ সুযোগ সৃষ্টি কৰে, তেতিয়া তাত প্ৰশাসন আৰু ব্যৱসায়ীসকলৰ দায়িত্বও জড়িত হৈ পৰে। কোনো নথি-পত্ৰ বিচাৰি নতুন গ্ৰাহকক জবাবদিহি নকৰাকৈ বা সঠিক ৰেকৰ্ড নৰখাকৈ কোঠা এৰি দিয়া কাৰ্যই স্পষ্টকৈ প্ৰমাণ কৰে যে নিৰাপত্তাতকৈ কেৱল লাভৰ অংকইহে মূল অগ্ৰাধিকাৰ পাইছে। যেতিয়ালৈকে অপৰাধ ঘটি নাযায়, তেতিয়ালৈকে চকু মুদি থকা এই ব্যৱসায়িক মানসিকতাই অপৰাধীক আৰু অধিক উৎসাহিত কৰে।

একেদৰে, প্ৰশাসন আৰু আৰক্ষীৰ ভূমিকাও ইয়াত বিশেষভাৱে লক্ষণীয়। এনে ঘটনা সংঘটিত হোৱাৰ পাছত চলোৱা অভিযান বা হোমষ্টে ছীল কৰাৰ দৰে পদক্ষেপে কেৱল সাময়িক সমাধানহে দিয়ে। সমস্যাৰ স্থায়ী সমাধানৰ বাবে প্ৰয়োজন এক সুনিৰ্দিষ্ট আৰু কঠোৰ নিয়ন্ত্ৰণ নীতি। ৰাজ্যৰ প্ৰতিটো সৰু-বৰ হোমষ্টেৰ পঞ্জীয়ন বাধ্যতামূলক কৰা, সঘনাই আৰক্ষীৰ তদাৰক চলোৱা, চিচিটিভি (CCTV) কেমেৰা সংস্থাপন আৰু গ্ৰাহকৰ বৈধ প্ৰমাণ সংৰক্ষণ বাধ্যতামূলক কৰাটো জৰুৰী। যিবোৰ হোমষ্টে নিয়মানুৱৰ্তিতা মানি চলিবলৈ অসমৰ্থ হয়, সেইবোৰৰ বিৰুদ্ধে আগতীয়াকৈয়ে আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সমান্তৰালভাৱে সমাজ আৰু অভিভাৱকসকলৰো দায়িত্ব কম নহয়। আধুনিকতা আৰু পশ্চিমীয়া জীৱনশৈলীৰ প্ৰভাৱত আমাৰ যুৱ প্ৰজন্মৰ পথভ্ৰষ্টতা বা ক্ষণিক সুখৰ অন্বেষণে কিদৰে বিপদ মাতি আনিব পাৰে, তাৰ প্ৰতি সজাগতা সৃষ্টি কৰাটো অতি জৰুৰী।

হোমষ্টে ব্যৱস্থাটো পৰ্যটন খণ্ডৰ বাবে এক আশীৰ্বাদ, কিন্তু ইয়াক নিৰাপত্তাহীনতাৰ মুক্ত আশ্ৰয়স্থল হ'বলৈ দিব নোৱাৰি। সমগ্ৰ বিষয়টোক সামাজিক সংস্কাৰ আৰু আইনী কঠোৰতাৰে মোকাবিলা কৰিব লাগিব। অৰ্থনৈতিক উন্নয়নৰ নামত মানৱ জীৱনৰ নিৰাপত্তা আৰু সামাজিক শৃংখলাক কেতিয়াও জলাঞ্জলি দিব নোৱাৰি। চৰকাৰ, জনসাধাৰণ আৰু হোমষ্টেৰ মালিকে একত্ৰিত হৈ এই কংক্ৰিটৰ ব্যাধিসমূহ উৎখাত নকৰিলে পৰ্যটনৰ বিকাশ কেৱল এক ভুৱা প্ৰতিশ্ৰুতি হৈয়েই ৰ'ব।

# অসমৰ হৃদয়স্পন্দন জুবিন গাৰ্গ

দৰ্শনা দত্ত

সময়ৰ গতি সঁচাকৈয়ে অপ্ৰতিৰোধ্য। পলকতে পাৰ হৈ গ'ল এটা সম্পূৰ্ণ বছৰ। ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰ, এই অভিশপ্ত দিনটোৱে অসমীয়া সমাজ জীৱনত দি যোৱা গভীৰ আঘাতৰ দাগ আজিও ম্লান পৰা নাই। নিদাৰুণ নিয়তিৰ কৰাল গ্ৰাসত পৰি সমগ্ৰ অসমবাসীক কন্দুৱাই চিৰদিনৰ বাবে বিদায় লৈছিল অসমীয়া স্বাভিমানৰ সৰৱ কণ্ঠ তথা প্ৰতিজন সংগীতপ্ৰেমীৰ চিৰন্তন সংগী জুবিন গাৰ্গে। তেওঁৰ প্ৰথম মৃত্যুবাৰ্ষিকীৰ এই কৰুণ ক্ষণত সমগ্ৰ ৰাজ্যবাসীয়ে আৱেগ আৰু অশ্ৰুসিক্ত নয়নেৰে সুঁৱৰিছে হেঁপাহৰ জুবিন গাৰ্গক। পাৰ্থিৱ জগতৰ পৰা তেওঁৰ শাৰীৰিক অৱসানহে ঘটিছে, কিন্তু অসমৰ চিৰসেউজ প্ৰকৃতি, সমাজ আৰু প্ৰতিজন অসমীয়াৰ হৃদয়ৰ স্পন্দনত তেওঁ আছিল, আছে আৰু চিৰদিন স্পন্দিত হৈ থাকিব।

একতা, ভাতৃত্ববোধ, সাম্প্ৰদায়িক সম্প্ৰীতি, মানৱ প্ৰেম আৰু সমাজৰ নিষ্পেষিত জনতাৰ প্ৰতি থকা আদৰ আৰু মৰমৰ বাবেই জুবিন গাৰ্গ এজন মানৱতাবাদী শিল্পী হিচাপে পৰিগণিত হৈছে। ১৯৯২ চনত 'অনামিকা' এলবামৰ জৰিয়তে অসমৰ সংগীত জগতত পদাৰ্পণ কৰা এইগৰাকী মহান শিল্পীয়ে অতি কম সময়ৰ ভিতৰতে সুৰৰ মায়াজালেৰে অসমীয়া সংগীতক এক নতুন মাত্ৰা প্ৰদান কৰিলে। সুদীৰ্ঘ ৩৩ বছৰীয়া সংগীতৰ বৰ্ণিল যাত্ৰাত তেওঁ কেৱল অসমীয়া গীততেই আবদ্ধ থকা নাছিল; হিন্দী, বঙালীকে ধৰি প্ৰায় ৪০টা বিভিন্ন ভাষা আৰু উপভাষাত ৩৮, ০০০তকৈও অধিক গীত গাই তেওঁ এক অতুলনীয় অভিলেখ গঢ়িছিল। জুবিন গাৰ্গৰ কণ্ঠত যিদৰে অসমৰ সৌন্দৰ্য আৰু অসমীয়াৰ প্ৰাণৰ উৎসৱ বিহু আদিয়ে অভূতপূৰ্ব আৰু স্বকীয় গতি লাভ কৰিলে, ঠিক একেদৰে অসমৰ চিৰকলীয়া সমস্যা অশ্ৰুস্বৰূপ বানপানীৰ কৰুণ বিভীষিকাৰ দৃশ্যও তেওঁ সংগীতত প্ৰতিফলিত কৰিছিল। বানাক্ৰান্ত সৰ্বস্বান্ত মানুহৰ বুকুত উথলি উঠা হাহাকাৰ আৰু আৰ্তনাদক তেওঁ কেৱল গীততেই আবদ্ধ কৰা নাছিল, বৰঞ্চ প্ৰতিটো সংকটকালত তেওঁ নিজেই দুৰ্গতজনৰ কাষত থিয় হৈছিল। আৰ্তজনৰ কাষত ছাঁৰ দৰে থিয় হোৱা, অসমৰ জ্বলন্ত সমস্যাসমূহক লৈ চিন্তা কৰা আৰু সকলো শ্ৰেণীৰ মানুহকে সমদৃষ্টিৰে চোৱাৰ বাবেই তেওঁ কেৱল এজন জনপ্ৰিয় কণ্ঠশিল্পীয়ে নহয়, বৰঞ্চ প্ৰতিজন অসমীয়াৰ বাবে হৈ পৰিল এটি বিশেষ আৱেগ আৰু সত্ত্বা।

এজন সুদক্ষ সুৰকাৰ, অভিনেতা, চিত্ৰনাট্যকাৰ আৰু পৰিচালক হিচাপেও তেওঁ অসমৰ চলচ্চিত্ৰ উদ্যোগলৈ এক জাগৰণৰ কঢ়িয়াই আনিছিল। 'মিছন চাইনা' বা 'কাঞ্চনজংঘা'ৰ দৰে ছুপাৰহিট ছবিৰ সফল নিৰ্মাণেৰে জুবিন গাৰ্গে থলুৱা চিনেমা জগতক ব্যতিক্ৰমী আৰু শক্তিশালী গতি প্ৰদান কৰি থৈ গৈছে। ৰূপালী পৰ্দাত তেওঁৰ বলিষ্ঠ অভিনয় আৰু কলাত্মক চিন্তাৰ মাজত সদায় প্ৰতিফলিত হৈছিল এক নিজস্ব সৃষ্টিশীলতা, যাৰ ছাঁত আশ্ৰয় লৈ অসমৰ চলচ্চিত্ৰ উদ্যোগে এক সুদূৰপ্ৰসাৰী মাত্ৰা লাভ কৰিলে। অসমৰ যুৱপ্ৰজন্মৰ চিন্তা আৰু চেতনাৰ ওপৰত জুবিন গাৰ্গৰ প্ৰভাৱ অপৰিসীম। তেওঁ নিজৰ কালজয়ী সৃষ্টি আৰু ব্যক্তিত্বৰে আধুনিকতাত উটি যাব খোজা অসমীয়া যুৱপ্ৰজন্মক নিজৰ ভাষা-সংস্কৃতি তথা শিপাক ভালপাবলৈ শিকাইছিল। যুগদ্ৰষ্টা কিংবদন্তীসকলৰ আচলতে কেতিয়াও মহাপ্ৰয়াণ নহয়, তেওঁলোক কেৱল নশ্বৰ পৃথিৱীৰ দৃশ্যপটৰ অন্তৰাললৈহে গতি কৰে। জুবিন গাৰ্গে নিজেই গাই যোৱা তেওঁৰ আটাইতকৈ প্ৰিয় সৃষ্টি 'মায়াবিনী'ৰ সুৰেৰে সমগ্ৰ অসমে আজি তেওঁক অশ্ৰুসিক্ত নয়নেৰে সুঁৱৰিছে। তেওঁৰ সংগীতৰ অমৰ কলিয়েই যেন আজি তেওঁৰ চিৰন্তনত্বৰ আটাইতকৈ ডাঙৰ প্ৰমাণ— "পোহৰৰে চাকিগছি আমি জ্বলামেই এদিন জ্বলাম..."



# পক্স' আইন আৰু শিশু সুৰক্ষা

*পক্স' আইনৰ বিধানসমূহ অতি বিস্তৃত আৰু শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ সংজ্ঞা, শাস্তিৰ বিধান, তদন্ত প্ৰক্ৰিয়া, বিচাৰ প্ৰক্ৰিয়া, আৰু শিশুৰ সুৰক্ষাৰ বিষয়ে স্পষ্ট নিৰ্দেশনা প্ৰদান কৰে। আইনখনে শিশুক ১৮ বছৰৰ তলৰ যিকোনো ব্যক্তি হিচাপে সংজ্ঞায়িত কৰিছে, যিয়ে লিংগ নিৰ্বিশেষে সকলো শিশুৰ ক্ষেত্ৰত প্ৰযোজ্য। আইনখনে বিভিন্ন ধৰণৰ যৌন অপৰাধৰ সংজ্ঞা প্ৰদান কৰিছে, যাৰ ভিতৰত আছে প্ৰৱেশমূলক যৌন আক্ৰমণ, তীব্ৰতৰ প্ৰৱেশমূলক যৌন আক্ৰমণ, যৌন হাৰাশাস্তি, আৰু শিশুৰ সৈতে জড়িত পৰ্ণগ্ৰাফীৰ ব্যৱহাৰ। প্ৰৱেশমূলক যৌন আক্ৰমণৰ ক্ষেত্ৰত ন্যূনতম সাত বছৰৰ কাৰাদণ্ডৰ পৰা আৰম্ভ কৰি আজীৱন কাৰাদণ্ড আৰু অৰ্থদণ্ডৰ ব্যৱস্থা আছে। তীব্ৰতৰ প্ৰৱেশমূলক যৌন আক্ৰমণৰ ক্ষেত্ৰত, যেনে পিতৃ-মাতৃ, শিক্ষক, চিকিৎসক, পুলিচ বিষয়া, বা অন্য বিশ্বাসযোগ্য ব্যক্তিৰ দ্বাৰা সংঘটিত অপৰাধৰ ক্ষেত্ৰত, ন্যূনতম দহ বছৰৰ কাৰাদণ্ডৰ পৰা আৰম্ভ কৰি আজীৱন কাৰাদণ্ডৰ ব্যৱস্থা কৰা হৈছে। যৌন হাৰাশাস্তিৰ ক্ষেত্ৰত তিনি বছৰলৈকে কাৰাদণ্ডৰ বিধান আছে। শিশু পৰ্ণগ্ৰাফীৰ উৎপাদন, বিতৰণ, বা সংৰক্ষণৰ ক্ষেত্ৰত পাঁচৰ পৰা সাত বছৰৰ কাৰাদণ্ডৰ বিধান আছে, আৰু পুনৰ অপৰাধৰ ক্ষেত্ৰত শাস্তিৰ মাত্ৰা অধিক কঠোৰ।*

পক্স' আইন অৰ্থাৎ যৌন অপৰাধৰ পৰা শিশুক সুৰক্ষা প্ৰদান আইন, ২০১২ (The POCSO Act, or the Protection of Children from Sexual Offences Act, 2012) ভাৰতৰ শিশু সুৰক্ষাৰ ক্ষেত্ৰত এক যুগান্তকাৰী পদক্ষেপ। এই আইনখন ১৮ বছৰৰ তলৰ শিশুসকলক যৌন নিৰ্যাতন, যৌন হাৰাশাস্তি, পৰ্ণগ্ৰাফীৰ দৰে অপৰাধৰ পৰা সুৰক্ষা প্ৰদানৰ লক্ষ্যৰে প্ৰণয়ন কৰা হৈছে। শিশুৰ অধিকাৰ, মৰ্যাদা, আৰু নিৰাপত্তাৰ প্ৰতি দেশৰ দায়বদ্ধতাৰ এক প্ৰতিফলন হিচাপে এই আইনে সমাজৰ দৃষ্টিভংগীত এক নতুন দিগন্তৰ সূচনা কৰিছে। শিশুকেন্দ্ৰিক ন্যায় ব্যৱস্থাৰ এক শক্তিশালী কাঠামো গঢ়ি তুলি এই আইনে শিশুৰ শাৰীৰিক, মানসিক, আৰু সামাজিক সুৰক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে।

ভাৰতত শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ ঘটনা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত এই আইনৰ প্ৰয়োজনীয়তা তীব্ৰভাৱে অনুভৱ কৰা হৈছিল। পূৰ্বৰ আইনী ব্যৱস্থাত শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ সুনিৰ্দিষ্ট সংজ্ঞা, শাস্তিৰ বিধান, আৰু শিশুকেন্দ্ৰিক প্ৰক্ৰিয়াৰ অভাৱ আছিল। ভাৰতীয় দণ্ডবিধিৰ বিভিন্ন ধাৰা, যেনে ধাৰা ৩৭৬ (ধৰ্ষণ), ধাৰা ৩৫৪ (নাৰীৰ লজ্জাভংগ), আৰু ধাৰা ৫০৯ (নাৰীৰ মৰ্যাদা ক্ষুণ্ণ কৰা), এনে অপৰাধৰ মোকাবিলাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। কিন্তু এই ধাৰাসমূহ প্ৰাপ্তবয়স্ককেন্দ্ৰিক আছিল আৰু শিশুৰ বিশেষ পৰিস্থিতি, যেনে তেওঁলোকৰ মানসিক দুৰ্বলতা, শাৰীৰিক সুৰক্ষাৰ প্ৰয়োজনীয়তা, বা সাক্ষ্য প্ৰদানৰ সময়ত তেওঁলোকৰ মানসিক অৱস্থাৰ প্ৰতি পৰ্যাপ্ত গুৰুত্ব দিয়া হোৱা নাছিল। উদাহৰণস্বৰূপে, ধৰ্ষণৰ সংজ্ঞাৰ ক্ষেত্ৰত শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ বিশেষ বৈশিষ্ট্যসমূহ, যেনে প্ৰৱেশমূলক আৰু অপ্ৰৱেশমূলক উভয় ধৰণৰ নিৰ্যাতন, স্পষ্টভাৱে সংজ্ঞায়িত কৰা হোৱা নাছিল। তদুপৰি, তদন্ত প্ৰক্ৰিয়া আৰু বিচাৰৰ সময়ত শিশুৰ গোপনীয়তা, মৰ্যাদা, আৰু মানসিক সুৰক্ষাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়াৰ কোনো সুনিৰ্দিষ্ট ব্যৱস্থা নাছিল। এই পৰিস্থিতিত ৰাষ্ট্ৰসংঘৰ শিশু অধিকাৰ সন্মিলন (UNCRC), ১৯৮৯, য'ত ভাৰত এজন স্বাক্ষৰকাৰী দেশ, তাৰ প্ৰতিশ্ৰুতি পূৰণৰ বাবে এক বিশেষ আইনৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছিল। UNCRCৰ ধাৰা ১৯ অনুসৰি, শিশুক সকলো ধৰণৰ নিৰ্যাতন, অৱহেলা, আৰু শোষণৰ পৰা সুৰক্ষা প্ৰদান কৰাৰ বাধ্যবাধকতা ৰাষ্ট্ৰৰ ওপৰত ন্যস্ত কৰা হৈছে। ইয়াৰ উপৰি, ভাৰতৰ সংবিধানৰ ধাৰা ১৫(৩), ধাৰা ২১ (জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ), আৰু ধাৰা ৩৯(ই) (শিশুৰ সুৰক্ষা আৰু কল্যাণ)ৰ অধীনত শিশুৰ সুৰক্ষা আৰু কল্যাণৰ প্ৰতি ৰাষ্ট্ৰৰ দায়িত্বৰ কথা উল্লেখ কৰা হৈছে। এই আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় দায়বদ্ধতাৰ পৰিপ্ৰেক্ষিতত শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ মোকাবিলাৰ বাবে এক সুনিৰ্দিষ্ট আইনৰ প্ৰয়োজনীয়তা তীব্ৰ হৈ উঠিছিল। ২০০৭ চনত মহিলা আৰু শিশু কল্যাণ মন্ত্ৰণালয়ৰ উদ্যোগত শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ ওপৰত এক অধ্যয়ন প্ৰকাশ পাইছিল, যিয়ে এই সমস্যাৰ ভয়াৱহতা পোহৰলৈ আনিছিল। এই অধ্যয়নত উল্লেখ কৰা হৈছিল যে ভাৰতৰ প্ৰায় ৫৩ শতাংশ শিশোৱে কোনো নহয় কোনো ধৰণৰ যৌন নিৰ্যাতনৰ শিকাৰ হৈছে। এই অধ্যয়নে এই কথাও উন্মোচন কৰিছিল যে বহু ক্ষেত্ৰত এনে অপৰাধ পৰিয়ালৰ ভিতৰতে, আত্মীয়-স্বজন, শিক্ষক, বা অন্য বিশ্বাসযোগ্য ব্যক্তিৰ দ্বাৰা সংঘটিত হয়। ইয়াৰ উপৰি, এই অধ্যয়নে দেখুৱাইছিল যে সামাজিক কলংক, পৰিয়ালৰ মৰ্যাদাৰ ভয়, প্ৰতিশোধৰ ভয়, আৰু আইনী প্ৰক্ৰিয়াৰ জটিলতাৰ বাবে বহু শিশু বা তেওঁলোকৰ পৰিয়ালে এনে ঘটনা প্ৰকাশ কৰিবলৈ সাহস কৰা নাছিল। এই পটভূমিত পক্স' আইনৰ খচৰা প্ৰস্তুত কৰা হয়, আৰু ২০১২ চনৰ ১৪ নৱেম্বৰত ই কাৰ্যকৰী হয়।

পক্স' আইনৰ মূল উদ্দেশ্য হৈছে শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ বিভিন্ন ৰূপৰ বিৰুদ্ধে এক সামগ্ৰিক, শিশুকেন্দ্ৰিক, আৰু সংবেদনশীল আইনী কাঠামো প্ৰদান কৰা। এই আইনে ১৮ বছৰৰ তলৰ সকলো শিশুক, লিংগ নিৰ্বিশেষে, সুৰক্ষা প্ৰদান কৰে। শিশুৰ শাৰীৰিক, মানসিক, আৰু সামাজিক সুৰক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি আইনখনে এক শিশুকেন্দ্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰিছে। ইয়াৰ উদ্দেশ্য কেৱল অপৰাধীক শাস্তি প্ৰদান কৰা নহয়, বৰঞ্চ শিশুৰ মৰ্যাদা, গোপনীয়তা, আৰু নিৰাপত্তা ৰক্ষা কৰাৰ লগতে তেওঁলোকৰ পুনৰ্বাসনৰ ব্যৱস্থা কৰাও। আইনখনে শিশুৰ সৈতে জড়িত অপৰাধৰ ক্ষেত্ৰত জৰুৰী সেৱা, যেনে চিকিৎসা সেৱা, মানসিক সমৰ্থন, আইনী সহায়, আৰু পুনৰ্বাসনৰ ব্যৱস্থা কৰিছে। ইয়াৰ উপৰি, আইনখনে শিশুৰ বিৰুদ্ধে অপৰাধৰ প্ৰতিৰোধৰ বাবে সচেতনতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, যাতে সমাজত এনে অপৰাধৰ প্ৰকোপ হ্ৰাস পায়। আইনখনে শিশুৰ সৈতে জড়িত অপৰাধৰ বিষয়ে প্ৰকাশ কৰাৰ সাহস জগাই তুলিবলৈ আৰু তেওঁলোকৰ বাবে এক নিৰাপদ পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে।

পক্স' আইনৰ বিধানসমূহ অতি বিস্তৃত আৰু শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ সংজ্ঞা, শাস্তিৰ বিধান, তদন্ত প্ৰক্ৰিয়া, বিচাৰ প্ৰক্ৰিয়া, আৰু শিশুৰ সুৰক্ষাৰ বিষয়ে স্পষ্ট নিৰ্দেশনা প্ৰদান কৰে। আইনখনে শিশুক ১৮ বছৰৰ তলৰ যিকোনো ব্যক্তি হিচাপে সংজ্ঞায়িত কৰিছে, যিয়ে লিংগ নিৰ্বিশেষে সকলো শিশুৰ ক্ষেত্ৰত প্ৰযোজ্য। আইনখনে বিভিন্ন ধৰণৰ যৌন অপৰাধৰ সংজ্ঞা প্ৰদান কৰিছে, যাৰ ভিতৰত আছে প্ৰৱেশমূলক যৌন আক্ৰমণ, তীব্ৰতৰ প্ৰৱেশমূলক যৌন আক্ৰমণ, যৌন হাৰাশাস্তি, আৰু শিশুৰ সৈতে জড়িত পৰ্ণগ্ৰাফীৰ ব্যৱহাৰ। প্ৰৱেশমূলক যৌন আক্ৰমণৰ ক্ষেত্ৰত ন্যূনতম সাত বছৰৰ কাৰাদণ্ডৰ পৰা আৰম্ভ কৰি আজীৱন কাৰাদণ্ড আৰু অৰ্থদণ্ডৰ ব্যৱস্থা আছে। তীব্ৰতৰ প্ৰৱেশমূলক যৌন আক্ৰমণৰ ক্ষেত্ৰত, যেনে পিতৃ-মাতৃ, শিক্ষক, চিকিৎসক, পুলিচ বিষয়া, বা অন্য বিশ্বাসযোগ্য ব্যক্তিৰ দ্বাৰা সংঘটিত অপৰাধৰ ক্ষেত্ৰত, ন্যূনতম দহ বছৰৰ কাৰাদণ্ডৰ পৰা আৰম্ভ কৰি আজীৱন কাৰাদণ্ডৰ ব্যৱস্থা কৰা হৈছে। যৌন হাৰাশাস্তিৰ ক্ষেত্ৰত তিনি বছৰলৈকে কাৰাদণ্ডৰ বিধান আছে। শিশু পৰ্ণগ্ৰাফীৰ উৎপাদন, বিতৰণ, বা সংৰক্ষণৰ ক্ষেত্ৰত পাঁচৰ পৰা সাত বছৰৰ কাৰাদণ্ডৰ বিধান আছে, আৰু পুনৰ অপৰাধৰ ক্ষেত্ৰত শাস্তিৰ মাত্ৰা অধিক কঠোৰ।

আইনখনে শিশুৰ সৈতে জড়িত অপৰাধৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়াৰ বাবে বিশেষ নিৰ্দেশনা প্ৰদান কৰিছে। শিশুৰ সাক্ষ্য গ্ৰহণৰ সময়ত তেওঁলোকৰ মানসিক সুৰক্ষাৰ প্ৰতি গুৰুত্ব দিয়া হয়। শিশুক ভয়মুক্ত আৰু সুৰক্ষিত পৰিৱেশত সাক্ষ্য দিবলৈ সুবিধা প্ৰদান কৰা হয়, যেনে ভিডিঅ' কনফাৰেন্সিংৰ জৰিয়তে, পৰ্দাৰ আড়ত, বা বিশেষ সাক্ষ্য কক্ষত সাক্ষ্য গ্ৰহণ। শিশুৰ সাক্ষ্যৰ সময়ত পিতৃ-মাতৃ, অভিভাৱক, বা বিশ্বাসযোগ্য ব্যক্তিৰ উপস্থিতিৰ ব্যৱস্থা কৰা হৈছে। তদন্ত প্ৰক্ৰিয়াত শিশুৰ গোপনীয়তা ৰক্ষা কৰাৰ প্ৰতি গুৰুত্ব দিয়া হয়। তদন্তকাৰী বিষয়াসকলক শিশুৰ সৈতে সংবেদনশীলভাৱে ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আইনখনে এফআইআৰ দাখিলৰ পৰা দুমাহৰ ভিতৰত তদন্ত সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে, যদিও বাস্তৱত এই সময়সীমা প্ৰায়ে পালন কৰা নহয়। শিশুৰ চিকিৎসা পৰীক্ষাৰ ক্ষেত্ৰতো বিশেষ নিৰ্দেশনা আছে। চিকিৎসা পৰীক্ষা মহিলা চিকিৎসকৰ দ্বাৰা আৰু শিশুৰ পিতৃ-মাতৃ বা অভিভাৱকৰ উপস্থিতিত কৰাৰ ব্যৱস্থা কৰা হৈছে।



হিমাংশু ৰঞ্জন ভূঞা

ইয়াৰ উপৰি, চিকিৎসা পৰীক্ষাৰ সময়ত শিশুৰ মৰ্যাদা আৰু স্বাচ্ছন্দ্যৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া হয়।

পক্স' আইনৰ প্ৰয়োগৰ ক্ষেত্ৰত বিশেষ আদালতৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। আইনখনে শিশুৰ বিৰুদ্ধে অপৰাধৰ বিচাৰৰ বাবে বিশেষ আদালত গঠনৰ ব্যৱস্থা কৰিছে। এই আদালতসমূহে দ্ৰুত বিচাৰ প্ৰক্ৰিয়াৰ জৰিয়তে ন্যায় প্ৰদান কৰাৰ লক্ষ্য ৰাখে। বিশেষ আদালতত শিশুৰ সৈতে জড়িত গোচৰসমূহৰ শুনানি গোপনীয়ভাৱে কৰা হয়, যাতে শিশুৰ পৰিচয় প্ৰকাশ নহয়। আইনখনে মিডিয়াকো শিশুৰ পৰিচয় প্ৰকাশৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিয়ে। এই বিধানৰ উদ্দেশ্য হৈছে শিশুৰ গোপনীয়তা আৰু মৰ্যাদা ৰক্ষা কৰা। বিশেষ আদালতত বিচাৰক, অধিবক্তা, আৰু আদালতৰ কৰ্মচাৰীসকলক শিশুৰ সৈতে জড়িত গোচৰৰ সংবেদনশীলতাৰ বিষয়ে প্ৰশিক্ষণ দিয়াৰ কথা উল্লেখ কৰা হৈছে। বিশেষ আদালতৰ গঠনৰ ফলত গোচৰৰ দ্ৰুত নিষ্পত্তিৰ পথ সুগম হৈছে, যদিও অপৰ্যাপ্ত সংখ্যক আদালত আৰু কৰ্মচাৰীৰ অভাৱৰ বাবে বহু ক্ষেত্ৰত বিলম্ব হয়।

পক্স' আইনৰ প্ৰতিৰোধমূলক দৃষ্টিভংগী ইয়াৰ এক উল্লেখযোগ্য দিশ। আইনখনে শিশুৰ বিৰুদ্ধে অপৰাধৰ প্ৰতিৰোধৰ বাবে সচেতনতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বিদ্যালয়, সম্প্ৰদায়, আৰু পৰিয়ালৰ মাজত শিশু সুৰক্ষাৰ বিষয়ে সচেতনতা বৃদ্ধিৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰাৰ কথা উল্লেখ কৰা হৈছে। শিশুসকলক নিজৰ সুৰক্ষাৰ বিষয়ে শিক্ষা দিয়াৰ লগতে পিতৃ-মাতৃ, শিক্ষক, আৰু সম্প্ৰদায়ৰ সদস্যসকলক শিশুৰ বিৰুদ্ধে অপৰাধ লক্ষণ চিনাক্ত কৰাৰ প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বিদ্যালয়সমূহত শিশু সুৰক্ষাৰ বিষয়ে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ কথা প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ উপৰি, সম্প্ৰদায়ভিত্তিক সচেতনতা কাৰ্যসূচীৰ জৰিয়তে গ্ৰাম্য অঞ্চলৰ মানুহৰ মাজত এই আইনৰ বিষয়ে জ্ঞান বিয়পোৱাৰ কথা উল্লেখ কৰা হৈছে। শিশুসকলক 'ভাল স্পৰ্শ' আৰু 'বেয়া স্পৰ্শ'ৰ ধাৰণা শিকোৱাৰ লগতে তেওঁলোকক নিৰাপদ আৰু বিপদজনক পৰিস্থিতিৰ মাজত পাৰ্থক্য বুজিবলৈ শিক্ষা দিয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

পক্স' আইনৰ সুবিধাসমূহৰ কথা ক'লে, এই আইনে শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ বিৰুদ্ধে এক শক্তিশালী আৰু সুনিৰ্দিষ্ট আইনী কাঠামো প্ৰদান কৰিছে। পূৰ্বৰ আইনী ব্যৱস্থাৰ তুলনাত এই আইনে অপৰাধৰ সংজ্ঞা অধিক স্পষ্ট আৰু বিস্তৃতভাৱে প্ৰদান কৰিছে। কঠোৰ শাস্তিৰ বিধানৰ জৰিয়তে অপৰাধীৰ মাজত ভয়ৰ সৃষ্টি কৰাৰ লগতে সমাজত এক প্ৰতিৰোধমূলক পৰিৱেশ গঢ়ি তুলিছে। শিশুকেন্দ্ৰিক তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়াৰ জৰিয়তে শিশুৰ মৰ্যাদা, গোপনীয়তা, আৰু নিৰাপত্তা ৰক্ষা কৰা হৈছে। বিশেষ আদালতৰ গঠনৰ ফলত গোচৰৰ দ্ৰুত নিষ্পত্তি সম্ভৱ হৈছে, যদিও এই ক্ষেত্ৰত এতিয়াও বহু উন্নতিৰ প্ৰয়োজন। শিশুৰ পুনৰ্বাসন আৰু মানসিক সমৰ্থনৰ ব্যৱস্থাই শিশুৰ জীৱন পুনৰ গঢ়ি তোলাৰ পথ সুগম কৰিছে। আইনখনে শিশুৰ অধিকাৰৰ প্ৰতি সামাজিক সচেতনতা বৃদ্ধি কৰিছে আৰু শিশুৰ সৈতে জড়িত অপৰাধৰ বিষয়ে প্ৰকাশ কৰাৰ সাহস কিছু পৰিমাণে বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে, শহৰাঞ্চলত শিশু নিৰ্যাতনৰ ঘটনাৰ বিষয়ে প্ৰকাশ কৰাৰ হাৰ গ্ৰাম্য অঞ্চলৰ তুলনাত কিছু পৰিমাণে বেছি, যিটো এই আইনৰ সচেতনতাৰ ফল।

কিন্তু পক্স' আইনৰ প্ৰয়োগৰ ক্ষেত্ৰত বহু সমস্যা পৰিলক্ষিত হৈছে। প্ৰথমতে, সচেতনতাৰ অভাৱ এক ডাঙৰ সমস্যা। গ্ৰাম্য অঞ্চলৰ বহু মানুহ এই আইন সম্পৰ্কে অজ্ঞাত। ফলত, বহু অপৰাধৰ ঘটনা প্ৰকাশ নহয় বা পুলিচৰ ওচৰত এফআইআৰ দাখিল নকৰা হয়। দ্বিতীয়তে, তদন্ত প্ৰক্ৰিয়াত প্ৰশিক্ষিত কৰ্মচাৰীৰ অভাৱ। বহু ক্ষেত্ৰত পুলিচৰ সংবেদনশীলতাৰ অভাৱৰ বাবে শিশুৰ মানসিক আঘাত বৃদ্ধি পায়। তদন্তকাৰী বিষয়াসকলে শিশুৰ সৈতে অসংবেদনশীলভাৱে প্ৰশ্ন কৰা, তেওঁলোকৰ গোপনীয়তা ৰক্ষা নকৰা, বা অপৰাধৰ গুৰুত্ব উপলব্ধি নকৰাৰ ঘটনা পৰিলক্ষিত হৈছে। বিশেষ আদালতৰ অপৰ্যাপ্ত সংখ্যা আৰু তদন্তৰ বিলম্বৰ ফলত বহু গোচৰৰ নিষ্পত্তি দীৰ্ঘদিন ধৰি পিছ পৰি থাকে। শিশুৰ পুনৰ্বাসনৰ বাবে পৰ্যাপ্ত অৱকাঠামোৰ অভাৱ। বহু ক্ষেত্ৰত শিশুৰ বাবে মানসিক সমৰ্থন বা পুনৰ্বাসন কেন্দ্ৰৰ সুবিধা সুলভ নহয়। সামাজিক কলঙ্ক আৰু পৰিয়ালৰ সামাজিক মৰ্যাদাৰ ভয়ৰ বাবে বহু শিশু বা তেওঁলোকৰ পৰিয়ালে এনে ঘটনা প্ৰকাশ কৰিবলৈ সাহস কৰা নাই। বিশেষকৈ গ্ৰাম্য অঞ্চলত এই সমস্যা অধিক তীব্ৰ। ষষ্ঠতে, আইনী প্ৰক্ৰিয়াৰ জটিলতা আৰু দীৰ্ঘসূত্ৰতাৰ বাবে বহু পৰিয়ালে এই প্ৰক্ৰিয়াত জড়িত হ'বলৈ অনীহা প্ৰকাশ কৰে।

পক্স' আইনৰ সমাজত প্ৰভাৱ অতি তাৎপৰ্যপূৰ্ণ। এই আইনে শিশুৰ অধিকাৰৰ প্ৰতি সামাজিক সচেতনতা বৃদ্ধি কৰিছে। অপৰাধীৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ বিধানে সমাজত এক প্ৰতিৰোধমূলক পৰিৱেশ সৃষ্টি কৰিছে। শিশুৰ সৈতে জড়িত অপৰাধৰ বিষয়ে প্ৰকাশ কৰাৰ সাহস কিছু পৰিমাণে বৃদ্ধি পাইছে, বিশেষকৈ শহৰাঞ্চলত। আইনখনে শিশুৰ পুনৰ্বাসন আৰু মানসিক সমৰ্থনৰ ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ জীৱন পুনৰ গঢ়ি তোলাৰ পথ সুগম কৰিছে। কিন্তু সামাজিক কলঙ্ক, পৰিয়ালৰ সামাজিক মৰ্যাদাৰ ভয়, আৰু আইনী প্ৰক্ৰিয়াৰ জটিলতাৰ বাবে বহু শিশু আৰু তেওঁলোকৰ পৰিয়ালে এই আইনৰ পূৰ্ণ সুবিধা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই। গ্ৰাম্য অঞ্চলত এই সমস্যা অধিক পৰিলক্ষিত হয়। ইয়াৰ উপৰি, সমাজৰ কিছু অংশত শিশুৰ বিৰুদ্ধে অপৰাধৰ বিষয়ে প্ৰকাশ কৰাৰ প্ৰতি এতিয়াও নেতিবাচক দৃষ্টিভংগী বিৰাজমান। উদাহৰণস্বৰূপে, বহু পৰিয়ালে এনে ঘটনা প্ৰকাশ কৰিলে সামাজিক অপমানৰ ভয় কৰে, যাৰ ফলত অপৰাধীসকল শাস্তিৰ পৰা ৰক্ষা পায়।

আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত পক্স' আইনৰ গুৰুত্ব অতি উল্লেখযোগ্য। জাতিসংঘৰ শিশু অধিকাৰ সন্মিলনৰ প্ৰতিশ্ৰুতি পূৰণৰ বাবে এই আইন এক গুৰুত্বপূৰ্ণ পদক্ষেপ। বিশ্বৰ অন্যান্য দেশৰ শিশু সুৰক্ষা আইনৰ সৈতে তুলনা কৰিলে পক্স' আইনৰ শিশুকেন্দ্ৰিক দৃষ্টিভংগী আৰু বিস্তৃত বিধানসমূহ অতি প্ৰশংসনীয়। উদাহৰণস্বৰূপে, যুক্তৰাষ্ট্ৰৰ Child Abuse Prevention and Treatment Act (CAPTA), ১৯৭৪, বা যুক্তৰাজ্যৰ Children Act, ১৯৮৯ৰ দৰে আইনৰ সৈতে পক্স' আইনৰ কিছু সাদৃশ্য পৰিলক্ষিত হয়, বিশেষকৈ শিশুৰ সুৰক্ষা, পুনৰ্বাসন, আৰু মানসিক সমৰ্থনৰ ক্ষেত্ৰত। কিন্তু ভাৰতৰ সামাজিক-সাংস্কৃতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পক্স' আইনৰ প্ৰয়োগৰ ক্ষেত্ৰত অধিক জটিলতা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, ভাৰতৰ গ্ৰাম্য অঞ্চলত সচেতনতাৰ অভাৱ, সামাজিক কলঙ্ক, আৰু অৱকাঠামোৰ সীমিততাৰ বাবে আইনৰ প্ৰয়োগৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হয়। ইয়াৰ বিপৰীতে, পশ্চিমীয়া দেশসমূহত শিশু সুৰক্ষাৰ বিষয়ে অধিক সচেতনতা আৰু উন্নত অৱকাঠামোৰ বাবে আইনৰ প্ৰয়োগ তুলনামূলকভাৱে সহজ। তথাপি, পক্স' আইনৰ শিশুকেন্দ্ৰিক দৃষ্টিভংগী আৰু বিস্তৃত বিধানসমূহে ইয়াক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক প্ৰশংসনীয় আইন হিচাপে প্ৰতিষ্ঠা কৰিছে।

যৌন নিৰ্যাতনৰ শিকাৰ হোৱা শিশুৰ মানসিক আৰু শাৰীৰিক আঘাত অতি গভীৰ হয়। এনে আঘাতৰ পৰা পুনৰুদ্ধাৰৰ বাবে শিশুৰ বাবে মানসিক সমৰ্থন, পৰামৰ্শ, আৰু পুনৰ্বাসনৰ সুবিধা অতি প্ৰয়োজনীয়। পক্স' আইনে শিশুৰ পুনৰ্বাসনৰ বাবে বিভিন্ন ব্যৱস্থাৰ কথা উল্লেখ কৰিছে, যেনে মানসিক পৰামৰ্শ, শিক্ষাৰ সুবিধা, পৰিয়ালৰ সৈতে পুনৰ সংযোজন, আৰু সামাজিক সমৰ্থন। কিন্তু বাস্তৱত এই সুবিধাসমূহৰ পৰ্যাপ্ততাৰ অভাৱ পৰিলক্ষিত হয়। বহু ক্ষেত্ৰত শিশুৰ বাবে পুনৰ্বাসন কেন্দ্ৰ বা মানসিক সমৰ্থনৰ সুবিধা সুলভ নহয়। ইয়াৰ উপৰি, পুনৰ্বাসন প্ৰক্ৰিয়াত পৰিয়ালৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ, কিন্তু সামাজিক কলঙ্কৰ বাবে বহু পৰিয়ালে শিশুক সমৰ্থন কৰিবলৈ অনীহা প্ৰকাশ কৰে। উদাহৰণস্বৰূপে, কিছুমান পৰিয়ালে শিশুৰ নিৰ্যাতনৰ ঘটনাক গোপন কৰি ৰাখিবলৈ পছন্দ কৰে, যাৰ ফলত শিশুৰ পুনৰ্বাসন প্ৰক্ৰিয়া ব্যাহত হয়।

পক্স' আইনৰ সফলতাৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শিশু সুৰক্ষাৰ বিষয়ে শিক্ষাৰ জৰিয়তে শিশু, পিতৃ-মাতৃ, শিক্ষক, আৰু সম্প্ৰদায়ৰ মাজত সচেতনতা সৃষ্টি কৰা প্ৰয়োজন। বিদ্যালয়সমূহত শিশু সুৰক্ষাৰ বিষয়ে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ জৰিয়তে শিশুসকলক নিজৰ অধিকাৰ আৰু সুৰক্ষাৰ বিষয়ে শিক্ষা দিয়া আৰু শিক্ষকসকলক শিশুৰ বিৰুদ্ধে অপৰাধৰ লক্ষণ চিনাক্ত কৰাৰ প্ৰশিক্ষণ দিয়াৰ জৰিয়তে বিদ্যালয়সমূহত শিশুৰ নিৰাপত্তা নিশ্চিত কৰা দৰকাৰ। ইয়াৰ উপৰি, পিতৃ-মাতৃৰ মাজত শিশু সুৰক্ষাৰ বিষয়ে সচেতনতা সৃষ্টিৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰাৰ প্ৰয়োজন। সম্প্ৰদায়ভিত্তিক শিক্ষা কাৰ্যসূচীৰ জৰিয়তে গ্ৰাম্য অঞ্চলৰ মানুহৰ মাজত এই আইনৰ বিষয়ে জ্ঞান বিয়পোৱা সম্ভৱ। শিশুসকলক নিজৰ শৰীৰৰ সীমাৰেখা বুজিবলৈ আৰু বিপদজনক পৰিস্থিতিৰ পৰা নিজকে ৰক্ষা কৰিবলৈ শিক্ষা দিয়াৰ জৰিয়তে তেওঁলোকক সশক্ত কৰা প্ৰয়োজনীয়। পক্স' আইনৰ ভৱিষ্যতৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি কিছুমান পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন। সচেতনতা বৃদ্ধিৰ বাবে ব্যাপক প্ৰচাৰৰ প্ৰয়োজন। বিদ্যালয়, সম্প্ৰদায়, আৰু পৰিয়ালৰ মাজত শিশু সুৰক্ষাৰ বিষয়ে শিক্ষা প্ৰদান কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা উচিত। শিশুসকলক নিজৰ অধিকাৰ আৰু সুৰক্ষাৰ বিষয়ে শিক্ষা দিয়াৰ ব্যৱস্থা কৰাৰ লগতে পিতৃ-মাতৃ আৰু শিক্ষকসকলক শিশুৰ বিৰুদ্ধে অপৰাধৰ লক্ষণ চিনাক্ত কৰাৰ প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন। পুলিচ আৰু বিচাৰ বিভাগৰ কৰ্মচাৰীৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা উচিত। তেওঁলোকক শিশুৰ সৈতে সংবেদনশীলভাৱে ব্যৱহাৰ কৰাৰ প্ৰশিক্ষণ দিয়াৰ লগতে আইনৰ বিধানসমূহৰ বিষয়ে বিশদভাৱে অৱগত কৰা উচিত। তৃতীয়তে, বিশেষ আদালতৰ সংখ্যা বৃদ্ধি আৰু তদন্ত প্ৰক্ৰিয়াৰ গতি বৃদ্ধিৰ বাবে অৱকাঠামোৰ উন্নতি কৰা উচিত। চতুৰ্থতে, শিশুৰ পুনৰ্বাসনৰ বাবে অধিক পুনৰ্বাসন কেন্দ্ৰ গঠন কৰাৰ প্ৰয়োজন। চিকিৎসা সেৱা আৰু মানসিক সমৰ্থনৰ ব্যৱস্থা সকলো শিশুৰ বাবে সুলভ কৰা উচিত। পঞ্চমতে, সামাজিক কলঙ্ক দূৰ কৰাৰ বাবে সামাজিক সচেতনতা কাৰ্যসূচী গ্ৰহণ কৰাৰ প্ৰয়োজন। ষষ্ঠতে, আইনৰ কিছুমান বিধান, যেনে সন্মতিৰ বিষয়, অধিক স্পষ্টভাৱে সংজ্ঞায়িত কৰাৰ প্ৰয়োজন, যাতে বিচাৰ প্ৰক্ৰিয়া সৰল হয়।

পক্স' আইনৰ প্ৰণয়নে শিশু সুৰক্ষাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিছে। এই আইনে শিশুৰ অধিকাৰৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে। শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ বিৰুদ্ধে এক শক্তিশালী আইনী কাঠামো প্ৰদান কৰি এই আইনে সমাজত এক ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰিছে। শিশুকেন্দ্ৰিক তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়াৰ জৰিয়তে শিশুৰ মৰ্যাদা আৰু নিৰাপত্তা ৰক্ষা কৰা হৈছে। বিশেষ আদালতৰ গঠন আৰু দ্ৰুত বিচাৰ প্ৰক্ৰিয়াৰ জৰিয়তে ন্যায় প্ৰদানৰ পথ সুগম হৈছে। শিশুৰ পুনৰ্বাসন আৰু মানসিক সমৰ্থনৰ ব্যৱস্থাই তেওঁলোকৰ জীৱন পুনৰ গঢ়ি তোলাৰ সুযোগ প্ৰদান কৰিছে। কিন্তু আইনৰ প্ৰয়োগৰ ক্ষেত্ৰত থকা সমস্যাসমূহ, যেনে সচেতনতাৰ অভাৱ, প্ৰশিক্ষিত কৰ্মচাৰীৰ অভাৱ, বিশেষ আদালতৰ অপৰ্যাপ্ত সংখ্যা, তদন্তৰ বিলম্ব, আৰু পুনৰ্বাসনৰ সুবিধাৰ অভাৱ, সমাধান কৰাৰ প্ৰয়োজন। সামাজিক কলঙ্ক আৰু পৰিয়ালৰ সামাজিক মৰ্যাদাৰ ভয়ৰ বাবে বহু অপৰাধৰ ঘটনা প্ৰকাশ নহয়, যাৰ বাবে সামাজিক সচেতনতা বৃদ্ধিৰ প্ৰয়োজন। পক্স' আইনৰ সফলতা নিৰ্ভৰ কৰে সমাজ, চৰকাৰ, আৰু ব্যক্তিৰ সন্মিলিত প্ৰচেষ্টাৰ ওপৰত। শিশুৰ বাবে এক নিৰাপদ আৰু সুৰক্ষিত পৰিৱেশ গঢ়ি তোলাৰ বাবে সকলোৰে সহযোগিতাৰ প্ৰয়োজন। শিশুৰ অধিকাৰৰ প্ৰতি সমাজৰ দায়বদ্ধতা পূৰণ কৰাৰ বাবে পক্স' আইন এক গুৰুত্বপূৰ্ণ পদক্ষেপ। এই আইনৰ সঠিক প্ৰয়োগৰ জৰিয়তে শিশুৰ জীৱনত এক ইতিবাচক পৰিৱৰ্তন আনিব পাৰি। শিশুৰ নিৰাপত্তা আৰু মৰ্যাদা ৰক্ষা কৰাৰ দায়িত্ব কেৱল চৰকাৰৰ নহয়, সমাজৰ প্ৰতিজন ব্যক্তিৰ। পক্স' আইনৰ সফলতা কেৱল আইনী কাঠামোৰ ওপৰত নিৰ্ভৰ নকৰে, বৰঞ্চ সমাজৰ সকলো স্তৰৰ সহযোগিতাৰ ওপৰত নিৰ্ভৰ কৰে। শিশুৰ বাবে এক নিৰাপদ আৰু সুৰক্ষিত পৰিৱেশ গঢ়ি তোলাৰ দায়িত্ব আমাৰ সকলোৰে। পক্স' আইনৰ জৰিয়তে আমি শিশুৰ অধিকাৰৰ প্ৰতি আমাৰ দায়বদ্ধতা পূৰণ কৰিব পাৰোঁ, আৰু তেওঁলোকৰ বাবে এক উন্নত ভৱিষ্যত গঢ়ি তুলিব পাৰোঁ।

শেষত এটা কথাই ক'ব পাৰি, এই আইনৰ সফলতাৰ বাবে চৰকাৰৰ পৰা আৰম্ভ কৰি সাধাৰণ নাগৰিকলৈকে সকলোৰে সহযোগিতা অপৰিহাৰ্য। শিশুৰ নিৰাপত্তা আৰু মৰ্যাদা ৰক্ষাৰ বাবে আমি সকলোৱে একেলগে কাম কৰিব লাগিব। পক্স' আইনৰ জৰিয়তে শিশুৰ বাবে এক নিৰাপদ, সুৰক্ষিত, আৰু সমৃদ্ধিশালী ভৱিষ্যত গঢ়ি তোলাৰ সপোন আমি বাস্তৱত পৰিণত কৰিব পাৰোঁ। এই আইনৰ সঠিক প্ৰয়োগ আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে আমি শিশুৰ অধিকাৰৰ প্ৰতি আমাৰ দায়বদ্ধতা পূৰণ কৰিব পাৰোঁ, আৰু তেওঁলোকৰ বাবে এক উন্নত আৰু নিৰাপদ পৃথিৱী গঢ়ি তুলিব পাৰোঁ।

# CJPৰ নেতা-কৰ্মীক আটকক লৈ

সমৰ্থকসকলে অসম আৰক্ষী বাহিনীৰ গেটৰ সন্মুখত প্ৰতিবাদত বহে। তেওঁলোকে আটক কৰা CJPৰ সদস্যসকলক তৎক্ষণাত মুকলি কৰাৰ দাবী জনায়। CJPৰ সমৰ্থকসকলৰ প্ৰতিবাদৰ পাছতে আৰক্ষীয়ে ৰাতি ৯ বজাত আটকাধীনসকলক মুকলি কৰি দিয়াৰ কথা উল্লেখ কৰে। ইপিনে,CJPৰ মিটিঙলৈ আহি মণিপুৰৰ Gen Z-এ কি পৰিস্থিতিৰ সন্মুখীন হ'ল, সেয়াও চৰ্চাৰ বিষয় হৈ পৰিছে।CJPৰ তৰফৰ পৰা কোৱা হয়, "মিটিং কৰিবলৈ অহা মানুহক আটক কৰাটো সমগ্ৰ উত্তৰ-পূৰ্ব বাবে লজ্জাজনক। অসম আৰক্ষী আজি আমাৰ পাছে পাছেই থাকিল। ট্ৰিপ্নত্ন নেতৃত্বৰ মিটিঙকলৈ অসমৰ প্ৰশাসন যিমান সক্ষম হৈছে, তেনেকৈয়ে যদি ক্ৰাইমৰ বিৰুদ্ধে হ'লহেঁতেন, তেন্তে ৰাজ্যখনৰ পৰিস্থিতি সুকীয়া হ'লহেঁতেন।" CJPয়ে জনায় যে তেওঁলোকৰ নেতৃত্বত Gen Z-এ শান্তিপূৰ্ণভাৱে ভলণ্টিয়াৰ মিটিং কৰিবলৈ আহিছিল। কিন্তু অসম চৰকাৰৰ এনে কাৰ্যই সমগ্ৰ উত্তৰ-পূৰ্বকে লাজত পেলাইছে বুলি সংগঠনটোৱে অভিযোগ কৰে। ট্ৰিপ্নত্নই আটকাধীনসকলক অবিলম্বে মুকলি কৰাৰ দাবী পুনৰ দোহৰায়।

# সোমবাৰে অসমলৈ CJP নেতা

ৰাংকা আৰু তেওঁৰ সহযোগীসকলক কোনো অজ্ঞাত স্থানলৈ লৈ গৈছে। অভিজিৎ দীপকে 'এক্স'ত পোষ্ট কৰি উল্লেখ কৰে যে CJPৰ নেতাসকলে এখন সৰু স্বেচ্ছাসেৱক সন্মিলনলৈ যোৱাৰ সময়তে তেওঁলোকক আটক কৰা হয়। জানিব পৰা মতে,CJPই গুৱাহাটীত প্ৰথমখন আঞ্চলিক স্বেচ্ছাসেৱক সন্মিলন অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছিল। এই সন্মিলনত দলটোৰ কেইবাগৰাকীও নেতা আৰু স্বেচ্ছাসেৱক উপস্থিত থকাৰ সম্ভাৱনা আছিল। সংগঠনটোৰ মতে, আৰক্ষীয়ে অনুষ্ঠানস্থলীলৈ যোৱা পথ বন্ধ কৰি দিয়ে আৰু সন্মিলনত অংশগ্ৰহণ কৰিবলৈ অহা লোকসকলক বাধা প্ৰদান কৰে। আটক কৰা আশুতোষ ৰাংকা শনিবাৰৰ পৰাই অসমত আছিল আৰু তেওঁ সন্মিলনত ভাষণ দিয়াৰ কথা আছিল। ইয়াৰ পূৰ্বে তেওঁ কৈছিল যে CJPই নিৰ্বাচনী তালিকা সংশোধনৰ ফলত প্ৰভাৱিত পৰিয়ালসমূহক সাক্ষাৎ কৰিব আৰু চৰকাৰী বিদ্যালয়সমূহ পৰিদৰ্শন কৰি সেইবোৰৰ অৱস্থা সম্পৰ্কে বুজ ল'ব। অসমৰ পৰা দিয়া এক পোষ্টত ৰাংকাই অভিযোগ কৰিছিল যে বিষয়াসকলে CJPক ৰাজ্যখনৰ বিদ্যালয়, ভূমি আৰু অন্যান্য বিষয়ত প্ৰশ্ন উত্থাপন কৰাত বাধা দিবলৈ চেষ্টা কৰিছে। তেওঁ অসমত নিৰ্বাচনী তালিকা সংশোধন সম্পৰ্কেও প্ৰশ্ন উত্থাপন কৰিছিল আৰু অভিযোগ কৰিছিল যে এই প্ৰক্ৰিয়াই ৰাজ্যখনৰ নিৰ্বাচনত সংঘটিত হোৱা বুলি অভিযোগ উঠা অনিয়মসমূহ পোহৰলৈ আনিব পাৰে। ইপিনে, CJPই লগতে অভিযোগ কৰে যে অনুষ্ঠানস্থলীৰ ওচৰত চকু-চুলকণি সৃষ্টি কৰা গেছ মোতায়েন কৰা হৈছিল আৰু আটক কৰা কৰ্মীসকলক সাক্ষাৎ কৰিবলৈ তেওঁলোকৰ অধিবক্তাসকলক অনুমতি দিয়া হোৱা নাছিল। সংগঠনটোৱে কয় যে কিমানজন স্বেচ্ছাসেৱকক আটক কৰা হৈছে আৰু তেওঁলোকক ক'লৈ লৈ যোৱা হৈছে, সেই বিষয়ে নিশ্চিত কৰিব পৰা হোৱা নাছিল। ট্ৰিপ্নত্নই আশুতোষ ৰাংকা আৰু আটক কৰা আন স্বেচ্ছাসেৱকসকলক তৎকালীনভাৱে মুকলি কৰি দিয়াৰ দাবী জনাইছে। সংগঠনটোৱে স্পষ্ট কৰি দিয়ে যে আৰক্ষীৰ এই কাৰ্যকলাপৰ পাছতো অসমত তেওঁলোকৰ তৃণমূল পৰ্যায়ৰ অভিযান অব্যাহত থাকিব।

# ছাৰ্জিকেল ষ্ট্ৰাইক ভাৰতৰ সন্ত্ৰাসবাদ

ভাৰতৰ নিৰ্ণায়ক প্ৰত্যুত্তৰ আছিল আৰু এই অভিযান দেশৰ সন্ত্ৰাসবাদ বিৰোধী নীতিৰ এক লেখত ল'বলগীয়া উদাহৰণ হিচাপে পৰিগণিত হৈছে। তেওঁ স্পষ্ট কৰি দিয়ে যে সন্ত্ৰাসবাদৰ ক্ষেত্ৰত ভাৰতৰ নীতি হৈছে 'শূন্য সহনশীলতা'। সন্ত্ৰাসবাদক শক্তিশালী আৰু নিৰ্ণায়ক প্ৰত্যুত্তৰৰ জৰিয়তে প্ৰতিহত কৰা হ'ব বুলি দেশে বাৰে বাৰে প্ৰমাণ কৰি দেখুৱাইছে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে, ২০১৬ চনৰ ২৮-২৯ ছেপ্টেম্বৰত জম্মু-কাশ্মীৰৰ উৰিত সেনা শিবিৰত সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হোৱাৰ পিছত ভাৰতীয় সেনাই নিয়ন্ত্ৰণৰেখাৰ সিপাৰে সন্ত্ৰাসবাদীসকলে আত্মগোপন কৰি থকা বিভিন্ন স্থানত অভিযান চলাইছিল। নিয়ন্ত্ৰণৰেখা অতিক্ৰমি চলোৱা এই অভিযানে সমগ্ৰ বিশ্বকে হতবাক কৰি তুলিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "সন্ত্ৰাসবাদক শক্তিশালী আৰু নিৰ্ণায়ক প্ৰত্যুত্তৰৰ জৰিয়তেহে প্ৰতিহত কৰা হ'ব-এই কথা ভাৰতে স্পষ্ট কৰি দিছে। ছাৰ্জিকেল ষ্ট্ৰাইকে সমগ্ৰ বিশ্বৰ সন্মুখত ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী নীতিৰ এক সাহসী আৰু নতুন উদাহৰণ দাঙি ধৰিছে।" ভাৰতে দীৰ্ঘদিন ধৰি সন্ত্ৰাসবাদী আক্ৰমণৰ যন্ত্ৰণা সহ্য কৰি আহিছে; সেই দুখ-কষ্টৰ বিপৰীতে ছাৰ্জিকেল ষ্ট্ৰাইক আছিল এক দৃঢ় আৰু স্পষ্ট প্ৰত্যুত্তৰ বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ উপৰি 'মন কি বাত'ত প্ৰধানমন্ত্ৰীয়ে চলি থকা লোকপিয়ল প্ৰক্ৰিয়াৰ বিষয়েও আলোকপাত কৰে। তেওঁ কয় যে লোকপিয়ল জাতীয় দায়িত্ব আৰু এই কামত প্ৰতিগৰাকী নাগৰিকৰে অংশগ্ৰহণ আৰু ভূমিকা অপৰিহাৰ্য। লোকপিয়লৰ সময়ত অনলাইনযোগে তথ্য প্ৰদানৰ সুবিধা গ্ৰহণ কৰিবলৈও তেওঁ দেশবাসীক আহ্বান জনায়। আনহাতে, অনুষ্ঠানটোত নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে চলি থকা যুঁজেও গুৰুত্বপূৰ্ণ স্থান লাভ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতৰ যুৱপ্ৰজন্ম ড্ৰাগছৰ দৰে নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে একত্ৰিত হৈছে। 'নিচামুক্তি যুৱ অভিযান'ৰ জৰিয়তে যুৱক-যুৱতীসকলে সৃষ্টিশীল কাৰ্যসূচী আৰু সজাগতামূলক কামৰ জৰিয়তে ইতিবাচক বাৰ্তা প্ৰেৰণ কৰি আছে। তেওঁ উল্লেখ কৰে, দেশজুৰি লাখ লাখ যুৱকে নিচাজাতীয় দ্ৰব্য সেৱন নকৰাৰ গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি গ্ৰহণ কৰিছে। তেওঁলোকে কেৱল নিজে ড্ৰাগছৰ পৰা আঁতৰি থকাৰ সংকল্প লোৱাই নহয়, আনৰ মাজলৈও এই সজাগতাৰ বাৰ্তা প্ৰেৰণ কৰি আছে।

# ৰাষ্ট্ৰীয় নিৰাপত্তাত কোনো আপোচ

আছে।" তেওঁ লগতে কয়, "ভাৰতে শান্তি বিচাৰে, কিন্তু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত কোনো আপোচ নকৰে। যেতিয়ালৈকে আমাৰ চুবুৰীয়া দেশে সন্ত্ৰাসবাদ প্ৰচাৰ কৰি থাকিব, তেতিয়ালৈকে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যিকোনো আক্ৰমণ চলাবলৈ আমি সাজু থাকিম। এই বাৰ্তা আমি তেওঁলোকক আৰু সমগ্ৰ বিশ্বক দিব বিচাৰোঁ।" চুবুৰীয়া দেশ বুলি উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে পাকিস্তানৰ প্ৰতি ইংগিত কৰে। দীৰ্ঘদিন ধৰি পাকিস্তানত ভাৰতত আক্ৰমণ সংঘটিত কৰা কেইবাটাও সন্ত্ৰাসবাদী নেটৱৰ্কে আশ্ৰয় লাভ কৰি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ভাৰতে দীৰ্ঘদিন ধৰি এই স্থিতি প্ৰকাশ কৰি আহিছে যে পাকিস্তানী বা পাকিস্তানভিত্তিক সন্ত্ৰাসবাদীয়ে দেশখনত একাধিক সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত কৰিছে। ২০২৫ চনৰ ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ জনপ্ৰিয় পৰ্যটনস্থলী পাহেলগামত পাকিস্তানভিত্তিক সন্ত্ৰাসবাদীয়ে আক্ৰমণ চলাইছিল। এই আক্ৰমণত এজন নেপালী নাগৰিকসহ ২৬জন লোক নিহত হৈছিল আৰু কেইবাজনো লোক আহত হৈছিল। ইয়াৰ প্ৰতিক্ৰিয়াস্বৰূপে ভাৰতে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰত থকা সন্ত্ৰাসবাদী ঘাটিসমূহত ক্ষেপণাস্ত্ৰ আক্ৰমণ চলাইছিল। এই আক্ৰমণৰ লক্ষ্যস্থানসমূহৰ ভিতৰত মুজাফফৰাবাদ, কোটলী, বাহাৱালপুৰ, ৰাৱালকোট, চকছৱাৰী, ভিম্বৰ, নীলম উপত্যকা, ঝেলম আৰু চকৱাল আছিল। তেওঁ লগতে কয়, "ভাৰতে আলোচনাত বিশ্বাস কৰে। কিন্তু কোনো দেশে যদি সন্ত্ৰাসবাদ প্ৰচাৰ কৰে, তেন্তে সেই মুহূৰ্ততে আলোচনা শেষ হ'ব। ভাৰতে সহযোগিতা বিচাৰে, কিন্তু ৰাষ্ট্ৰীয় স্বাৰ্থৰ মূল্যত নহয়।" এদিনীয়াকৈ অনুষ্ঠিত এই ডিফেন্স ছামিটত দেশৰ প্ৰতিৰক্ষা সক্ষমতা সম্পৰ্কে আলোচনাৰ বাবে জ্যেষ্ঠ প্ৰতিৰক্ষা বিষয়া, সামৰিক বিষয়া আৰু উদ্যোগ খণ্ডৰ নেতাসকল একত্ৰিত হৈছে।

# অনলাইনৰ জৰিয়তে হোমষ্টে,

কাম অধিক সহজ, দ্ৰুত আৰু স্বচ্ছ হ'ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই 'দ্ধ'যোগে কয়, "পৰ্যটনৰ কাগজ-পত্ৰৰ কাম এতিয়া অধিক সহজ আৰু দ্ৰুত হ'ব। সেৱা সেতু আৰু অসম পৰ্যটন বিভাগৰ মিলিত প্ৰচেষ্টাৰ জৰিয়তে পৰ্যটক আৱাসৰ পঞ্জীয়ন আৰু নবীকৰণ এতিয়াৰে পৰা সম্পূৰ্ণ অনলাইন হ'ব। ইয়াৰ ফলত নাগৰিকৰ সময় আৰু পৰিশ্ৰম ৰাহি হোৱাৰ লগতে পৰ্যটন-সম্পৰ্কীয় সেৱা অধিক সহজলভ্য হ'ব।" উল্লেখ্য, এই ব্যৱস্থাটো Assam Tourism Accommodation (Development & Registration) Rules, 2026-ৰ অধীনত কাৰ্যকৰী কৰা হৈছে। নতুন ব্যৱস্থা অনুসৰি পৰ্যটকসকলে হোটেল, ৰিজৰ্ট, গেষ্ট হাউচ, হোমষ্টে, ছাৰ্ভিচ এপাৰ্টমেণ্ট আৰু ঐতিহাসিক স্থানসমূহ দৰ্শনৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়া অতি সহজে সম্পন্ন কৰিব পাৰিব। একাধিক চৰকাৰী বিভাগৰ পৰা অনুমতি লোৱাৰ জটিলতা এতিয়া নাথাকিব। নতুন নিয়ম অনুসৰি প্ৰতি, বছৰৰ মূৰে মূৰে পঞ্জীয়নসমূহ স্বয়ংক্ৰিয়ভাৱে নবীকৰণ হ'ব। ইয়াৰ ফলত ব্যৱসায়ীসকলে বাৰে বাৰে চৰকাৰী কাৰ্যালয়লৈ যোৱাৰ প্ৰয়োজন নহ'ব। এই ডিজিটেল পদক্ষেপে কাগজ-পত্ৰৰ কাম ক্ষিপ্ৰ কৰাৰ লগতে পৰ্যটন খণ্ডত ব্যক্তিগত বিনিয়োগকাৰীসকলক অধিক আকৰ্ষিত কৰিব।

# ভাৰত-ৱেষ্ট ইণ্ডিজৰ এদিনীয়া শৃংখলা

উইকেটকীপাৰ বেটাৰ ধ্ৰুৱ জুৰেল আৰু দ্ৰুত বলাৰ আকীব নবীকো এই মেচখনত সুযোগ দিয়া হোৱা নাই। দলত নমন ধীৰে স্থান লাভ কৰাৰ অন্যতম ডাঙৰ কাৰণ হৈছে হাৰ্দিক পাণ্ডিয়াৰ অনুপস্থিতি। আঘাতৰ বাবে হাৰ্দিক এই শৃংখলাৰ অংশ নহয়। আনহাতে, নীতীশ কুমাৰ ৰেড্ডী এতিয়াও সম্পূৰ্ণ ১০ অভাৰ বলিং কৰিব পৰাকৈ ফিট হোৱা নাই। এনে পৰিস্থিতিত টিম মেনেজমেণ্টে নমনক প্লেয়িং-১১ত অন্তৰ্ভুক্ত কৰি অতিৰিক্ত অলৰাউণ্ডাৰ বিকল্প সাজু কৰিছে। নমনৰ উপস্থিতিয়ে ভাৰতৰ বলিং আক্ৰমণত আন এটা বিকল্প সংযোজন কৰিছে। ৰবীন্দ্ৰ জাডেজা আৰু কুলদীপ যাদৱৰ সৈতে তেওঁ দলটোক তৃতীয়গৰাকী স্পীন বিকল্পৰ সুবিধাও প্ৰদান কৰিব পাৰে। অধিনায়ক শুভমন গীলে টছৰ সময়ত দলৰ কম্বিনেচন সন্দৰ্ভত কয় যে ভাৰতে চাৰিগৰাকী বিশেষজ্ঞ বলাৰৰ সৈতে খেলপথাৰত নামিছে। আনহাতে, নীতীশ কুমাৰ ৰেড্ডী আৰু নমন ধীৰে দুগৰাকী অলৰাউণ্ডাৰ হিচাপে দলৰ ভাৰসাম্য বজাই ৰাখিব। মেচখনত দ্ৰুত বলিং ইউনিটৰ দায়িত্ব প্ৰসিদ্ধ কৃষ্ণাই পালন কৰিছে, আনহাতে গুৰুপ্ৰীত ব্ৰাৰৰ ওপৰতো গুৰুত্বপূৰ্ণ দায়িত্ব আছে। নীতীশ কুমাৰ ৰেড্ডীয়ে তৃতীয়গৰাকী দ্ৰুত বলিং বিকল্প হিচাপে ভূমিকা পালন কৰিছে।

# মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগৰ

সমৰ্থকসকলে অসম আৰক্ষী বাহিনীৰ গেটৰ সন্মুখত প্ৰতিবাদত বহে। তেওঁলোকে আটক কৰা CJPৰ সদস্যসকলক তৎক্ষণাত মুকলি কৰাৰ দাবী জনায়। CJPৰ সমৰ্থকসকলৰ প্ৰতিবাদৰ পাছতে আৰক্ষীয়ে ৰাতি ৯ বজাত আটকাধীনসকলক মুকলি কৰি দিয়াৰ কথা উল্লেখ কৰে। ইপিনে, CJPৰ মিটিঙলৈ আহি মণিপুৰৰ Gen Z-এ কি পৰিস্থিতিৰ সন্মুখীন হ'ল, সেয়াও চৰ্চাৰ বিষয় হৈ পৰিছে। CJPৰ তৰফৰ পৰা কোৱা হয়, "মিটিং কৰিবলৈ অহা মানুহক আটক কৰাটো সমগ্ৰ উত্তৰ-পূৰ্বৰ বাবে লজ্জাজনক। অসম আৰক্ষী আজি আমাৰ পাছে পাছেই থাকিল। CJP নেতৃত্বৰ মিটিঙকলৈ অসমৰ প্ৰশাসন যিমান সক্ষম হৈছে, তেনেকৈয়ে যদি ক্ৰাইমৰ বিৰুদ্ধে হ'লহেঁতেন, তেন্তে ৰাজ্যখনৰ পৰিস্থিতি সুকীয়া হ'লহেঁতেন।" CJP জনায় যে তেওঁলোকৰ নেতৃত্বত Gen Z-এ শান্তিপূৰ্ণভাৱে ভলণ্টিয়াৰ মিটিং কৰিবলৈ আহিছিল। কিন্তু অসম চৰকাৰৰ এনে কাৰ্যই সমগ্ৰ উত্তৰ-পূৰ্বকে লাজত পেলাইছে বুলি সংগঠনটোৱে অভিযোগ কৰে। CJPই আটকাধীনসকলক অবিলম্বে মুকলি কৰাৰ দাবী পুনৰ দোহৰায়।

# লাহৰীঘাট ভেঞ্চাৰ এমএলএৰ

নিৰ্বাচনী প্ৰচাৰ। কালিৰ দিনটোত মন্ত্ৰী গৰাকীয়ে লাহৰীঘাটৰ শনিৰ চৰত হেলিকপ্টাৰেৰে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছিল। আৰু আজি সমষ্টিটোৰ নগাবন্ধা খেলপথাৰত অনুষ্ঠিত হোৱা বিশাল নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে মন্ত্ৰী পীযুষ হাজৰিকাই। নিৰ্বাচনী সভাত নিজৰ ভাষণত মন্ত্ৰী গৰাকীয়ে কংগ্ৰেছ দলক তীব্ৰ কটাক্ষ কৰে। কংগ্ৰেছে সংখ্যালঘু জনতাক কেৱল ভোট বেংক হিচাপেহে ব্যৱহাৰ কৰি আছিল। সংখ্যালঘু জনসাধাৰণৰ উন্নয়নৰ বাবে কোনো কাম কৰা নাছিল। কংগ্ৰেছে কেৱল নিৰ্বাচনৰ সময়তহে আহে সংখ্যালঘু লোকসকলৰ কাষত। কংগ্ৰেছে ভূমিহীন লোকসকলক ভূমিৰ পাট্টা নিদি নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত একাংশ কংগ্ৰেছ নেতা কৰ্মীয়ে সংখ্যালঘু লোকক ভয় খুৱাবলৈ কৈ আছে- বিজেপিক ভোট দিলে উচ্ছেদ কৰিব। মন্ত্ৰী গৰাকীয়ে কয় যে, বিজেপিক ভোট দিলে উচ্ছেদ নকৰে, বৰং ভূমিহীন লোকক ভূমি দিম। কংগ্ৰেছৰ একাংশ ৱাৰ্ড সদস্যই গাঁৱৰ সাধাৰণ দৰিদ্ৰ লোকে বিজেপিত ভোট দিলে পিএমজিএৱাই গৃহ কৰ্তনৰ ধমকি দিয়া ৱাৰ্ড সদস্যক জেলত ভৰাই দিয়াৰ হুংকাৰ দিয়ে মন্ত্ৰী গৰাকীয়ে। লগতে কয় যে, লাহৰীঘাট কংগ্ৰেছৰ ভেঞ্চাৰ বিধায়ক। ভেঞ্চাৰ বিধায়কৰ কোনো কাম নাই। সমষ্টিটোৰো কোনো উন্নয়ন নহয়। ৰাইজৰ উন্নয়ন বিচাৰিলে বিজেপিক ভোট দিবলৈ আহ্বান জনায় মন্ত্ৰী গৰাকীয়ে।

# মাতা অমৃতানন্দময়ীৰ ৭৩ সংখ্যক জয়ন্তীত

কাৰ্যসূচীত বান-বিধ্বস্ত অসম আৰু নেপাললৈ দুই কোটি টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হয়। জানিব পৰা মতে, অসমৰ বান সাহায্য পুঁজিলৈ আগবঢ়োৱা বৰঙনি ৰাজ্য চৰকাৰৰ হৈ শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে গ্ৰহণ কৰে। আনহাতে নেপালৰ আকস্মিক বানত ক্ষতিগ্ৰস্ত অঞ্চলত সাহায্য অভিযান চলোৱাৰ বাবে মঠে দান কৰা ধনৰাশি ভাৰতস্থিত নেপালৰ ৰাষ্ট্ৰদূত ড° সুৰেন্দ্ৰ থাপাৰ হাতত অৰ্পণ কৰা হয়। উল্লেখ্য, শেহতীয়াকৈ উজনি অসমত সংঘটিত প্ৰলয়ংকাৰী বানে চৰাইদেউ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাত ভয়ংকৰ বিপৰ্যয়ৰ সৃষ্টি কৰিছিল। এই বানত হাজাৰ হাজাৰ লোক গৃহহাৰা হয় আৰু প্ৰায় এমাহ ধৰি বহুতে পথৰ দাঁতিত আশ্ৰয় ল'বলগীয়া পৰিস্থিতিৰ সন্মুখীন হয়। এই সাহায্য গ্ৰহণ কৰাৰ পিছতে শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে সামাজিক মাধ্যম এক্সত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লিখে, "দাতব্য স্বাস্থ্যসেৱা, বিদ্যালয় আৰু বৃত্তিৰ জৰিয়তে হওক, অথবা গৃহ নিৰ্মাণ, মহিলাৰ জীৱিকা, গাঁও উন্নয়ন আৰু দুৰ্যোগ সাহায্যৰ সৈতে জড়িত পদক্ষেপৰ জৰিয়তে হওক, কেৰালাৰ অমৃতাপুৰীত অৱস্থিত মাতা অমৃতানন্দময়ী মঠক মানৱতাৰ সেৱা কাৰ্যত জড়িত থকাৰ বাবে বিশ্বজুৰি সন্মান জনোৱা হয়।" তেওঁ লগতে কয়, "আজি সন্মানীয় আম্মাৰ জন্মদিন উপলক্ষে আয়োজন কৰা বিশ্ব সেৱা দিৱস অনুষ্ঠানত অসমৰ বান সাহায্যৰ বাবে দুই কোটি টকাৰ সাহায্য আগবঢ়োৱা হয়। মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ পৰা চেকখন লাভ কৰাৰ পিছত আমি আম্মাক শ্ৰদ্ধা নিবেদন কৰোঁ আৰু অসম তথা ইয়াৰ জনসাধাৰণৰ বাবে তেখেতৰ আশীৰ্বাদ বিচাৰোঁ। অসমৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈও কৃতজ্ঞতা আৰু আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। আম্মাৰ মহানুভৱতা আৰু মমতা অসমে সদায় মনত ৰাখিব।" এই অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেওঁ কেৰালাৰ আন কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখ্য, ২০০১ চনৰ পৰা মাতা অমৃতানন্দময়ী মঠে সমগ্ৰ ভাৰতত সাহায্য আৰু পুনৰ সংস্থাপনৰ কাৰ্যসূচীত ৭০০ কোটি টকাৰো অধিক ধন ব্যয় কৰিছে। মঠৰ তথ্য অনুসৰি, ২০২৪ চনত আম্মাৰ ৭১সংখ্যক জন্মদিনৰ অংশ হিচাপে ৱায়ানাড ভূমিস্খলনত ক্ষতিগ্ৰস্তসকলৰ সহায় আৰু দুৰ্যোগৰ আগতীয়া সতৰ্কবাণী ব্যৱস্থা স্থাপনৰ বাবে ১৫ কোটি টকা আগবঢ়োৱা হৈছিল। ইয়াৰ উপৰি ২০১৮ চনৰ ঘূৰ্ণীবতাহ ওখী, ২০১৫ চনৰ চেন্নাইৰ বান আৰু ২০১৯ চনৰ কেৰালাৰ বানৰ সময়তো মঠে সাহায্য অভিযান চলাইছিল। চুনামীৰ পিছত বৃহৎ পৰিসৰৰ পুনৰ্বাসন আৰু পুনৰ্গঠন প্ৰচেষ্টাৰ বাবেও মঠে বিশ্বব্যাপী স্বীকৃতি লাভ কৰিছে। "মাতা অমৃতানন্দময়ী মঠে দুৰ্যোগৰ বলি হোৱা লোকসকলক তেওঁলোকৰ ভাষা, ধৰ্ম বা অন্য পৰিস্থিতি নিৰ্বিশেষে খাদ্য, বাসস্থান, স্বাস্থ্যসেৱা, চিকিৎসা, শিক্ষা আৰু জীৱিকাৰ সহায় প্ৰদানৰ বাবে ধাৰাবাহিকভাৱে চেষ্টা কৰি আহিছে, "বুলি মঠৰ উপাধ্যক্ষ তথা আম্মাৰ জ্যেষ্ঠ শিষ্য স্বামী অমৃতস্বৰূপানন্দ পুৰীয়ে কয়। কাৰ্যসূচী অনুসৰি, সন্ধিয়া ৫ বজাত অনুষ্ঠিত মুকলি অনুষ্ঠানটো কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উদ্বোধন কৰে। প্ৰায় ৪ বজাত অমৃতাপুৰী চৌহদৰ হেলিপেডত গৃহমন্ত্ৰী শ্বাহৰ বিমান অৱতৰণ কৰে। ইয়াৰ পিছত তেওঁ আম্মাক সাক্ষাৎ কৰে আৰু সন্ধিয়া ৫ বজাৰ ভিতৰত বিশেষভাৱে নিৰ্মিত মঞ্চত উপস্থিত হয়। বিশ্ব সেৱা দিৱস উদ্‌যাপনত অংশগ্ৰহণ কৰিবলৈ অমৃতাপুৰীত বিশ্বৰ বিভিন্ন প্ৰান্তৰ হাজাৰ হাজাৰ লোক উপস্থিত হয়। এই অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী সুৰেশ গোপী, ৰাজ্যিক গৃহমন্ত্ৰী ৰমেশ চেন্নিথালা, স্বাস্থ্যমন্ত্ৰী কে মুৰলীধৰণৰ লগতে কেইবাজনো সাংসদ, বিধানসভাৰ সদস্য আৰু সামাজিক-সাংস্কৃতিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ সময়ত চলিত বৰ্ষৰ 'অমৃতকীৰ্থী পুৰস্কাৰ' পি শ্ৰীধৰণ পিল্লাইক প্ৰদান কৰা হয়। এই বঁটাত নগদ ১, ২৩, ৪৫৬ টকা, শিল্পী নামবুদিৰীয়ে সাজি উলিওৱা দেৱী সৰস্বতীৰ প্ৰতিমূৰ্তি আৰু এখন উদ্ধৃতি প্ৰদান কৰা হয়। আনুষ্ঠানিক কাৰ্যসূচীৰ পিছত আম্মাই ধ্যান অধিবেশন আৰু ভজন কাৰ্যসূচীৰ নেতৃত্ব দিয়ে। ২৭ তাৰিখে পুৱা ৭.৩০ বজাৰ পৰা মঠৰ উপাধ্যক্ষ তথা আম্মাৰ প্ৰথম শিষ্য স্বামী অমৃতস্বৰূপানন্দ পুৰীৰ সৎসংগৰে কাৰ্যসূচী আৰম্ভ হয়। মূল অনুষ্ঠানৰ পিছত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ লোকে আম্মাক সাক্ষাৎ কৰাৰ সুযোগ লাভ কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰাসকলৰ বাবে ব্যাপক সুবিধাৰ ব্যৱস্থা কৰা হৈছে। নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। ইয়াৰোপৰি যান-জঁটৰ মসৃণ প্ৰবাহ আৰু সকলোৰে বাবে খাদ্য আৰু পানীৰ উপলব্ধতা নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে।

# ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী

নৱেম্বৰ, ২০২৬ তাৰিখে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। এই বিশেষ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখ্য, ভ্ৰমণকালত মুখ্যমন্ত্ৰীগৰাকীয়ে ভাৰত মণ্ডপমৰ প্ৰেক্ষাগৃহসমূহ পৰিদৰ্শন কৰে আৰু সামৰণি অনুষ্ঠানৰ বাবে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বুজ লয়। জ্যেষ্ঠ বিষয়াসকলে মুখ্যমন্ত্ৰীক প্ৰস্তুতিৰ বিভিন্ন দিশ সম্পৰ্কে অৱগত কৰে। জন্ম শতবাৰ্ষিকী উদযাপনৰ অংশ হিচাপে অনুষ্ঠানস্থলীত ড° ভূপেন হাজৰিকাৰ জীৱন, সৃষ্টি আৰু সমসাময়িক সময়ছোৱাক প্ৰতিফলিত কৰা এক সুন্দৰ প্ৰদৰ্শনীও আয়োজন কৰা হ'ব। এই প্ৰদৰ্শনীত সুধাকণ্ঠৰ অপূৰ্ব সাংস্কৃতিক যাত্ৰা, ভাৰতীয় সংগীত আৰু সংস্কৃতিলৈ তেওঁ আগবঢ়োৱা অৱদান তথা চিৰন্তন উত্তৰাধিকাৰ আলোকপাত কৰা হ'ব। পৰিদৰ্শনকালত অতিৰিক্ত মুখ্য সচিব ড° বি কল্যাণ চক্ৰৱৰ্তী, তথ্য আৰু জনসংযোগ বিভাগৰ আয়ুক্ত তথা সচিব পদ্মপাণি বৰা, অসম ভৱনৰ ৰেছিডেণ্ট কমিছনাৰ কৱিতা পদ্মনাভন, বিধায়ক তৰংগ গগৈ, তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক মানৱেন্দ্ৰ দেৱ ৰায়কে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। ইফালে, সামাজিক মাধ্যম 'এক্স'ত মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে, "আমি সুধাকণ্ঠৰ মহান উত্তৰাধিকাৰৰ প্ৰতি শ্ৰদ্ধা জনাই এক অবিস্মৰণীয় শ্ৰদ্ধাঞ্জলিৰ পৰিকল্পনা কৰিছোঁ।" এই বৰ্ষজোৰা অনুষ্ঠানে সুধাকণ্ঠৰ মানৱতা, সামাজিক সংহতি, ভাতৃত্ববোধ আৰু জাতীয় ঐক্যৰ বাৰ্তা বিশ্ববাসীৰ সন্মুখত নতুনকৈ উপস্থাপন কৰাৰ লগতে অসমৰ চহকী সাংস্কৃতিক ঐতিহ্য আৰু ভাৰতৰ সাংস্কৃতিক পৰিধিলৈ ড° হাজৰিকাৰ অনবদ্য অৱদানক নতুন ৰূপত প্ৰতিষ্ঠা কৰিব।

# মুখ্য নিৰ্বাচন আয়ুক্ত বিৰোধী

নিৰ্বাচন আয়োগৰ জবাবদিহিতা থকাটো অত্যন্ত প্ৰয়োজন। তেওঁ ট্ৰিপ্নত্নৰ প্ৰতিবাদলৈ সমৰ্থন জনালেও প্ৰতিবাদস্থলীত শাৰীৰিকভাৱে উপস্থিত নাথাকিব বুলি স্পষ্ট কৰি দিয়ে। 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ'ত প্ৰকাশিত এক প্ৰতিবেদনৰ প্ৰসংগত ৱাংচুকে কয় যে নিৰ্বাচন আয়ুক্ত এছ এছ সান্ধু আৰু বিবেক জোশীয়ে যোৱা ৰজ্ঞ মাহত ভোটাৰ পঞ্জীয়ন, নাম কৰ্তন, নাম অন্তৰ্ভুক্তিকৰণ আৰু ভোটাৰ তালিকাৰ বিশেষ নিবিড় পুনৰীক্ষণ (SIR) সম্পৰ্কীয় সিদ্ধান্তত ১৪ বাৰ লিখিতভাৱে আপত্তি জনোৱা বিষয়টোত স্পষ্টীকৰণ দিয়া উচিত। এই বিষয়ে তেওঁ দাবী উত্থাপন কৰে। তেওঁ লগতে কয়, "মই CJPৰ আন্দোলন সমৰ্থন কৰিছোঁ, কাৰণ এই আন্দোলনসমূহ স্বতঃস্ফূৰ্ত। নিৰ্বাচন সম্পৰ্কীয় বিষয়টোত মানুহ সজাগ হৈছে। সেইটো দেখি মই সুখী। সেয়ে মুখ্য নিৰ্বাচন আয়ুক্তৰ বিষয়টোত প্ৰতিবাদৰ বাবে মই প্ৰতিবাদস্থলীত উপস্থিত থকাটো প্ৰয়োজন নহ'ব বুলি ভাবিছোঁ। যদি নিৰ্বাচনী প্ৰক্ৰিয়াটোৱেই নষ্ট হৈ পৰে, তেন্তে গণতন্ত্ৰত কি থাকিব?" লাডাখক ষষ্ঠ অনুসূচীৰ অধীনত দিয়া প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰি ৱাংচুকে কয়, "চৰকাৰে দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ হ'ব লাগিব। দিয়া প্ৰতিশ্ৰুতি ৰক্ষা হোৱা উচিত।" তেওঁ কয়, "২ অক্টোবৰ এটা অতি পবিত্ৰ দিন। কাৰণ এই দিনটোৱেই মহাত্মা গান্ধীৰ জয়ন্তী। তেখেতৰ শান্তিপূৰ্ণ প্ৰতিবাদৰ পদ্ধতিয়ে মানুহৰ অধিকাৰৰ আন্দোলনসমূহক অনুপ্ৰাণিত কৰিছিল।" উল্লেখ্য, নিৰ্বাচন আয়োগৰ সন্দৰ্ভত চলি থকা বিতৰ্ক আৰু মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগৰ দাবীত CJPয়ে চ অক্টোবৰত মুম্বাইৰ পৰা নিজৰ প্ৰতিবাদ আৰম্ভ কৰাৰ ঘোষণা কৰিছে।

# আহমেদাবাদত দেশৰ প্ৰথম এলএনজি

সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰা হয়। উদ্বোধনী অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে কয়, "আহমেদাবাদ ডিভিজনৰ ৪০৪ কিলোমিটাৰ অংশত ৪১১ কোটি টকা ব্যয় কৰি 'কবচ' ব্যৱস্থা ৰূপায়ণ কৰা হ'ব, যাৰ জৰিয়তে ৰে'লৰ নিৰাপত্তা অধিক সুদৃঢ় হ'ব। সবৰমতীত অৱস্থিত ডব্লিউএজি-ৰচ লোকোম'টিভ সুৰক্ষা ব্যৱস্থাটো ৭০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা হৈছে।" তেওঁ লগতে কয়, "২০২৭-২৮ চনৰ ভিতৰত ১২, ০০০ হৰ্চপাৱাৰ ক্ষমতা সম্পন্ন এই লোকোমোটিভসমূহৰ প্ৰায়p ৩০০টা কাৰ্যক্ষম হ'ব। ইয়াৰ ফলত মালবাহী ৰে'লৰ পৰিবহণ ক্ষমতা বৃদ্ধি পাব আৰু ৰে'ল পৰিবহণলৈ এক নতুন গতি আহিব।" এলএনজিত প্ৰাকৃতিক গেছ অতি কম উষ্ণতাত তৰল অৱস্থাত সংৰক্ষণ কৰা হয়। বিশেষ ক্ৰাইজেনিক ব্যৱস্থাৰ জৰিয়তে এই ইন্ধন ৰে'ল চলাচলত সহায় কৰে। ডিজেল ইলেকট্ৰিকেল মাল্টিপল ইউনিট শচডিইএমইউগ্ন থকাৰ বাবে ৰে'লখন ডিজেল আৰু এলএনজি দুয়োটাৰে সংমিশ্ৰণত চলিব। সেয়ে ইয়াক দ্বৈত ইন্ধনযুক্ত ডিইএমইউ বুলি কোৱা হয়। এই সন্দৰ্ভত শাখা ৰে'লৱেৰ প্ৰবন্ধক বেদ প্ৰকাশে কয়, "এই দ্বৈত ইন্ধন ব্যৱস্থাৰ উদ্দেশ্য হৈছে ডিজেলৰ কিছু অংশ এলএনজিলৈ সলনি কৰা। ইয়াৰ ফলত ৰে'লখনৰ কাৰ্যক্ষমতা অক্ষুণ্ণ ৰাখিয়েই ইন্ধনৰ খৰচ আৰু নিৰ্গমন হ্ৰাস কৰিব পৰা যাব।" তেওঁ উল্লেখ কৰে, "প্ৰতিখন ডিজেল পাৱাৰ কাৰত প্ৰায় ২, ২০০ লিটাৰ ক্ষমতা সম্পন্ন এটা এলএনজি টেংক থাকে। ইয়াত প্ৰায় ৯৫০১ পৰা ১, ০০০ কিগ্ৰা ব্যৱহাৰোপযোগী এলএনজি সংৰক্ষণ কৰিব পৰা যায়। ফলত দৈনিক প্ৰায় চচচ কিলোমিটাৰ দূৰত্বলৈকে ৰে'ল চলোৱা সম্ভৱপৰ হয়। ইয়াৰ ফলত বাৰে বাৰে এলএনজি ভৰোৱাৰ প্ৰয়োজনীয়তা হ্ৰাস পায়।"

# বেদখলমুক্ত সোণাই-ৰূপাইত পুনৰ

ৰেডিঅ' অনুষ্ঠান 'মন কি বাত'ত অসমৰ বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰচেষ্টাৰ কথা উল্লেখ কৰাৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। 'এক্স'ত এটা পোষ্টযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কেইবা দশক ধৰি বেদখলত থকা অঞ্চলসমূহ উদ্ধাৰ কৰি প্ৰকৃতিৰ বাবে মুকলি কৰা হৈছে আৰু সোণাই-ৰূপাইত বন্যপ্ৰাণীৰ বাসস্থান পুনৰুদ্ধাৰৰ কাম অব্যাহত আছে। তেওঁ কয়, "সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যত সংঘটিত হোৱা এই পৰিৱৰ্তন আমাৰ হৃদয়ৰ অতি আপোন।" উদ্ধাৰ কৰা ভূমিত হাতী আৰু অন্যান্য বন্যপ্ৰাণীৰ পুনৰ বিচৰণ আৰম্ভ হোৱাটো সংৰক্ষণৰ ক্ষেত্ৰত আগ্ৰগতিৰ এক উল্লেখযোগ্য নিদৰ্শন বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশ্বৰ অন্যতম বিৰল স্তন্যপায়ী প্ৰাণী পিগমি হগ সংৰক্ষণৰ ক্ষেত্ৰত অসমৰ প্ৰচেষ্টাৰ কথাও উল্লেখ কৰে। এবাৰ বিলুপ্তিৰ সীমাত উপনীত হোৱা এই প্ৰজাতিটোৰ সংখ্যা এতিয়া সংৰক্ষণৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফলত প্ৰায় ২০০লৈ বৃদ্ধি পোৱা বুলি তেওঁ কয়। তেওঁ জনায় যে বৈজ্ঞানিক প্ৰজনন, বাসস্থান পুনৰুদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ লগতে নিৰন্তৰ সংৰক্ষণমূলক পদক্ষেপৰ জৰিয়তে পিগমি হগৰ সংখ্যা বৃদ্ধি কৰা সম্ভৱ হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সংৰক্ষণৰ সফলতাৰ বাবে চৰকাৰ, বিজ্ঞানী, সংৰক্ষণবিদ, বন বিভাগৰ কৰ্মী আৰু স্থানীয় লোকসকলৰ সমন্বিত প্ৰচেষ্টাক কৃতিত্ব দিয়ে। তেওঁ কয় যে অসমৰ বনাঞ্চল আৰু বন্যপ্ৰাণী সুৰক্ষিত কৰি ৰখাটো ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতি আমাৰ দায়িত্ব। বেদখলৰ পৰা ভূমি উদ্ধাৰ কৰা আৰু বন্যপ্ৰাণী সুৰক্ষাৰ বাবে চৰকাৰৰ প্ৰচেষ্টা অব্যাহত থাকিব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, "বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত আমাৰ প্ৰচেষ্টাক স্বীকৃতি দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি মোৰ কৃতজ্ঞতা।"

# ঢৌ তীব্ৰ হ'লে সাগৰত সাঁতুৰি ভাল

দেশজুৰি তীব্ৰ বিতৰ্ক চলি থকাৰ সময়তে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে সামাজিক মাধ্যমত এক ৰহস্যময় পোষ্ট কৰিছে। এক্সত তেওঁ লিখিছে, "ঢৌবোৰ তীব্ৰ হ'লে মই সাগৰত সাঁতুৰি ভাল পাওঁ। ই মোক এইটো শিকায় যে কেতিয়াবা অস্থিৰতাও এক প্ৰকাৰৰ শান্তি।" উল্লেখ্য, নিৰ্বাচন আয়ুক্ত সুখবীৰ সিং সান্ধু আৰু বিবেক যোশীয়ে এছআইআৰ সম্পৰ্কীয় বিষয়ত আপত্তি দাখিল কৰা বুলি সংবাদ মাধ্যমত বাতৰি প্ৰকাশৰ পিছতে নিৰ্বাচন আয়োগৰ কাৰ্যকলাপক লৈ দেশজুৰি প্ৰশ্ন উত্থাপিত হৈছে। এনে সময়তে ৰাহুল গান্ধীৰ এই পোষ্টটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। কাৰণ বিগত বছৰবোৰত কংগ্ৰেছ আৰু ৰাহুল গান্ধীয়ে ভোট চুৰিৰ প্ৰসংগ উত্থাপন কৰি আহিছে। নিৰ্বাচনত অনিয়মৰ অভিযোগো তেওঁলোকে কৰি আহিছে। শেহতীয়াকৈ নিৰ্বাচন আয়োগৰ ভিতৰচ'ৰাৰ মতানৈক্য সন্দৰ্ভত প্ৰকাশিত বাতৰিও সেই অভিযোগৰ প্ৰমাণ বুলি কংগ্ৰেছ আৰু ৰাহুল গান্ধীয়ে দাবী কৰিছে। ইয়াৰ পূৰ্বেও ৰাহুল গান্ধীয়ে নিৰ্বাচন আয়োগে চৰকাৰৰ কথা মতে কাম কৰে বুলি অভিযোগ কৰিছিল। তেওঁৰ অভিযোগ আছিল যে নিৰ্বাচন আয়োগৰ জৰিয়তে বিজেপিয়ে ভোট চুৰি কৰি নিৰ্বাচনত জয়ী হৈছে। ভোট চুৰি কৰি চৰকাৰে বিভিন্ন বেআইনী কাম সংঘটিত কৰিছে। তেওঁৰ মতে, ভোট চুৰিৰ জৰিয়তে এজন সাংসদে অবৈধভাৱে আসন দখল কৰে আৰু সেই সাংসদৰ সমৰ্থনত গৃহীত প্ৰতিখন আইনেই অবৈধ আইন। ইতিমধ্যে কংগ্ৰেছ দলে দেশজুৰি প্ৰতিবাদৰ জৰিয়তে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক অপসাৰণৰ দাবী জনাইছে। এছআইআৰক লৈ অধিক প্ৰতিবাদী কাৰ্যসূচীৰ বাবে কংগ্ৰেছে ইণ্ডিয়া ব্লকৰ বিৰোধী দলসমূহক একত্ৰিত কৰাৰো প্ৰচেষ্টা চলাইছে। এই বিষয়টোত অহা ৩০ ছেপ্টেম্বৰত ইণ্ডিয়া ব্লকৰ বৈঠক অনুষ্ঠিত হোৱাৰ কথা আছে। সেই বৈঠকত দলসমূহে এছআইআৰক লৈ প্ৰতিবাদ, নিৰ্বাচন আয়োগৰ সংস্কাৰ আৰু মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে পুনৰ সন্মিলিতভাৱে আপত্তি দাখিলৰ কৌশল সন্দৰ্ভত আলোচনা কৰাৰ সম্ভাৱনা আছে।

# পৰ্যটন খণ্ডক নতুন ৰূপ দিবলৈ

হাছাও জিলাৰ উমৰাংছ'ত আজি প্ৰথমবাৰৰ বাবে ৰাজ্যিক পৰ্যায়ৰ বিশ্ব পৰ্যটন দিৱসৰ আয়োজন কৰা হয়। ডিমা হাছাওৰ প্ৰাকৃতিক সৌন্দৰ্য, সাংস্কৃতিক ঐতিহ্য আৰু পৰ্যটনস্থলী হিচাপে ইয়াৰ সম্ভাৱনাৰ ওপৰত আলোকপাত কৰাৰ উদ্দেশ্যে আয়োজিত এই দিনজোৱা কাৰ্যসূচীৰ অংশ হিচাপে পৰিচ্ছন্নতা অভিযান, আলোচনা, গছপুলি ৰোপণ আৰু সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। আজিৰ কাৰ্যসূচীত অসমত পৰ্যটন আৰু পাহাৰীয়া পৰ্যটনক নৱৰূপ দিয়াৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিজিটেল কাৰ্যসূচীকে ধৰি বহু বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশ্ব পৰ্যটন দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

# নগাঁও লোকসভা উপ-নিৰ্বাচনক লৈ শান্তি-শৃংখলা বজাই ৰখাৰ বাবে সজাগতা অভিযান

**অসম বাৰ্তা, নগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিৰাপদভাৱে সম্পন্ন কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চলত ব্যাপক সজাগতা অভিযান চলোৱা হৈছে। জনসংযোগ বিভাগৰ জৰিয়তে মাইকিং ব্যৱস্থাৰে দিনে-নিশাই ৰাইজক সজাগ কৰাৰ লগতে শান্তি-শৃংখলা বিনষ্ট কৰিব পৰা অসামাজিক তথা অপ্ৰীতিকৰ কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ সতৰ্কবাণী প্ৰদান কৰা হৈছে। জিলা প্ৰশাসনে কোনো সন্দেহজনক কাৰ্যকলাপ বা শৃংখলাভংগৰ ঘটনা পৰিলক্ষিত হ'লে তৎকালীনভাৱে সংশ্লিষ্ট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অথবা নিকটৱৰ্তী আৰক্ষী থানাত অৱগত কৰিবলৈ ৰাইজক আহ্বান জনাইছে। ইফালে স্পৰ্শকাতৰ অঞ্চলসমূহত আৰক্ষীৰ তহলদাৰীও বৃদ্ধি কৰা হৈছে। আৰক্ষীৰ এই তৎপৰতাৰ জৰিয়তে একাংশ অসামাজিক শক্তিক সতৰ্ক কৰাৰ লগতে সাধাৰণ ৰাইজৰ মাজত নিৰাপত্তাৰ অনুভূতি আৰু আস্থা বৃদ্ধি কৰাৰ প্ৰচেষ্টা চলোৱা হৈছে। উপ-নিৰ্বাচনৰ সময়ছোৱাত জিলাখনত শান্তিপূৰ্ণ পৰিৱেশ অটুট ৰখাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

### নিৰ্বাচনী প্ৰস্তুতি আৰু নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনা

# নগাঁও জিলা আয়ুক্তৰ বিভিন্ন স্থান পৰিদৰ্শন

**অসম বাৰ্তা, নগাঁও, ২৭ ছেপ্টেম্বৰ ঃ** ৯নং নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি নিৰ্বাচনী প্ৰস্তুতি আৰু নিৰাপত্তা ব্যৱস্থাৰ বুজ ল'বলৈ আজি বিভিন্ন স্থান পৰিদৰ্শন কৰে নগাঁও জিলা আয়ুক্ত আৰণ্যক শইকীয়াই। ৰহা, নগাঁও-বটদ্ৰৱা, ধিং আৰু চামগুৰি বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত উপস্থিত হৈ জিলা আয়ুক্তগৰাকীয়ে চলি থকা নিৰ্বাচনী প্ৰস্তুতিৰ লগতে সামগ্ৰিক নিৰাপত্তা পৰিস্থিতি চৰজমিনভাৱে পৰ্যবেক্ষণ কৰে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী, ৰহা সম জিলাৰ আয়ুক্ত, ৰাজহ চক্ৰ বিষয়াসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত পৰ্যালোচনাত উপ-নিৰ্বাচন প্ৰক্ৰিয়াটো শান্তিপূৰ্ণ, অবাধ আৰু নিৰাপদভাৱে সম্পন্ন কৰাৰ বাবে প্ৰশাসনৰ প্ৰস্তুতিৰ বুজ লোৱা হয়। পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীয়ে নিৰ্বাচনী কামত ব্যৱহৃত স্থানসমূহত সুৰক্ষিত খোৱাপানী, বিদ্যুৎ সংযোগ আৰু শৌচালয়ৰ দৰে মৌলিক সুবিধাসমূহ নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। ইফালে জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সৈতে আলোচনাত সংবেদনশীল আৰু সীমান্তৱৰ্তী অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। লগতে ফ্লায়িং স্কোৱাড আৰু ষ্টেটিক ছাৰ্ভিলেন্স টিমসমূহক নিৰ্বাচনী বিধি অনুসৰি সক্ৰিয় হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়।

# নীলবাগানত ইয়াহইয়া আহমদ বৰভূঞাৰ তৃতীয়খন গৱেষণামূলক গ্ৰন্থ উন্মোচন




**অসম বাৰ্তা, ডবকা, ২৭ ছেপ্টেম্বৰ ঃ** বিশিষ্ট লেখক আলহাজ ইয়াহইয়া আহমদ বৰভূ এঞাৰ তৃতীয়খন গৱেষণামূলক গ্ৰন্থ 'সৰ্বক্ষেত্ৰত কোৰআনৰ প্ৰাসংগিকতা' আজি হোজাই জিলাৰ নীলবাগানস্থিত মাদ্ৰাছা-ই জালিলীয়াত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। সদৌ অসম তালিমী তৰক্কী ব'ৰ্ডৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট ইছলামিক পণ্ডিত মওলানা মুফতী মুজাহিদুল ইছলাম ক্বাছিমীয়ে গ্ৰন্থখন উন্মোচন কৰে। হাজী আনফৰ আলী মহাবিদ্যালয়ৰ অধ্যাপক ড° নজৰুল হক বৰভূ এঞাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ইছলামিক পণ্ডিত, শিক্ষক, চিকিৎসক, সাংবাদিককে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত সদৌ অসম ইমাম পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি মওলানা মুফতী ছেলিম উদ্দিন ক্বাছিমী, পিৰে কামিল শ্বেখ আব্দুল লতিফ আহমদী, মওলানা মুজিবুৰ ৰহমান ক্বাছিমী, মওলানা গীয়াছ উদ্দিন ক্বাছিমী, ড° আব্দুছ ছামাদ গণী, মওলানা ৰশীদ আহমদ, ডাঃ খালিকুজ জামাল চৌধুৰী, ডাঃ আনোৱাৰ হুছেইন, অধ্যাপক ৰশীদ আহমদ, নীলবাগান উঃমাঃ বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মুহাম্মাদ বৰভূঞা, ডবকা উঃমাঃ বিদ্যালয়ৰ অধ্যক্ষ বদৰুল ইছলাম বেগ, অজু'ৰ হোজাই জিলা সাংবাদিক সন্থাৰ সভাপতি আব্দুল হাকিম, জ্যেষ্ঠ সাংবাদিক তথা কবি জমিৰ উদ্দিন তালুকদাৰ আৰু মুছলিম ছাত্ৰ সন্থা অসমৰ সভাপতি আশিক ৰব্বাণী উপস্থিত থাকে। অনুষ্ঠানত গ্ৰন্থখনৰ বিষয়বস্তু আৰু কোৰআনৰ বিভিন্ন দিশৰ প্ৰাসংগিকতা সন্দৰ্ভত আলোচনা কৰা হয়। লেখক আলহাজ ইয়াহইয়া আহমদ বৰভূএঞাই কয় যে শিক্ষিত সমাজ, গৱেষণাৰত ছাত্ৰ-ছাত্ৰী, ইছলাম আৰু কোৰআন সম্পৰ্কে ভুল ধাৰণা থকা লোকৰ লগতে সৃষ্টি জগতৰ ৰহস্য অন্বেষণ কৰা লোকসকলৰ বাবেও গ্ৰন্থখন জ্ঞান আহৰণৰ এক গুৰুত্বপূৰ্ণ সমল হ'ব পাৰে। গ্ৰন্থখন সন্দৰ্ভত বক্তব্য ৰাখি মওলানা মুফতী মুজাহিদুল ইছলাম ক্বাছিমীয়ে কয় যে তেওঁ গ্ৰন্থখন ভালদৰে অধ্যয়ন কৰিছে আৰু গ্ৰন্থপ্ৰেমী ৰাইজে গ্ৰন্থখন আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে আৰবী ভাষাৰ যথেষ্ট জ্ঞান থকা বহু লোকেও কোৰআনৰ ব্যাখ্যা আগবঢ়াব পাৰে যদিও ব্যাখ্যাৰ ক্ষেত্ৰত ভুল বা অৰ্থ বিকৃতি ঘটাৰ সম্ভাৱনা থাকে। এনে ভুল সাধাৰণ পাঠকৰ বাবে ধৰা পেলোৱাটো কঠিন বুলি উল্লেখ কৰি তেওঁ কোৰআন আৰু হাদিছৰ ব্যাখ্যা আগবঢ়োৱাৰ ক্ষেত্ৰত প্ৰশিক্ষিত আৰু বিজ্ঞ আলিমৰ জ্ঞান-অভিজ্ঞতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

## বৃটিছ শাসিত ভাৰতবৰ্ষতে ৰাইজক সজাগ আৰু জনচেতনা জাগ্ৰত কৰাৰ ক্ষেত্ৰত সাংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল ঃ ড° সৌমাৰজ্যোতি মহন্ত

# শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ, শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱসটি আজি এদিনীয়া কাৰ্যসূচীৰে সফলতাৰে সম্পন্ন হৈ যায়। পুৱা জেঙণিকটীয়াস্থিত কাৰ্যালয়ৰ প্ৰাংগণত সংস্থাৰ পতাকা উত্তোলন কৰে সংস্থাৰ সভাপতি কুমাৰ অভিজিৎ দুৱৰাই। পতাকা উত্তোলন অনুষ্ঠানত সম্পাদক অনন্ত স্মিথৰ লগতে জ্যেষ্ঠ সাংবাদিক ইনামুল হাজৰিকা, মণিৰুল ইছলাম বড়া, অতনু বৰা, অনিল গুপ্তা, মুস্তাকুৰ ৰহমান, জয়জ্যোতি গগৈ, ৰাজকুমাৰ কনচেঙকে ধৰি সাংবাদিকসকল উপস্থিত থাকে। আনহাতে দিনৰ ১১ বজাত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত 'সু-প্ৰশাসনত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বন্তি প্ৰজ্বলনৰ পাছতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ সম্পাদক অনন্ত স্মিথে ৬২ বছৰীয়া সুদীৰ্ঘ যাত্ৰাৰ এক চমু আভাস দাঙি ধৰাৰ লগতে বীৰেন বৰকটকী, কমলা শইকীয়া, গুণ বৰুৱা, প্ৰদীপ দত্ত, সোমেশ ডেকা, মনোজ বৰঠাকুৰে কেনেদৰে সংস্থাক এক গতি প্ৰদান কৰিছিল সেই কথা উল্লেখ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিৱসাগৰৰ অতিৰিক্ত আয়ুক্ত লুকুমণি বৰাই কয় যে, জীৱন সম্পৰ্কত কথাবোৰ জুকিয়াই চাই ঠিকমতে কামবোৰ কৰিছোনে নাই সেই সম্পৰ্কত চিন্তা কৰাৰ প্ৰয়োজন। লগতে তেওঁ কয় যে, আমাৰ নিজৰ ভিতৰতে বহু উত্তৰ থাকে। আমি প্ৰকৃততে সমাজৰ বাবে দায়বদ্ধ হৈছোনে, আমাৰ মাজৰ পৰা মানৱীয়তা হেৰাই গৈছে বুলিও মত প্ৰকাশ কৰে। পৰস্পৰৰ প্ৰতি সহায়ৰ হাত কেনেকৈ আগবঢ়াব পাৰি সেই কথাও চিন্তা কৰাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰে। তদুপৰি সামাজিক মাধ্যম সম্পৰ্কত কয় যে, আমি নেতিবাচক চিন্তা আগবঢ়াই দিছো, ইতিবাচক চিন্তাইহে উদ্যম আনে। সমাজক ভাল চিন্তা দি থৈ যোৱাটোহে মূল কথা বুলি কয় অতিৰিক্ত আয়ুক্তগৰাকীয়ে। শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ ড° প্ৰতিম শৰ্মাই সাংবাদিকসকলক অতন্দ্ৰ প্ৰহৰী আখ্যা দি তেওঁলোকে সু-প্ৰশাসনত অৰিহণা আগবঢ়াই বুলি মন্তব্য কৰে। লগতে শৰ্মাই সাংবাদিকতাৰ জগতখন ভাললগা আৰু প্ৰত্যাহ্বানমূলক বুলি কয়। অধ্যক্ষগৰাকীয়ে নতুন প্ৰজন্মক উদ্দেশ্যি কয় যে, কলম-কাগজ আৰু কিতাপৰ সুকীয়া অনুভৱে আমাৰ চিন্তাৰ শ্ৰোতক ত্বৰান্বিত কৰে। মানুহৰ চিন্তাৰ লগত সমানে আগবাঢ়ি যোৱা এ আই এদিন ক্ৰিয়েটৰ হ'বগৈ। ইয়াৰ প্ৰভাৱত ক্ৰমে নোহোৱা হ'বলৈ ওলোৱা মানৱীয় গুণসমূহ উদ্ধাৰ কৰিবলৈ আলোচনা-সমালোচনাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰে অধ্যক্ষগৰাকীয়ে। জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াই সংস্থাই আয়োজন কৰা চিঠিৰ প্ৰসংগ উল্লেখ কৰি স্মৃতিকাতৰ হৈ চিঠি অন্য এক সুখানুভূতি বুলি মন্তব্য কৰে। প্ৰতিযোগিতাৰ চিঠি পঢ়ি নতুন প্ৰজন্মৰ হাতৰ পৰা সেই কলা আঁতৰি নোযোৱা বাবে প্ৰশংসা কৰে তেওঁ। আৰক্ষী বিষয়াগৰাকীয়ে লগতে কয় যে, জীয়াই থকাৰ উদ্দেশ্য নহ'লে জীৱনটো যাপনহে কৰিব পাৰি উদযাপন কৰিব নোৱাৰি। সৰু ঘৰুৱা কাম এটাৰে আমি দিনটো আৰম্ভ কৰিব পাৰো। জীৱনলৈ নিয়মানুৱৰ্তিতা আহিলেহে আমি এক পথ বিচাৰি পাম। আনহাতে সাংবাদিকসকলক উদ্দেশ্যি কয় যে, আৰক্ষী আৰু সাংবাদিকতাৰ ভিন্ন পথ যদিও সমাজৰ উত্তৰণৰ বাবে কাম কৰি যাওঁ। সমাজখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সাংবাদিকসকলক প্ৰশংসা কৰি তেওঁ গঠনমূলক সমালোচনাৰে আগবাঢ়ি যাব বুলি মন্তব্য কৰে। ইফালে 'সু-প্ৰশাসনত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক বিষয়ত ভাষণ আগবঢ়াই শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ তথা নিবন্ধকাৰ ড° সৌমাৰজ্যোতি মহন্তই গণতন্ত্ৰৰ 'চতুৰ্থ স্তমভ' শব্দটোৰ ব্যাখ্যা দাঙি ধৰাৰ লগতে কয় যে, বৃটিছ শাসিত ভাৰতবৰ্ষত ৰাইজক সজাগ কৰা আৰু জনচেতনা জাগ্ৰত কৰাৰ ক্ষেত্ৰত সংবাদমাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, গোপালকৃষ্ণ ঘোষলেকে ধৰি স্বাধীনতা আন্দোলনৰ সেনানীসকল সংবাদমাধ্যমৰ সৈতে জড়িত আছিল আৰু বৃটিছৰ অন্যায়-অনীতি উন্মোচিত কৰিছিল। ২০১০ চনত ভাৰতত শিক্ষাৰ অধিকাৰ আইন ভাৰতবৰ্ষত প্ৰণয়ন হৈছিল কিন্তু গোপালকৃষ্ণ ঘোষলে ১২০ বছৰৰ পূৰ্বেই সংসদত উত্থাপন কৰিছিল। তেওঁ ভাৰতীয়সকলক শিক্ষিত কৰিবলৈ হ'লে প্ৰাথমিক শিক্ষা বাধ্যতামূলক, বিনামূলীয়া আৰু সহজলভ্য কৰিব লাগিব বুলি তেতিয়াই অনুভৱ কৰিছিল বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ লগতে কয় যে, স্বাধীনতাৰ পাছত প্ৰত্যেকখন পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বিভিন্ন আসোঁৱাহ, বিভিন্ন দিশ সংবাদ মাধ্যমে এনেদৰে একনিষ্ঠভাৱে, নিৰপেক্ষভাৱে, যুক্তিনিষ্ঠভাৱে বিশ্লেষণ কৰিছিল যে সমকালীন প্ৰতিখন চৰকাৰে সংবাদমাধ্যমক শ্ৰদ্ধা জনাবলৈ বাধ্য হৈছিল। সংবাদমাধ্যমে প্ৰশাসনৰ বিভিন্ন দিশো সময়ে সময়ে উন্মোচিত কৰি আহিছে। ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থাত কিধৰণে সংবাদ মাধ্যমক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰা হৈছিল। শাসকীয় চৰকাৰৰ নীতিৰ বিৰুদ্ধে সংবাদ মাধ্যমে সম্পাদকীয় পৃষ্ঠা উকা কৰি ৰাখিবলৈ সাহস কৰিছিল। সময়ৰ লগে লগে সংবাদ মাধ্যমলৈ আমূল পৰিৱৰ্তন আহিছে। সত্তৰৰ দশকৰ আৰম্ভণিলৈকে বাতৰিকাকতেই সংবাদ প্ৰকাশ কৰাৰ একমাত্ৰ আহিলা আছিল। তেতিয়া বাতৰি কাকতৰ পৃষ্ঠাই অতীতক সামৰি, বৰ্তমানক আকোৱালি লৈ ভৱিষ্যতৰ গতিপথ নিৰ্ণয় কৰিছিল। সংবাদ মাধ্যমৰ সবল স্থিতি, নিৰপেক্ষ ভূমিকা, দায়বদ্ধতাৰ ভাৱ সমকালীন সংবাদ মাধ্যমৰ যোগেদি প্ৰতিফলিত হৈছিল। সংবাদ মাধ্যমলৈ নতুনত্ব আহিল। নিউ মেডিয়া, ডিজিটেল মেডিয়া, ফ্ৰণ্টলাইন মেডিয়াৰ লগতে নাগৰিক সাংবাদিকতা সক্ৰিয় হৈ পৰিল। মূল সাংবাদিকতাৰ ট্ৰেণ্ডটোতো পৰিৱৰ্তন ঘটিবলৈ ধৰিলে। সংবাদমাধ্যমৰ ধাৰাটোত অংশগ্ৰহণকাৰীৰ সংখ্যা অভাৱনীয় হাৰত বৃদ্ধি পালে। ইফালে সংবাদমাধ্যমক সাংস্কৃতিক, ৰাজনৈতিক, সামাজিক বিতৰ্কৰ প্লেটফৰ্ম হিচাপে ব্যৱহাৰ কৰিবলৈ ল'লে। ভাষণ প্ৰসংগত তেওঁ জেছমিন ৰিভলিউচন, প'ষ্ট ট্ৰুথৰ কথাও উল্লেখ কৰে। তেওঁ পুনৰ কয় যে, প্ৰশাসনৰ বিভিন্ন দিশ আলোচনা-পৰ্যবেক্ষণ কৰি তাৰ লগত আমাৰ বিশ্লেষণাত্মক দিশটো সংযোজন কৰি মানুহৰ আৰু সমাজৰ উন্নয়নৰ কাৰণে যেনেদৰে ধাৱমান হ'ল লাগে তাক যেন যতি পৰিছে বুলি বিশ্লেষকসকলে ক'বলৈ আৰম্ভ কৰিছে বুলি মন্তব্য কৰে ড° সৌমাৰজ্যোতি মহন্তই। ইফালে অনুষ্ঠানৰ লগত সংগতি ৰাখি শিৱসাগৰ জিলা আয়ুক্তক উদ্দেশ্য কৰি জিলাখনৰ বিভিন্ন সমস্যাক বিষয় হিচাপে লৈ বিদ্যালয়ত পৰ্যায়ত আয়োজন কৰা চিঠি লিখা প্ৰতিযোগিতাত প্ৰথম সৌৰভ দত্ত (দুৰ্লভ চন্দ্ৰ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়), দ্বিতীয় ৰাখী দাস (গৌৰীসাগৰ চিনিয়ৰ ছেকেণ্ডেৰী স্কুল), তৃতীয় ৰিচিকা গগৈ (বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়), চতুৰ্থ ঋষিৰাজ বুঢ়াগোহাঁই (বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়) আৰু পঞ্চম স্থান লাভ কৰা সুকন্যা বুঢ়াগোহাঁই (ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়)ক নগদ ধন, কিতাপৰ টোপোলা, প্ৰশংসা পত্ৰৰে পুৰস্কৃত কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যাপিকা সৃষ্টিপৰ্ণা ৰাজখুৱাই আঁত ধৰা অনুষ্ঠানত নিবন্ধকাৰ চামচুল বাৰিক, অধ্যাপক সঞ্জয় দাস, ড° ৰণ্টু বৰগোহাঁই, ড° সীমান্ত বৰুৱা, জ্যেষ্ঠ সাংবাদিক হৰেশ বৰুৱা, ভৈৰৱ মুণ্ডা, শিৱ গগৈ, মনোজ কুমাৰ গগৈ, ৰাতু কুমাৰ দাসৰ লগতে মুক্তাৰ হুছেইন, প্ৰদীপ খেমকা, ৰূপচান্দ কৰনানীকে ধৰি ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# "মোৰ স্বাস্থ্য, মোৰ গৌৰৱ" অভিযানৰ অধীনত কলগাছিয়াস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু সজাগতা সভা

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৭ ছেপ্টেম্বৰ ঃ** "নিচামুক্ত যুৱ সমাজ, বিকশিত ভাৰত" অভিযানৰ অধীনত অনুষ্ঠিত "১০০ দেওবৰীয়া অভিযান"ৰ অংশ হিচাপে আজি ভাৰতৰ সহযোগত কলগাছিয়াস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ত "মোৰ স্বাস্থ্য, মোৰ গৌৰৱ" শীৰ্ষক এক স্বাস্থ্য পৰীক্ষা শিবিৰ তথা সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানটোত প্ৰায় ১০০ গৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীটোৰ মূল উদ্দেশ্য আছিল স্বাস্থ্যকৰ জীৱনশৈলী, ৰোগ প্ৰতিৰোধমূলক স্বাস্থ্য সেৱা আৰু নিচাযুক্ত দ্ৰব্য সেৱনৰ ফলত শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ওপৰত পৰা ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে যুৱ সমাজৰ মাজত সজাগতা সৃষ্টি কৰা। অনুষ্ঠানৰ অংশ হিচাপে অংশগ্ৰহণকাৰী যুৱক-যুৱতীসকলৰ বিস্তৃত স্বাস্থ্য পৰীক্ষা কৰা হয়। বিভিন্ন বিশেষজ্ঞ চিকিৎসা বিভাগৰ চিকিৎসকসকলে অংশগ্ৰহণকাৰীসকলক চিকিৎসা পৰামৰ্শ আৰু স্বাস্থ্যসেৱা আগবঢ়ায়। ইয়াৰ ভিতৰত মনোৰোগ, সাধাৰণ চিকিৎসা, প্ৰসূতি আৰু স্ত্ৰীৰোগ, শিশুৰোগ আৰু দন্ত চিকিৎসা আদি বিভাগৰ চিকিৎসক উপস্থিত আছিল। ইয়াৰ উপৰি অনুষ্ঠিত সজাগতা সভাত সুষম পুষ্টি, নিয়মীয়া শাৰীৰিক ব্যায়াম, স্বাস্থ্যকৰ জীৱনশৈলী আৰু ৰোগ প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা হয়। অংশগ্ৰহণকাৰীসকলক নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু আসক্তিৰ ফলত হ'ব পৰা হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী স্বাস্থ্যজনিত ক্ষতিৰ বিষয়ে সজাগ কৰা হয়। লগতে নিচামুক্ত জীৱন যাপনৰ বাবে সময়মতে উপযুক্ত সহায় আৰু পেছাদাৰী চিকিৎসা সেৱা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে যুৱ সমাজক স্বাস্থ্যকৰ অভ্যাস গ্ৰহণ, সচেতন সিদ্ধান্ত গ্ৰহণ আৰু সুস্থ তথা নিচামুক্ত জীৱন যাপন কৰিবলৈ উৎসাহিত কৰাৰ লগতে বিকশিত ভাৰতৰ লক্ষ্যত অৰিহণা যোগোৱাৰ প্ৰয়াস কৰা হয়। এই উদ্যোগে যুৱ সমাজৰ স্বাস্থ্য সুৰক্ষা, ৰোগ প্ৰতিৰোধমূলক স্বাস্থ্য সেৱা আৰু নিচামুক্ত ভাৰত গঢ়াৰ লক্ষ্য বাস্তৱায়নৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগ আৰু সহযোগী সংস্থাসমূহৰ দায়বদ্ধতাক পুনৰ দৃঢ় কৰে।

# গোলকগঞ্জত চোৰাং কাঠভৰ্তি বাহন; জব্দ, এজন আটক



**অসম বাৰ্তা, গোলকগঞ্জ, ২৭ ছেপ্টেম্বৰ ঃ** অসমৰ বনজ সম্পদ ধ্বংস কৰি অবৈধভাৱে পশ্চিমবংগলৈ কাঠ সৰবৰাহ কৰাৰ অভিযোগৰ মাজতে গোলকগঞ্জত আৰক্ষীয়ে অভিযান চলাই চোৰাং কাঠভৰ্তি এখন বাহন জব্দ কৰাৰ লগতে এজন লোকক আটক কৰে। যোৱা নিশা অসমৰ পৰা চোৰাং কাঠ কঢ়িয়াই পশ্চিমবংগ অভিমুখে গৈ থকা WB-57-E-5585 নম্বৰৰ এখন পিকআপ ভেন গোলকগঞ্জ টাৰ্ণিঙত এটা ছাত্ৰ সংগঠনৰ একাংশ সদস্যই আটক কৰে। ইয়াৰ পিছত বাহনখন উচিতাৰ মালাকাৰপাৰালৈ লৈ যোৱা হয়। তাত দৰ-দাম চলি থকাৰ সময়তে গোলকগঞ্জ আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে কাঠভৰ্তি পিকআপ ভেনখন জব্দ কৰাৰ লগতে চালকজনক আটক কৰে। আটকাধীন চালকজন হলাকুৰা থানাৰ অন্তৰ্গত গৰেৰহাটৰ জিয়াৰুল হকবুলি জানিব পৰা গৈছে। আৰক্ষীৰ জেৰাত লাভ কৰা তথ্য অনুসৰি, বাপ্পা নামৰ এজন লোক এই কাঠ সৰবৰাহ চক্ৰৰ মূল ব্যক্তিসকলৰ সৈতে জড়িত থকাৰ কথা পোহৰলৈ আহিছে। অৱশ্যে, অভিযানৰ সময়ত বাপ্পাই পলাই যাবলৈ সক্ষম হয়। প্ৰাথমিক তদন্ত অনুসৰি, জব্দ কৰা বলেৰ' বাহনখন বালাজানৰ পৰা পশ্চিমবংগ অভিমুখে গৈ আছিল। উক্ত ঘটনাৰ সন্দৰ্ভত গোলকগঞ্জ আৰক্ষীয়ে বাহন, কাঠ সৰবৰাহৰ পথ আৰু জড়িত লোকসকলৰ বিষয়ে অধিক তথ্য সংগ্ৰহ কৰি তদন্ত অব্যাহত ৰাখিছে।

# টংলাৰ বিশিষ্ট নাগৰিক হৰকান্ত চহৰীয়াৰ পৰলোকপ্ৰাপ্তি; টংলাত শোক

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৭ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ টংলা চিত্ৰনগৰ নিবাসী বিশিষ্ট নাগৰিক, জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-সংমণ্ডল বিষয়া তথা অসমীয়া খবৰ কাকতৰজন সম্পৰ্কৰক্ষী বিষয়া প্ৰণৱজ্যোতি চহৰীয়াৰ পিতৃ হৰকান্ত চহৰীয়াৰ আজি পুৱতি নিশা ৩ বজাত বাৰ্ধক্যজনিত কাৰণত নিজ গৃহত পৰলোকপ্ৰাপ্তি ঘটে। ৯৮ বছৰ বয়সত মৃত্যু ঘটা হৰকান্ত চহৰীয়াই ১৯২৮ চনৰ ৩ নৱেম্বৰত ছিপাঝাৰ মৌজাৰ বৃহৎ ভুক্তাবাৰী গাঁৱৰ শীতলাবড়িত জন্ম গ্ৰহণ কৰিছিল। টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ৰমেশ চন্দ্ৰ চহৰীয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, টংলা সঙ্গীত মহাবিদ্যালয়, সদৌ টংলা ৰঙালী বিহু সন্মিলনীৰ প্ৰতিষ্ঠাপক সভাপতি, টংলা জ্যেষ্ঠ নাগৰিক সন্মিলন আদি বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত হৈ সমাজ সেৱকৰূপে সকলোৰে সমাদৰ লাভ কৰা চহৰীয়াৰ মৃত্যুত টংলা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তিনি পুত্ৰ-বোৱাৰী, এগৰাকী জী-জোঁৱাইৰ লগতে নাতি-নাতিনীসহ বহুসংখ্যক আত্মীয়ক ইহসংসাৰত এৰি গৈছে। ছিপাঝাৰ মজলীয়া বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি ক্ৰমে ছিপাঝাৰ উচ্চ ইংৰাজী স্কুল, মঙ্গলদৈ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত বিজ্ঞান শাখাৰ পৰা ১৯৫২ চনত আই এচ চি পৰীক্ষা সাং কৰে। তেওঁ অসম অভিযান্ত্ৰিক বিদ্যালয়ৰ পৰা ১৯৫৬ চনত শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৫৭ চনত সহ অভিযন্তা হিচাপে তেজপুৰত ই এণ্ড ডি বিভাগত যোগ দিছিল। তাৰ পাচত তেজপুৰ, ঢেকিয়াজুলি, ওৰাং, নলবাৰী, শিলচৰ, মঙ্গলদৈ আদি ঠাইত কাৰ্যনিৰ্বাহ কৰি ১৯৭০ চনত সহকাৰী কাৰ্যবাহী অভিযন্তা হিচাপে পদোন্নতি লাভ কৰি মঙ্গলদৈ জলসিঞ্চন বিভাগৰ কাৰিকৰী সহ কাৰ্যবাহী অভিযন্তা পদত অধিষ্ঠিত হৈ পৰৱৰ্তী সময়ত ছয়গাঁও, মঙ্গলদৈ, টংলা, ওদালগুৰি, পূব মঙ্গলদৈৰ উপসংমণ্ডল বিষয়া হিচাপে দায়িত্ব পালন কৰি ১৯৯০ চনত মঙ্গলদৈ উপসংমণ্ডল বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। তেখেতৰ মৃত্যুৰ খবৰ পোৱাৰ পিছতে বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধি তেখেতৰ বাসগৃহত হৈ চহৰীয়াদেৱৰ নশ্বৰদেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পাছত তেখেতৰ নশ্বৰ দেহ টংলা সাহিত্য সভা ভৱনলৈ নিয়া হয়। তাত টংলা সাহিত্য সভা আৰু ওদালগুৰি জিলা সাহিত্য সভাই পুষ্পাঞ্জলিৰে অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে। শেষত টংলাৰ ১নং ৱাৰ্ডৰ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# সৰুপথাৰত সোণ-ৰূপৰ আ-অলংকাৰসহ গ্ৰেপ্তাৰ ৫ জনকৈ দুৰ্ধৰ্ষ চোৰ



**অসম বাৰ্তা, সৰুপথাৰ, ২৭ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ অন্তৰ্গত সৰুপথাৰ অঞ্চলত দীৰ্ঘদিন ধৰি সাধাৰণ ৰাইজৰ মাজত তীব্ৰ সন্ত্ৰাসৰ সৃষ্টি কৰি অহা এটা দুৰ্ধৰ্ষ চোৰৰ চক্ৰক অৱশেষত সৰুপথাৰ আৰক্ষীয়ে এক সফল অভিযানৰ জৰিয়তে উৎখাত কৰিবলৈ সক্ষম হৈছে। আটকাধীন চুৰকেইজন ছৰিফ আলি, আহাদ আলি, চাহিল আহমেদ, আবজল হুছেইন, চবিবুল আলি। বিগত যথেষ্ট দিন ধৰি এই চক্ৰটোৱে অঞ্চলটোৰ বিভিন্ন স্থানৰ পৰা সোণ-ৰূপৰ মূল্যৱান আ-অলংকাৰকে ধৰি অন্যান্য বহুমূলীয়া সা-সামগ্ৰীসমূহ নিৰ্বিঘ্নে লুটি নিছিল, যাৰ ফলত স্থানীয় ৰাইজৰ মাজত এক আতংকময় পৰিৱেশে বিৰাজ কৰিছিল। শেহতীয়াকৈ সৰুপথাৰৰ চুলতানা বেগম নামৰ এগৰাকী স্থানীয় মহিলাৰ বাসগৃহক লক্ষ্য কৰি এই চোৰৰ দলটোৱে বৃহৎ পৰিমাণৰ সোণৰ সামগ্ৰীৰ লগতে অন্যান্য লাগতিয়াল বস্তু চুৰি কৰি লৈ যোৱাৰ পিছত ভুক্তভোগী মহিলাগৰাকীয়ে সৰুপথাৰ আৰক্ষী থানাত অভিযোগ দাখিল কৰে। এই গুৰুতৰ অভিযোগৰ ভিত্তিত সৰুপথাৰ আৰক্ষীয়ে ক্ষিপ্ৰতাৰে আৰু অতি তৎপৰতাৰে তদন্ত আৰম্ভ কৰে আৰু চোৰাংচোৱাৰ তথ্যৰ ওপৰত নিৰ্ভৰ কৰি প্ৰথমে নগাঁৱত আত্মগোপন কৰি থকা অৱস্থাত আহাদ আলি আৰু চাহিল আহমেদ নামৰ দুই মূল অভিযুক্তক আটক কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত এই দুই ধৃত চোৰক মাৰাথান সোধা-পোছা কৰাৰ অন্তত লাভ কৰা তথ্যৰ ভিত্তিত অভিযান চলাই আৰক্ষীয়ে সৰুপথাৰ নগৰৰ ৪নং ৱাৰ্ডৰ নিবাসী বাকী তিনিজন সহযোগী ক্ৰমে ছৰিফ আলি, আবজল হুছেইন আৰু চবিবুল আলিকো কৰায়ত্ত কৰি মুঠ পাঁচজনীয়া এই বৃহৎ চোৰৰ দলটোক সফলতাৰে জালত পেলায়। আটকাধীন এই দুৰ্ধৰ্ষ চোৰকেইজনৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে চুৰি হোৱা সামগ্ৰীসমূহৰ ভিতৰৰ পৰা সোণ-ৰূপৰ খাড়ু, নাকফুলি আদি মূল্যৱান অলংকাৰসমূহ উদ্ধাৰ কৰাৰ লগতে সমীপৱৰ্তী বৰপথাৰ অঞ্চলৰ এটা সামগ্ৰী পেলোৱা ডেম্পৰ পৰা দুটাকৈ ইনভাৰ্টাৰৰ বেটাৰীও জব্দ কৰিবলৈ সক্ষম হয়। এই বৃহৎ সাফল্যৰ পিছত বৰ্তমান সৰুপথাৰ আৰক্ষীয়ে ধৃত পাঁচোটা চোৰক তীব্ৰ জেৰা অব্যাহত ৰাখিছে যাতে এই চক্ৰটোৰ লগত জড়িত থাকিব পৰা অন্যান্য অপৰাধীসকলৰ বিষয়ে তথ্য লাভ কৰিব পাৰি আৰু চুৰি হোৱা আন সামগ্ৰীসমূহো উদ্ধাৰ কৰি অঞ্চলটোত পূৰ্বৰ নিৰাপত্তা নিশ্চিত কৰিব পৰা যায়।

## ২০২৭ বৰ্ষৰ মাজুলীত অনুষ্ঠিত হ'ব সত্ৰীয়া সংস্কৃতিৰ প্ৰতিযোগিতা, আহ্বায়ক সমিতি গঠন

# অসম সাংস্কৃতিক মহাপৰিষদৰ গুৰুত্বপূৰ্ণ সভা

**অসম বাৰ্তা, মাজুলী, ২৭ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ দুজনাৰ লগতে পৰৱৰ্তী গুৰু সকলে দি যোৱা বিশাল সাংস্কৃতিক অৱদান সমূহ সংৰক্ষণ, সংবৰ্ধন, প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে গঠিত অসম সত্ৰীয়া সাংস্কৃতিক মহা পৰিষদৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰৰ চ'ৰা বিশিষ্ট সত্ৰীয়া সংস্কৃতিৰ সাধক ৰাজ্য কেন্দ্ৰ চৰকাৰৰ বিভিন্ন বঁটাৰ বিভূষিত ঘনকান্ত বৰবায়ন দেৱৰ পৌৰহিত্যত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে মাজুলীত অনুষ্ঠিত কৰিবলগীয়া বিষয়ৰ প্ৰতিযোগিতা সন্দৰ্ভত বক্তব্য আগবঢ়োৱাৰ লগতে বৰ্তমান সময়ত সত্ৰীয়া সংস্কৃতিৰ অৱক্ষয় ৰোধ কৰিবলৈ কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত এই সন্দৰ্ভত সভাস্থ সকলৰ পৰামৰ্শ আহ্বান জনাই কেন্দ্ৰীয় সমিতিৰ সম্পাদক বৈকুণ্ঠ প্ৰসাদ গোস্বামীয়ে। সভাত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীজনাৰ্দন দেৱ গোস্বামীয়ে কয়- এই ক্ষেত্ৰত বায়ন, বৰবায়ন তথা গায়ন, ওজা সকল একত্ৰিত হবৰ সময় হৈছে। সত্ৰীয়া সাংস্কৃতিক মহা পৰিষদৰ উদ্যোগত সকলোৰে সহযোগিতাৰ প্ৰয়োজন। মহা পৰিষদৰ উদ্যোগত ইতিমধ্যে গুৱাহাটী আৰু যোৰহাটত অনুষ্ঠিত হোৱা প্ৰতিযোগিতা তথা কৰ্মশালাত যথেষ্ট সুফল পোৱা বুলি সভাপতিৰ আসনৰ পৰা সদৰি কৰে। সভাত কমলাবাৰী থুলৰ বিশিষ্ট বায়ন, বৰবায়ন, গায়ন, ওজা, সকলৰ উপৰিও মাজুলীৰ সাংস্কৃতিক ক্ষেত্ৰৰ শিল্পী সবকল উপস্থিত থাকে। বদলা পদ্ম আতা থানৰ পৰা উপেন বৰুৱা বায়ন, উত্তৰ কমলাবাৰী সত্ৰৰ পৰা ভবেন বৰবায়ন, তীৰ্থ বৰগায়ন, যাদৱ বৰা বায়ন, নতুন কমলাবাৰী সত্ৰৰ হৰিচৰণ বৰবায়ন, পৰমা কাকতি গায়ন, গোলাপ বৰুৱা বৰবায়ন আদি বহুকেইজনে বিভিন্ন প্ৰকাৰৰ দিহা পৰামৰ্শ আগবঢ়ায়। সভাত মাজুলীত প্ৰস্তাৱিত অনুষ্ঠান ভাগি উত্তৰ কমলাবাৰী সত্ৰত অনুষ্ঠিত হোৱাৰ পৰামৰ্শৰ ওপৰত ভিত্তি কৰি সম্ভাব্য তাৰিখ ২০২৭ বৰ্ষৰ চেপ্তেম্বৰ মাহ অনুষ্ঠিত কৰাৰ বাবে এখন মাজুলী ভিত্তিত ৰাজহুৱা সভাৰ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাখন আগন্তুক পূজাৰ পিছতে অনুষ্ঠিত কৰাৰ বাবে এখন আহ্বায়ক সমিতি গঠন কৰা হয়। সেই অনুসৰি ৰঞ্জিৎ কুমাৰ ভূঞাক সভাপতি, হৰিচৰণ ভূ এঞা বৰবায়নক কাৰ্যকৰী সভাপতি, পৰমানন্দ কাকতি আৰু যাদৱ বৰাক সম্পাদক, গোলাপ বৰুৱা বৰবায়ন, তীৰ্থভূ এঞা বৰবাযন, পদ্ম হাজৰিকা বৰবায়ন, গোলাপ বৰুৱাক আহ্বায়ক আৰু ভবেন বৰবায়নক উপদেষ্টা হিচাপে মনোনীত কৰে।

# গোলাঘাটৰ সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ত দহ হাজাৰ গছপুলি ৰোপণৰ শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৭ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলা হেণ্ডবল সন্থা আৰু পুলিবৰ ক্ৰীড়া কেন্দ্ৰৰ যৌথ উদ্যোগত সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ চৌহদত দহ হাজাৰ গছপুলি ৰোপণ কৰাৰ কাৰ্যসূচী আজিৰে পৰা শুভাৰম্ভ কৰা হয়। এই উপলক্ষে আজি গছপুলি ৰোপণ কৰি শুভাৰম্ভ কৰে গোলাঘাট জিলা হেণ্ডবল সন্থাৰ সভাপতি মৃদুল কুমাৰ শৰ্মাই। উক্ত অনুষ্ঠানত জিলা পৰিষদৰ সদস্য ৰাজকুমাৰ বেদান্ত বিকাশ গোহাঁই, বিশ্ববিদ্যালয়ৰ উপাধ্যক্ষ জি সিংঘায়া, পুলিবৰ ক্ৰীড়া ক্ষেত্ৰৰ আৰু হেণ্ডবল সন্থাৰ বিষয়ববীয়া সকলে প্ৰায় এহেজাৰ গছপুলি ৰোপণ কৰে। উল্লেখযোগ্য যে আজি ৰোপণ কৰা গছপুলি সমূহৰ ভিতৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰিয় গছ নাহৰৰ লগতে বিভিন্ন ধৰণৰ ফলমূলৰ গছপুলি কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন